# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ৫/০৮/২০২১ বৃহস্পতিবাৰ**

---

**আজি ইংৰাজী ৫-০৮-২০২১ তাৰিখে পূৰ্বনিৰ্ধাৰিত সময় অনুসাৰে পুৰা ৯ঃ৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাম আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No. 161.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ( হাতত "গাওঁৰ জনতাৰ ওপৰত কৰ বন্ধ কৰক" placard লৈ থিয় হয়)।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক। ইয়াত flag দেখুৱাব নালাগে। আপুনি discipline আৰু decorum maintain কৰক। এতিয়া মাননীয় সদস্য।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পিছত যাতে পুনৰ এনেকুৱা নহয়। Question Hour ৰ সময়ত যাতে এনেকুৱা নকৰে।

**মাননীয় অধ্যক্ষ ঃ** সদনত placard দেখুৱাব নালাগে। ইয়াত কথা কোৱাৰ সকলোৰে সুবিধা আছে।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত placard যাতে আনিবলৈ দিয়া নহয়। ----হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** মই কালিও কৈছো আৰু আজিও কৈছো ----interruption-----সন্মানীয় সদস্য সকল, এয়া সদন। সদনত placard আনিব নালাগে। ইয়াত যিকোনো বিষয়ত তৰ্ক হ'ব পাৰে, বিভিন্ন যুক্তি যুক্ততা আহিব পাৰে। সেয়া presence of mind. কিন্তু যদি placard লৈ আহে এয়া pre planned হ'ব। ---interruption--- মই reference ত কৈছো যে যদি কোনোবা pre planned হৈয়ে আহে ---interruption--- মোক যদি আপোনালোকে safe নকৰে, এফালে rulling এফালে opposition. শেষত মই মাৰ্শ্বালৰ দ্বাৰাই বাহিৰত উলিয়াই দিব লাগিব। গতিকে মই অনুৰোধ কৰিছো সদায় ইয়াত flag বা placard লগত আনি হুলস্থুল কৰিব নালাগে। এনে কৰিলে আমাৰ সদনৰ কথা পতাৰ পৰিৱেশটোৱে নাথাকে। এতিয়া সকলোৱে বহক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No. 161. Parliamentary Affairs Minister ডাঙৰীয়াই কি ক'ব বিচাৰিছে কওক।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ page No. 130 ত লিখা আছে যে while the House is sitting, a member shall not display flags, emblems or any exhibits in the house.

**মাননীয় অধ্যক্ষ ঃ** মই সেইকাৰণে ইতিমধ্যে কৈছো যে সদনত এইটো কৰিব নোৱাৰে। গতিকে আজিৰ পৰা ইয়াত যুক্তি তৰ্ক হওক, পেপাৰত লিখিব। Flags দেখুৱালে আমাৰ ৰাজ্যখন সলনি নহয় বা ৰাজ্যখনৰ সমস্যাবিলাক সমাধান নহয়। সদনত সুস্থভাৱে যি সিদ্ধান্ত ল'ব এই সিদ্ধান্তৰ

ওপৰত আমাৰ ৰাজ্যবাসীৰ ভাগ্য নিৰ্ণয় হ'ব। গতিকে Flags দেখুওৱা বাদ দি কামত লাগক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মৰ্য্যদা ৰখাটো সকলো সদস্যৰে দায়িত্ব। এইটো কিন্তু সকলোৰে মানি চলিব লাগিব। গতিকে তাৰবাবে যদি কিবা ব্যৱস্থা ল'বলগা হয়, সেয়া আপুনি ল'ব।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা অনুৰোধ কৰিছো যাতে আজিৰ পৰা Question Hour ৰ সময় যাতে নষ্ট নহয়, তাৰবাবে Question Hour ৰ সময়ত যাতে কোনেও Point of Order আনিব নোৱাৰে।

(কংগ্ৰেছ দলেও মাননীয় অধ্যক্ষৰ ruling ৰ ওপৰত সমৰ্থন জনায়)।

**মাননীয় অধ্যক্ষ ঃ** Supplementry.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে লিখিছে যে যিহেতু মাদ্ৰাছা সমূহ ইতিমধ্যে সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত হৈছে, ইয়াৰ পূৰ্বে যিটো MTET অনুষ্ঠিত কৰা হৈছিল, সেই পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে যোগ্য নহ'ল। গতিকে এই কথাটো মই বুজি নাপালো যে MTET ত ২০,০০০ ত কৈও অধিক প্ৰাৰ্থী উত্তীৰ্ণ হৈছিল। তাৰ ভিতৰত ৯৫ শতাংশ Math, Science, English, Assamese আদি general subject ৰ। যিহেতু মাদ্ৰাছা সমূহ ইতিমধ্যে সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত হৈছে কিন্তু Math, Science, English, Assamese আদি general subject সমূহৰ শিক্ষক সকল কিয় যোগ্য নহ'ল? এই কথাটো বুজি নাপালো। এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাদ্ৰাছা সমূহত শিক্ষকৰ নিযুক্তিৰ বাবে যি পৰীক্ষা অনুষ্ঠিত হৈছিলে, সেই পৰীক্ষাৰ বিজ্ঞাপনতে এইটো স্পষ্টকৈ উল্লেখ আছিল যে ইয়াত যিসকল উত্তীৰ্ণ হ'ব তেওঁলোক কেবল মাদ্ৰাছা শিক্ষানুষ্ঠানৰ শিক্ষক পদৰ বাবেহে যোগ্য বিবেচিত হ'ব। এই বিজ্ঞাপনৰ যদি প্ৰতিটো দফা চায়, তেতিয়া দেখিব যে এই কথাটো ইয়াত বাৰে বাৰে উল্লেখ আছে যে তেওঁলোক মাদ্ৰাছাৰ কাৰণেহে উপযুক্ত বিবেচিত হ'ব। এতিয়া যিহেতু মাদ্ৰাছা নাই তেওঁলোকক সাধাৰণ TET হিচাপে গণ্য কৰিব পৰা নাযায়। তেওঁলোকৰ পৰীক্ষাৰ যিটো structure আছিল বা যিটো syllabus আছিল সেইটো যদি আমি চাওঁ তেতিয়া দেখিব যে সেইখিনি আমাৰ সাধাৰণ TET ৰ syllabus ৰ লগত নিমিলে। তাত আৰবিক, বুৰঞ্জী আনকি যিটো অঙ্ক, বিজ্ঞান আদিৰ কথাও কৈ আছে, সেই অঙ্ক, বিজ্ঞান আদিৰ পৰীক্ষাটো আৰবিক, বুৰঞ্জীৰ এটা অংশ থাকে, যিটো আমাৰ সাধাৰণ TET ত নাথাকে। গতিকে যেতিয়া MTET অনুষ্ঠিত কৰা হৈছিল, তেতিয়া specifically মাদ্ৰাছা সমূহৰ কাৰণেহে সেইটো অনুষ্ঠিত কৰা হৈছিল। যিহেতু মাদ্ৰাছা সমূহ নাই গতিকে এতিয়া MTET উত্তীৰ্ণ প্ৰাৰ্থী সমূহক সাধাৰণ TET ত বিবেচনা কৰাৰ কোনো অৱকাশো নাই আৰু আমাৰ কোনো সিদ্ধান্তও নাই।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় supplementary.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো হয়তো আপুনিও নিশ্চয় অৱগত যে সেই pre senior আৰু senior মাদ্ৰাছা সমূহত যিসমূহ English , Assamese

আছিল স্কুলতো সেই একেই আছিল। যিসমূহ ২০,০০০ প্ৰাৰ্থী MTET উত্তীৰ্ণ হৈছিল, তাৰে ভিতৰত মাথো ৫০০ হে আৰবিক, উৰ্দু এইবিলাকৰ আছিল। বাকী ১৯৫০০ MTET উত্তীৰ্ণ প্ৰাৰ্থী ৰ subject টো কিন্তু একেই আছিল। স্কুলত যিটো Maths, Science, English পঢ়োৱা হয়, তাত একেই পঢ়োৱা হয়। ইয়াৰ curriculum change হোৱা নাই, চাবজেক্ট চেঞ্জ হোৱা নাই। স্কুলত থকা আগৰটোৱেই পঢ়োৱা হৈছে। এই কথাটো শিক্ষা মন্ত্ৰী মহোদয়ে ভালকৈ তদন্ত কৰে, সেইটো কিন্তু পাব। দ্বিতীয় কথাটো হ'ল যিখিনি Pre-Senior আৰু Senior মাদ্ৰাছাত টেট ২০১৮ ৰ মাদ্ৰাছা Provincialisation ৰ এক্টৰ অধীনত Provincialised কৰিবলৈ বাকী আছিল, সেইখিনিক এতিয়া স্কুল হিচাপে Provincialised কৰিব পৰা যায় আৰু সেইখিনিক স্কুল Provincialisation ৰ under ত যিহেতু তেওঁলোক qualified হৈ আছিল under Madrassa Provincialisation Act 2018.এতিয়া যিহেতু মাদ্ৰাছাটোৱেই নাথাকিব, গতিকে সেই অনুষ্ঠান সমূহক স্কুল হিচাপে কৰিব পৰা যাব নে নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দ্বিতীয় প্ৰশ্নটোৰ উত্তৰটো আগতে দি ল'ব বিচাৰিছো। যিখিনি Provincialised হৈ গ'ল আৰু যিখিনি Provincialised হোৱা নাই, ভেঞ্চাৰ হৈ আছে বা প্ৰাইভেট হৈ আছে তাত আমাৰ এই মাদ্ৰাছা বন্ধ বা তেওঁলোকক conversion কৰা কথাটো নাহে। যিখিনি Provincialised হৈ গ'ল আৰু এতিয়া তেওঁলোকক কনভাৰ্ট কৰা হ'ল সাধাৰণ বিদ্যালয়লৈ,এইখি নিৰ ক্ষেত্ৰতহে আমি দায়বদ্ধ হৈ আছো Provincialised নোহোৱাৰ ক্ষেত্ৰত আমাৰ কোনো দায়বদ্ধতা নাই আৰু ইয়াত আমাৰ নিৰ্দিষ্টভাৱে এখন আইন আছে প্ৰভিঞ্চিলাইজেশ্যনৰ কাৰণে ২০১৭ ৰ সেই আইনৰ ভিত্তিতহে প্ৰভিঞ্চিলাইজেশ্যনৰ বিষয় সমূহ বিবেচিত হৈছে আৰু হ'ব। দ্বিতীয় কথাটো হ'ল ইয়াত মই যিটো কথা কৈছো এম. টেটৰ পৰীক্ষা তাৰ structure, content আৰু pattern, জেনেৰেল টেটত কৈ সম্পূৰ্ণ বেলেগ। আনকি নম্বৰৰ ক্ষেত্ৰতো জেনেৰেল টেটত যেতিয়া ১৫০ নম্বৰৰ পৰীক্ষা হৈছে, এম টেটত ক'ৰবাত ১০০ নম্বৰ, ক'ৰবাত ৫০ নম্বৰৰ পৰীক্ষা হৈছে, তাৰ যিটো চিলেবাচ আছে, স্পেচিফিকেলী য'ত থিয়ল'জিকেল চাবজেক্ট বিলাক বাদ দিও যদি সাধাৰণ এটা পৰীক্ষা, যেনে General Science, Mathsৰ ক্ষেত্ৰতো আহো, ইয়াতো দেখা যায় pedagogy আছে, General English আছে, কিন্তু Arabic, History ও আছে। যিটো আমাৰ জেনেৰেল টেটত নাই। গতিকে জেনেৰেল টেট আৰু এম টেট কেতিয়াওঁ সমপৰ্য্যায়ৰ হ'ব নোৱাৰে নহয় আৰু সেই কাৰণে এম টেট খিনিক এতিয়া জেনেৰেল টেট হিচাপে বিবেচনা কৰাৰ আমাৰ কোনো অৱকাশ নাই আৰু আমাৰ কোনো সিদ্ধান্তও নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা সুধিব খুজিছো। দেখা গৈছে আমাৰ যিবিলাক টেম্পৰেৰী পোষ্ট আছে স্কুল কলেজ বিলাকত, মাদ্ৰাছাৰ বাহিৰেও সেই স্কুল বা কলেজ বিলাকত আজিও বহু বছৰ ধৰি আমাৰ ল'ৰা-ছোৱালী বিলাকে চাকৰি কৰি আছে। সেই ল'ৰা-ছোৱালী বিলাক বা শিক্ষক যি সকল আছে, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ ক্ষেত্ৰত আমাৰ যি এক লাখ পোষ্ট চৰকাৰে নিযুক্তি দিয়াৰ কথা কৈছে বা ঘোষণা কৰিছে, তাৰ লগত সংগতি ৰাখি সেইখিনি কৰিব পৰা যাব নেকি

আৰু আমাৰ বহুখিনি শিক্ষক আছে, যিসকল চাকৰি দুই তিনি চাৰি বছৰ আছে, গতিকে তেওঁলোকক যদি চৰকাৰে এতিয়া নিয়মীয়া কৰেও, তেতিয়া যিহেতু সময় তেওঁলোকৰ একেবাৰে কম থাকিব আগৰ দৰে পেঞ্চন বেনিফিটো তেওঁলোকে নাপায়। এতিয়া নতুন পেঞ্চন বেনিফিটো তেওঁলোকে সেই আগৰ ধৰণে নাপাব। গতিকে তেওঁলোকক ইয়াত নিযুক্তি দিব পাৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে যিসকলক ঠিকাভিত্তিক ভাৱে নিযুক্তি দিছিল, তেওঁলোকৰ প্ৰতি চৰকাৰ দায়বদ্ধ আৰু তাৰ কাৰণে সেই চাকৰি সমূহ সম্পূৰ্ণ নিয়মীয়া কৰিব নোৱাৰিলেও তাক নিয়মীয়াকৰণ কৰা কাৰণে ইতিমধ্যে চৰকাৰে কৰাৰ সিদ্ধান্ত লৈছে, ৬০ বছৰৰলৈকে তেওঁলোকৰ চাকৰি সু-নিশ্চিত কৰিছে আৰু তেওঁলোকক অন্য নিয়মীয়া শিক্ষকৰ সমহাৰত বেতন দিয়াৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। যিসমূহ ভেঞ্চাৰ স্কুলত আছে, আমি আইনৰ আধাৰত যিখিনি প্ৰভিঞ্চিলাইজেশ্যন কৰিলো সেই আইনৰ আধাৰতহে আৰু যদি ক'ৰবাত বাকী আছে, সেইখিনি কি আইনৰ অধীনত বা আওঁতাত পাব। সেইয়া চৰকাৰে বিবেচনা কৰিব। বাকী সকলৰ কথা তেওঁলোকে কিমান বছৰ ভেঞ্চাৰ স্কুলত কৰ্মৰত হৈ আছে বুলি ক'বলৈ মোৰ তাতো আহে, কিন্তু তেওঁলোকক এই সময়ত বিবেচনা কৰাৰ কাৰণে আমাৰ আইনত কোনো ব্যৱস্থা নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** যাদৱ স্বৰ্গীয়াৰী।

**শ্ৰী যাদৱ স্বৰ্গীয়াৰী (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভেঞ্চাৰ স্কুল সংক্ৰান্তত এটা কথা চৰকাৰক অৱগত কৰিব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ ৰাভা হাচং এলেকাত যিটো বিশেষ এলেকা হিচাপে ইয়াৰ অৰ্থনৈতিক, সামাজিক, শৈক্ষিকভাৱে পিচপৰা কাৰণে ৰাভা হাচং কাউন্সিল গঠন কৰা হৈছে, সেই কাউন্সিলৰ অন্তৰ্গত প্ৰায় ৭৩ খন ভেঞ্চাৰ স্কুল এতিয়া আছে, ২০১৮ ৰ চনৰ প্ৰাদেশীকিকৰণ আইনৰ আওঁতাৰ পৰা তেওঁলোকক বাহিৰত ৰখা হৈছে। অধ্যক্ষ মহোদয়, গোটেই ৰাভা হাচং এলেকাত এল পি স্কুলত ৩৯ খন স্কুল আছে, এম. ই ত ৯ খন, হাইস্কুল ১৯ খন, হাইয়াৰ চেকেণ্ডাৰীত ২ খন, জুনিয়ৰ কলেজত ২ খন, মুঠ ৭৩ খন আছে। ইয়াৰ বিশেষভাৱে মই এটা কথা উনুকিয়াব বিচাৰিছো, বিশেষকৈ আমাৰ গাৰো জনগোষ্ঠীটো ৰাভা হাচং এলেকাত বিশেষভাৱে আছে। বিশেষকৈ এই জনগোষ্ঠীটোৰ আমি যিখিনি লিষ্ট ক'লো, সেইখিনি গাৰো জনগোষ্ঠীৰ। সেই কাৰণে সদনত মন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত বিশেষভাৱে ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখন ২০১৭ চনৰ প্ৰভিঞ্চিয়েলাইজেশ্যন আইন, এই আইনখন অতি উদাৰ, অতি liberal, যিখিনি শিথিলতা গ্ৰহণ কৰিব পাৰি, যিখিনি relexation দিব পাৰি সৰ্বনিম্ন পৰ্য্যায়ত সেই relexation খি নি দি এই প্ৰভিঞ্চিয়েলাইজেশ্যনৰ ব্যৱস্থা কৰা হ'ল। এতিয়া ইয়াৰো আওঁতাৰ ভিতৰত নপৰে, এল. পি. স্কুল এখনত কৈছে যে, ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগিব। এতিয়া ৩০ জন ছাত্ৰ-ছাত্ৰীয়ে যদি নাই সেই স্কুলখন আমি কেনেকৈ প্ৰভিঞ্চিয়েলাইজ কৰিম। ১-১-২০০৬ এটা তাৰিখ নিৰ্ধাৰণ কৰি দিয়া হৈছে। কিন্তু তাৰ পাছত খুলি থকাৰ স্কুলসমূহ প্ৰভিঞ্চিয়েলাইজেশ্যনৰ আওঁতালৈ চৰকাৰখনে কেনেকৈ আনিব? কাৰণ এইস্কুলসমূহ অনাৰ বাবে আমাৰ আৰু কোনো ব্যৱস্থা নাই। ৰাভা হাচং এলেকাত যিসমূহ স্কুল থাকি গ'ল বুলি কৈছে, বা যিসকল মোৰ ওচৰত আহিছিল, মই তেওঁলোকৰ

স্কুলসমূহ পৰীক্ষা কৰি দেখিছো যে কোনো পধ্যেই আইনৰ আওঁতাৰ ভিতৰলৈ নাহে। আইনৰ আওঁতাৰ ভিতৰলৈ যদি নাহে তেনেহ'লে এই মহামান্য বিধান সভাই অদূৰ ভৱিষ্যতে কোনো আইন গ্ৰহণ নকৰালৈকে বৰ্তমান আইনখনৰ ভিতৰত এই বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণৰ কোনো ব্যৱস্থা নাই। বাকী যি ৰাভা হাচং এলেকাত থকা যিসকল গাৰো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী আছে, গাৰো অঞ্চল সমূহত এই কথাটো মই অতি গুৰুত্ব সহকাৰে লৈছো আৰু যোৱাকালি কেবিনেটে সিদ্ধান্ত লৈছে যে, গাৰো মাধ্যমৰ বিদ্যালয় সমূহৰ কাৰণে এক বিশেষ টেট পৰীক্ষা চৰকাৰে খুব সোনকালে অনুষ্ঠিত কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ভৰত নৰহ ডাঙৰীয়া। এতিয়া আপুনি প্ৰশ্ন কৰক।

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে, আপোনালোকৰ চৰকাৰে যিখন আইন বনালে, তাত কিন্তু issue date স্পষ্টকৈ নাই আৰু issue date ৰ কাৰণে বহুত স্কুল এতিয়াও প্ৰাদেশীকিকৰণ নহ'ল। যিবিলাক স্কুল প্ৰাদেশীকিকৰণৰ কাৰণে ৰৈ গ'ল চৰকাৰে এই বিষয়ে কিবা চিন্তা কৰিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনখনত স্পষ্টভাৱে কৈছে যে, এই recognition বা permission দিয়াৰ ক্ষেত্ৰত ইয়াক retrospective আজি মই ২০২১ চনত কিবা এটা recognition দিম। ক'ম যে এইটো ২০১২ চনৰ পৰা প্ৰযোজ্য। এই ব্যৱস্থাটো আইনখনত নাই। গতিকে আইন খনে যিটো date ত স্কুলখন সচাঁকৈ recognition হৈছে concurrence বা permission হৈছে, সেই তাৰিখটো বিবেচনা কৰিব। তাত w.e.f বুলি যিটো ডেট লগাই দিছে, আগৰ পুৰণা তাৰিখ এটা সেইটো আইনখনে স্বীকৃতি নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, যিখিনি আমাৰ সন্মানীয় সদস্য সকলে প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কাৰণে আইনৰ আওঁতালৈ নহাৰ কাৰণে থাকি যোৱা বুলি কৈছে, গতিকে সেই এৰিয়াৰ ছাত্ৰ-ছাত্ৰী সকলৰ যদিও ৫ বা ১০ জন নাইবা ২ জনেই হওঁক শিক্ষা গ্ৰহণ কৰাৰ সুবিধাখিনি পাব লাগে। গতিকে এই বিষয়ত কেনেকুৱা ধৰণৰ, তেওঁলোকক প্ৰভিঞ্চিয়েলাইজেশ্যন নহ'লেও তেওঁলোকৰ শিক্ষা গ্ৰহণতো অন্য স্কুলবিলাকত কৰিব পৰা যায়। সেই বিষয়টোত আপুনি অলপ বিবেচনা কৰিলে মই ভাৱো ইয়াৰ সমাধান ওলাব।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, শিক্ষাৰ যি অধিকাৰ আইন, এই আইন ৰ অধীনত আমি সকলো ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবৰ কাৰণে আমি দায়বদ্ধ। তাৰ কাৰণে প্ৰতি এক কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ এখন নিম্ন প্ৰাথমিক বিদ্যালয়, প্ৰতি তিনি কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত এখন উচ্চ প্ৰাথমিক বিদ্যালয়, প্ৰতি পাঁচ কিলোমিটাৰ ব্যাসাৰ্দ্ধত এখন উচ্চ মাধ্যমিক বিদ্যালয়, সাত কিলোমিটাৰ ব্যাসাৰ্দ্ধত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰাৰ বাবে আমি দায়বদ্ধ। যি ঠাইত স্কুল নাই তাত প্ৰয়োজন সাপেক্ষে চৰকাৰে নতুনকৈ স্কুল খুলিব। কিন্তু এই প্ৰাদেশীকৰণ আইন খনৰ আওতাৰ ভিতৰত নহা বিদ্যালয়ক কেৱল তাতে এখন বিদ্যালয় লাগে বুলিয়ে স্বীকৃতি দিয়া প্ৰাদেশীকৰণ কৰাৰ কোনো ব্যৱস্থা এই আইনখনৰ ভিতৰত নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই, কমলাক্ষ্য দে পুৰকায়স্থ আপুনি বহক, আপোনালোক বহক। কমলাক্ষ্য ৰ'ব না সবতে কিয় চিঞৰিব বিচাৰে? কথাটো বুজি লওক। বহক চোন, মই কৈ আছো। মন্ত্ৰী

মহোদয়ে কৈছে প্ৰাদেশীকৰণৰ এক্তত যিবিলাক আমাৰ ভেন্সাৰ স্কুল এইবিলাক আইনৰ আওতাত নপৰে। কিন্তু এটা কিঃমিঃ ব্যাসাৰ্ধ দিয়া হৈছে য'ত প্ৰাইমাৰী, এম ই স্কুল বা হাইস্কুল থকাটো বাধ্যতামূলক, হাইস্কুল তাত থাকিবই লাগিব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** শুনক না, মই অধ্যক্ষই কৈ আছোঁ। তাত কৈছে চৰকাৰী স্কুল প্ৰত্যক্ষভাৱে স্থাপন কৰা হ'ব। কিন্তু ভেন্সাৰৰ কৰবাত criteria নিমিলিব পাৰে বুলি কৈছে বিভিন্ন কাৰণত, এইটো criteria ত যদি যুক্তি সংগত হয় তেতিয়া নিশ্চয় কৰিব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** সেইটো চৰকাৰৰ লগত বহি আপোনালোকে কথা পাতিব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক না। এতিয়া প্ৰশ্নকালীন ঘন্টা। প্ৰশ্ন নং ১৬২। মন্ত্ৰী ডাঙৰীয়া।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** সবতে কৈ থাকিলে কেনেকৈ হ'ব।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** তেওঁলোকৰ পইচাখিনি ঘুৰাই দিব লাগিব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** তেওঁলোকৰ পৰা ফিজ লৈছে, সেই পইচাখিনি ঘুৰাই দিব লাগিব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক না। আপোনালোকে ভেন্সাৰ স্কুলৰ গোটেই ৰেকৰ্ড পাতি লৈ মন্ত্ৰী ডাঙৰীয়াৰ লগত বহক।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ইয়াত নহ'ব। আপোনালোক বহক না। বিধায়ক সকলে এনেকুৱা কথা পাতিব সেইটো নাসাজে। প্ৰত্যেকটা কথাত কৈ মোক তেনেকুৱা কিয় বাধ্য কৰায় যে কব নলগা কথা ৰুলিঙৰ নামত ক'বলগীয়া হয়। এইটো এটা সদন হয়। মন্ত্ৰী মহোদয়ে দুয়োটা কথাই কলে। যদি criteriaত আছে প্ৰাদেশীকৰণ হ'ব, যদি স্কুল ভেন্সাৰ criteria ত নপৰে তেতিয়াহলে চৰকাৰে তাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে শিক্ষা অনুস্থান স্থাপন কৰিব, ডাইৰেক্ট। ইয়াত বিল্ডিং পাব, শিক্ষক থাকিব, ল'ৰা-ছোৱালী পঢ়িব পাব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** সেই কথাটো পাতক না, সেইটো প্ৰশ্নকালীন ঘন্টা নহয়।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। সন্মানীয় সদস্য আপোনালোকে এনেকৈ যদি কথা পাতে ঠিক আছে পাতি থাকক, যিয়ে যি পাৰে, এটা ভদ্ৰতাৰ কথা আছে। মই নাজানো ভদ্ৰতা অসমীয়া শব্দ parliamentary নে unparliamentary. কিন্তু এটা ভদ্ৰতা বোলা শব্দ আছে। আমি যদি এনেকুৱা ধৰণৰ কথা পাতো, মই কেতিয়াবা ভাৱো *.................* কৈ আমিয়ে বেছি বেয়া । আমাৰ বিধায়কৰ যদি স্বভাৱ-চৰিত্ৰ, ব্যৱহাৰ পাতি এনেকুৱা হয় আপুনি আনৰ পৰা কি আশা কৰিব । বেলেগৰ পৰা কি আশা কৰিব ? বিধায়ক, বিধায়ক এজন কি ভালদৰে কথা পতাৰ আমাৰ ঢং নাই, আমি ক'ৰ পৰা শিকিম, গতিকে চাওঁক এইটো চিৰিয়াছ কথা। গোটেই অসম।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ কথাখিনি কিন্তু ৰেকৰ্ড হ'ব নালাগে,

*Withdrawn by the Chair*

এইটো বৰ ডাঙৰ কথা কৈ দিলে আপুনি।

**মাননীয় অধ্যক্ষ ঃ** ৰেকৰ্ডত থাকিব, এইটোৰ প্ৰয়োজন হৈছে।

(হুলস্থূল)

**শ্ৰীআবুল কালাম ৰশিদ আলাম (পূৰ গোৱালপাৰা) ঃ** এইটো withdraw কৰক ।

**মাননীয় অধ্যক্ষ ঃ** সকলোৰে বহক। এইটো withdraw নহয়, এইটো কিয় withdraw হ'ব? কোনটো বেয়া কথা কৈছো? এইযে স্বভাৱ। যি কৰে কৰিব, মোক আঙুলি উঠাবলৈ আপুনি কোন হয়?

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** দুৰ্ভাগ্যজনক কথা, আমাৰ ৰাজ্যখনৰ প্ৰতিনিধিসকলে যদি বিধান সভাৰ মজিয়াত কাজিয়া-পেচাল কৰিবলৈহে যদি আহে, বিনা কাৰণত কাজিয়া-পেচাল কৰে, সদায় চিঞৰি থাকিব খোজে পাৰ্থক্য কি আছে, মই সেইটোহে কৈছো।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** সদন ৩০ মিনিটৰ বাবে স্থগিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Question No. 162.

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা মোৰ ভাৱ হয় বুলি আপুনি যিটো কথা ক'লে। এইটো যথেষ্ট এটা বেয়া মেচেজ যাব। গতিকে মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো যিহেতু আপুনি ক'লে এইটো kindly সদনৰ proceedings ৰ পৰা বাতিল কৰিলে আমি সকলোৰে সুখী হ'ম।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি)

**মাননীয় অধ্যক্ষ** ঃ Question hour over. এই বিষয়টোৰ ওপৰত তৰ্ক কৰি থাকিব নালাগে। মই বুজাই দিলো। মই কাৰো লগত তুলনা কৰা নাই। (সদনত পুনৰ হুলস্থূল হয়)

**শ্ৰীজাকিৰ হুছেইন শিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি শব্দটো উঠাই নল'লে আমি সদনৰ মজিয়াত বহি যাম। (মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ আৰু শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই হুলস্থূলীয়া পৰিৱেশৰ মাজতে সদনৰ মজিয়াত বহি যায়)

**মাননীয় অধ্যক্ষ** ঃ এনেকুৱা কৰিব নালাগে।

মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ আৰু শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই সদনৰ মজিয়াত বহি দিয়াৰ বাবে দুয়োজনকে সদনৰ পৰা বাহিৰ কৰিবলৈ মাৰ্শ্বেলক নিৰ্দেশ দিয়ে।

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশ সৃষ্টি হয় । এই হুলস্থূলীয়া পৰিৱেশৰ মাজতে দুয়োজন সদস্যকে বাহিৰলৈ লৈ যায়)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-২ , আমাৰ কাট মোশ্যন চলি আছে স্বাস্থ্য বিভাগৰ ওপৰত । যোৱাকালি আমাৰ স্পীকাৰচ কিছু বাকী আছিল। কংগ্ৰেছৰ পৰা আজি পাৰ্টিচিপেট কৰাৰ কথা আছিল। কালিৰ আধৰুৱাখিনি আমি আগবঢ়াই লৈ যাম।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, *......................* শব্দটোৰ ওপৰত আপুনি ৰুলিং দিলে তাৰ পিছৰ কাৰ্য্যসূচী আমি ল'ব পাৰিম ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষন্তেক সময় আগতে সদনত এটা শব্দ লৈ কিছু বিতৰ্ক হৈছিল। এই বিতৰ্কৰ মাজত এনে এটা পৰিবেশ হ'ল যেন স্পীকাৰ গৰাকী শাসকীয় পক্ষৰ, বিৰোধী পক্ষৰ স্পীকাৰ গৰাকী নহয়। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই সন্মানীয়

*Withdrawn by the Chair*

সদনৰ বিৰোধীয়ে হওক শাসকীয়ই হওঁক, কাষ্টʼডিয়ান হʼল আপুনি। গতিকে এই মেচেছটো কেতিয়াও যাব নালাগে। আপুনি বিৰোধী দলেই হওঁক চৰকাৰী পক্ষই হওঁক, দুয়োপক্ষৰে গাৰ্জিয়ান, আপুনি আমাৰ অভিভাৱক। গতিকে ইয়াত বিৰোধীয়ে কিবা এটা কথা লৈ বিৰোধিতা কৰিব আৰু আমি সমৰ্থন কৰিম এই পৰিবেশটো হʼব নালাগে। অধ্যক্ষ মহোদয়, যিটো শব্দ লৈ কথা আহিছে সেই শব্দলৈ আমিও আমাৰ কʼব লগাখিনি কওঁ। আপোনালোকেও যুক্তিটো চাওক, এটা শব্দ আপুনি কৈছে আৰু কোৱাৰ আগতে আপুনি কৈছে, এইটো সন্মিলনি হয়নে নহয় মই নাজানো। ইয়াত এনে এটা পৰিবেশ সদস্যসকলে কৈছে। সেই কাৰণে অসমীয়া সংবিধানে তেনেকৈ কৈছে, কিন্তু পৰম্পৰাগত বা আমি চলি থকা শব্দটো এনেকুৱা গতিকে মই ভাবো যে আমি এই শব্দটোৰ ঠাইত চৰমপন্থী শব্দটো ব্যৱহাৰ কৰিলে কাৰো কোনো কʼবলগীয়া নাই। কাৰণ ইয়াৰ সমাৰ্থক অৰ্থটো চৰমপন্থী বুলি লিখিছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত আমি দেখা পাও যে নৰমপন্থী চৰমপন্থী এইবিলাক আছে। জোৰ কৰি কথা কʼলে চৰমপন্থী বুলি কৈছে । গতিকে মই ভাবো ইয়াক লৈ এটা বিতৰ্ক কৰিব নালাগে, এনেকুৱা এটা পৰিবেশ কৰিব নালাগে যে যি পৰিবেশে আমাৰ সদনৰ মৰ্য্যদা হানি কৰে।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, আচলতে ভুল বুজা-বুজিৰ সৃষ্টি হোৱা বুলি মই অনুভৱ কৰো। আমি হাউচখন চলাব লাগিব, অসমৰ ৰাইজৰ সমস্যা, অসমৰ ৰাইজৰ ইচ্ছা বা ভবিষ্যতৰ কথা ইয়াত আমি আলোচনা কৰিব লাগে। সেই কাৰণে যিটো ভুল বুজা-বুজি হৈছে সেইটো নাইকীয়া কৰি যাতে সদনখন চলাব পাৰো, মই সকলোকে অনুৰোধ কৰিছো।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য আৰু সংসদীয় মন্ত্ৰী ডাঙৰীয়াৰ বক্তব্য শুনিলো। মহোদয়, আমাৰ ভাৰতীয় সংবিধানৰ যিখিনি নিয়মাৱলী আমাৰ লোকসভাই Follow কৰে, ষ্টেট লেজিছলেচাৰ বিলাকে Follow কৰে । এখন ৯০০ পৃষ্ঠাৰ কিতাপ যʼত কোনবিলাক আনপাৰ্লিয়ামেন্টৰী ৱৰ্ড লোকসভাৰ চেক্ৰেটেৰিয়েটে দিছে। চোৰ- ডকাইত, মিছলীয়া এই শব্দকেইটাই কʼব নোৱাৰি। বা যদি অশিক্ষিত হয় হিন্দীত অঙগুঠা ছাপ বুলিও কʼব নোৱাৰি। তেনে ক্ষেত্ৰত ইমান ডাঙৰ শব্দ এইটো, যেতিয়ালৈকে প্ৰত্যাহাৰ নকৰে তেতিয়ালৈকে আমাৰ পক্ষে সদন চলাই নিয়াৰ বাবে আমাৰ সহযোগৰ ক্ষেত্ৰত অসুবিধা হʼব। আমি ইয়াতে বহি সৌ সেইদিনা শপত লʼলো যে আমি সংবিধানমতে কৰিম। এনেকুৱা এটা শব্দ তাৰ অৰ্থ ইংৰাজীত কৈছে যে *..................* লগত তুলনামূলক হয়। আমাৰ ভাৰতবৰ্ষত শিক্ষিতৰ হাৰ ভাল হʼলেও ইমানো ভাল নহয় যে এই শব্দবোৰ বুজি পাব। আমাৰ ডেমোক্ৰেচীত লেজিছলেচাৰৰ কাম হʼল আইন বনোৱা। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈয়েই দিলে বিৰোধী বিধায়কে কি কৰিব, মাজে মাজে আহিব আৰু অধ্যক্ষৰ লগত কথা পাতিব। বিৰোধীয়ে একো কাম নকৰে। সেইটোতো কথা নহয়। আমাৰ এম এল এ এ ডি, এম পি এল এ এ ডি দিছে। সেই কাৰণে কিছু কথা বাস্তৱৰ লগত সন্মুখীন হʼব লাগিব। গতিকে মই আপোনাক বিবেচনা কৰিবলৈ কৈছো।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই ডিকচ্‌নেৰীখনৰ মতে আমাৰ সদন নচলে। সদনখন চলে ৰুলছ অফ প্ৰচিডিওৰ এণ্ড কনডাক্ট অফ বিজিনেছ ইন আসাম লেজিছলেটিভ এচেমব্লি মতে। এই পবিত্ৰ সদনখন চলাৰ বাবে এই কিতাপখন যিসকলে ৰচি গৈছে ইয়াত কিছু শব্দ কৈছে যে এনে শব্দ আপোনালোকে ব্যৱহাৰ নকৰিব। তাৰমানে এনেধৰণৰ শব্দ

*Withdrawn by the Chair*

কৈছে যে তাতকৈ বেয়া শব্দ আপোনালোকে ব্যবহাৰ নকৰিব। সাধাৰণতে আমি মিছলীয়া, বদমাচ শব্দ কওঁ কিন্তু আমি 'বদমাচ' শব্দটোও ইয়াত ক'ব নোৱাৰো, মিছা শব্দটোও ক'ব নোৱাৰো। যদি সদনখন ভালকৈ চলাটো বিচাৰিছে, আমি বিচাৰিছো যে ৰাইজে আমাক চাই আছে, কত শব্দ আপুনি কৈ দিয়ে যে এইটো এক্সপাঞ্জ কৰা হ'ল। গতিকে সদনখন ভালকৈ চলিবলৈ হ'লে যেনেধৰণে কিছুমান শব্দ এক্সপাঞ্জ কৰা হয় তেনেকৈ উঠাই ল'লে সদনখন ভালকৈ চলিব, কোনো কথা নাই। গতিকে এই কথাখিনি আপুনি নিৰপেক্ষভাৱে চিন্তা কৰিবলৈ আপোনাক বিনম্ৰভাৱে অনুৰোধ কৰিছো। কেৱল আপুনি যদি কৈ দিয়ে যে শব্দটো আমি এক্সপাঞ্জ কৰিছো বা উঠাই লৈছো। আপুনি কাষ্ট'ডিয়ান- কেতিয়াবা হয়, মানুহ মাত্ৰে ভুল হ'ব পাৰে। মুখেৰে ওলাই যাব পাৰে । গতিকে আপোনাক বিনম্ৰতাৰে অনুৰোধ জনালো আপুনি শব্দটো উঠাই লওক । গতিকে এই কথাটো উঠাই ল'বলৈ আমি বিনম্ৰতাৰে অনুৰোধ জনাইছো।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, মই স্বাভাৱিকতে আজি মৰ্মাহত হৈছো। এই শব্দটো ব্যবহাৰ কৰিব পাৰিনে নে নোৱাৰি অকল কিতাপৰ ধৰণে বিচাৰ কৰাতকৈ, আমাৰ সদনখন আমি চলাব লাগিব আৰু সদন চলোৱাত নিশ্চিভাৱে আমি সহযোগ কৰিম । সেই কাৰণে মই অনুৰোধ কৰিছো এই শব্দটো উঠাই ল'ব লাগে। কেতিয়াবা কেতিয়াবা কোনো সদস্যৰ ব্যৱহাৰ চৰম হ'ব পাৰে । যদি আপুনি চৰম পৰ্য্যায়লৈ গৈছে বা এক্সট্ৰিম পৰ্য্যায়লৈ গৈছে তেনেকৈ অভিযোগ কৰিলেও এটা বেলেগ কথা আছিল। আমাৰ বিধায়ক অধিকাৰো খৰ্ব হোৱা বুলি ভাবিছো। গতিকে সদনত এই ধৰণৰ শব্দ যাতে আমি নকওঁ সেই কাৰণে মই আপোনাক অনুৰোধ কৰিছো, এই শব্দটো উঠাই লৈ আমাৰ সদন চলোৱাত যাতে আপুনিও সহযোগ কৰে। আমি সকলো সদস্যই নিশ্চিতভাৱে সদনক চলোৱাত আপোনাকো সহযোগ কৰিম। এই কথাখিনি মোৰ ফালৰ পৰা মই উত্থাপন কৰিলো।

**শ্ৰী পিযূষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে অলপ ভুল বুজাবুজি হৈছে। তেখেতে হয়তো কথাটো অলপ বেলেগকৈ প্ৰকাশ কৰিবলৈ বিচাৰিছিল। কিন্তু যিটো অভিধানিক অৰ্থ সেইটো খুব বেছি বেয়া নহয়। যিহেতু ভুল বুজাবুজি হৈছে সেয়েহে মই মাননীয় অধ্যক্ষ মহোদয়ক এই শব্দটো উঠাই লোৱা বা কিবা এটা কৰাৰ বাবে অনুৰোধ কৰিম। এটা কথা মই ক'ব বিচাৰিছো যে আমি বাৰে বাৰে Rules of Procedure and Conduct of Business ৰ কথা কওঁ সেইটো একেবাৰে সঁচা। এইখনৰ মতে আমি চলিব লাগিব। এইখনৰ পৰম্পৰা মতে আমি চলো। আপোনালোকে কয় যে এইখনৰ মতে চলিব লাগে। কালি কিন্তু এইখনৰ মতে চলা হোৱা নাছিল আৰু আজিও এজন সদস্যই প্লে কাৰ্ড উলিয়াই দিছে। কালিও আপোনালোকে প্লে-কাৰ্ড উলিয়াই দিছিল। গতিকে আমি যদি এইখন মানিব লাগে তেন্তে আপোনালোকেও এইখন মতে চলিব লাগিব। তাৰ বাবে মই সন্মানীয় সদস্যসকলক অনুৰোধ কৰিলো। মই আগতেও কৈছিলো আৰু পুনৰ আজি এবাৰ কৈছো While the House is sitting , a Member shall not be display flags, emblems and any exhibit in the House. আমাৰ এইখন Rules of Procedure and Conduct of Business এ কৈছে যে আমি ইয়াত কোনোধৰণৰ প্লে কাৰ্ড লগাব নালাগে। কালিও বিৰোধীয়ে প্লে-কাৰ্ড আনিছিল। আমি বিশেষ একো কোৱা নাছিলো। কালিও এগৰাকী সদস্যই উলিয়াছিল আৰু আজিও এগৰাকী সদস্যই উলিয়াইছে। সকলোখিনি যাতে কিতাপখনৰ মতে হয় তাৰ বাবে মই সকলোকে অনুৰোধ কৰিছো। তাৰ পিছত মই আকৌ কৈছো যে এটা ভুল বুজাবুজি হৈছে।

সেয়েহে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ কৰিছো যে যিহেতু সদনখন চলাব লাগে সেয়েহে এই বিষয়ত তেখেতে যাতে এটা স্পষ্টীকৰণ দিয়ে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে তাৰে শেষৰ কথাখিনি আমি সম্পূৰ্ণভাৱে সমৰ্থন কৰিছো। কিন্তু যিটো প্লে-কাৰ্ড আৰু বাকীখিনি কথা ক'লে আমাৰ নিয়ম আছে যদি Rules of Procedure and Conduct of Business ৰ বিপৰীতে কৰে তেতিয়া মাননীয় অধ্যক্ষই ৰুলিং দি তাৰ ব্যৱস্থা গ্ৰহণ কৰে। আমাৰ ইয়াত আছে যে আমি Adjournment Motion এদিনত এটা আনিব পাৰো। কিন্তু Emergency যদি কিবা হয়, তেতিয়াহ'লে Point of Order বা অন্য Device ত আনিব পাৰে আৰু সেইটো যদি নহয় তেতিয়া অধ্যক্ষই ৰুলিং দিব। গতিকে এইটো Divert হৈ যাব। সেইটোৰ লগত এইটোৰ সম্বন্ধ নাই। যদি আমাৰ তেনেকুৱা আছে অধ্যক্ষই আমাক ৰুলিং দিব সেইমতে হ'ব। কিন্তু এই যিখিনি কথা ক'লে সেইখিনিত আমি সমৰ্থন জনাইছো। কাৰণ এইটোত গোটেই সদনৰ মান-মৰ্য্যদা আৰু সন্মানৰ কথা আছে। আমি কাকতৰ লোকসকলকো বিশেষ অধিকাৰ ভংগৰ বাবে সদনলৈ আনিছো। গতিকে এনেধৰণৰ শব্দবোৰ বৰ স্পৰ্শকাতৰ। সেয়েহে এই কথাবোৰ বিশেষভাৱে আলোচনা নকৰি ইমানতে অন্ত কৰো। যাৰ বাবে শাসকীয় দলৰ পৰাও অনুৰোধ আহিছে আৰু আমাৰ ফালৰ পৰাও আমিও মাননীয় অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ কৰিছো যে এইখিনি মানি এই শব্দটো উঠাই ল'লে সদনখন চলাত সুবিধা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদন এই যিটো বিষয়ে কৈছে, মই আগতেও কৈছো যে মোৰ ক'ৰবাত ভুল হ'ব পাৰে। আমাৰ ৰাজ্যখনেই তেনেকুৱা, আমাৰ সকলোৰে মাতৃভাষা বেলেগ বেলেগ, শিক্ষাৰ পৰিৱেশ বেলেগ বেলেগ সেয়েহে কোনটো শব্দ ক'ত প্ৰয়োগ হয় সেইটোৰ পাৰ্থক্য থাকিব পাৰে। এতিয়া অভিধান এখন উলিয়ালে আৰু সেই অভিধান মতে একো নহয়। এতিয়া অভিধান লিখা মানুহজনক আমি দোষ ধৰিলে কি হ'ব? এতিয়া অভিধানখন যদি আজিৰ পৰা বৰ্জন কৰিব লাগিব বুলি কওঁ তেন্তে অসমৰ পৰিস্থিতি কি হ'ব? কাৰণ সেইটোৰেই ভুল পথেৰে পৰিচালিত কৰিলে। মই কথাটোহে কৈছো, কাকো ঠাট্টা কৰিবলৈ কোৱা নাই। মই সেই শব্দটো যি ভাৰিছিলো সেই শব্দটো ভুল ওলালে। মই যদি কেতিয়াবা কৈ দিওঁ তেতিয়া আপুনি বড়ো ভাষা কি বুজি পাব? এইখন ৰাজ্যত সকলো বস্তু সকলো ফালে মিলিব লাগে। মইতো মিলিব পৰা মানুহ। মোৰ কোনো ইগ' নাই। সেইটো মই নহয়, This is a chair. গোটেই সদনে যিয়ে নকওঁক অধ্যক্ষই যি ক'ব সেইটোৰেই হ'ব। যদি আমাৰ সদনে আজি উঠাই ল'বলৈ কৈছে মইনো সদনৰ বিপক্ষে কেনেকৈ যাম? কাৰণ এই অধ্যক্ষৰ আসনখন সদনৰ কাৰণে। যদি সেইটোৰ কাৰণে অধ্যক্ষই কিবা উলংঘা কৰিছে সেইটো আমাৰ বিধান সভাৰ ৰেকৰ্ডত থাকি যাব আৰু বিধায়কসকলো ইয়াত জড়িত। মোৰ একো নাই, মই এনেকৈ বুজি পাওঁ। যদি এইটোৰেই হয় হ'ব। কিন্তু আজিৰ পৰা এই শব্দবোৰ ব্যৱহাৰ কৰিব নালাগে। কিন্তু শব্দৰ প্ৰয়োগ কেতিয়া হয়? যেতিয়া পৰিৱেশটোৱে বাধ্য কৰে। আমি কেতিয়াও কাৰো লগত কাজিয়া নকৰো বুলি ভাৱো। কিন্তু কথা প্ৰসংগত কিবা বিষয় ওলালে তাত কাজিয়া হয়। যেতিয়া কাজিয়া হয় ভাল-বেয়া আমি কেতিয়াও নাভাৱো। মুখৰ যিমান বেয়া শব্দ আমাৰ মগজুত সেইটোৰেই আহে আৰু আমি সেইটোৰেই কওঁ। কিন্তু তেওঁক যদি মানুহে অলপ বুজায়, ৰবলৈ কয় তেতিয়া পিছত দুয়োজন বহি থাকিলে তেনেকুৱা ধৰণৰ ব্যৱহাৰ নকৰে। সেইটো মানুহৰ প্ৰবৃতি। কেতিয়াবা খঙত এজন মানুহক দা পালে কাটি দিয়ে। কিন্তু অলপ ধৰি ৰাখি যদি বুজাব পাৰে অলপ পিছত দা ল'লেও সি আৰু দা টো নুঠায়। গতিকে পৰিৱেশে ক'ব কেতিয়া কি

*Withdrawn by the Chair*

কথা কোৰা হয়। গতিকে আজি মই প্ৰতিশ্ৰুতি দিম কিন্তু কালি খং উঠিলে আকৌ কৈ দিম। এনেকৈ ক'বলৈ পৰিৱেশে বাধ্য কৰে। গতিকে মই বাৰে বাৰে অনুৰোধ কৰিছো। মই বেছি শব্দও নাজানো আৰু ব্যৱহাৰ-পাতিৰ ক্ষেত্ৰতো মোৰ অলপ জ্ঞান সীমিত। মানে যি ধৰণৰ পৰিৱেশত ডাঙৰ-দীঘল হ'ব লাগিছিল সেই ধৰণৰ পৰিৱেশত ডাঙৰ-দীঘল নহ'লো। গতিকে সদায় মই পাৰো মানে চেষ্টা কৰো কিন্তু আজিও তাতেই মোৰ ভুল হৈ গ'ল। আজি যদি হুলস্থুল নহয়, প্ৰথম প্ৰশ্ন কৰাৰ পিছত দ্বিতীয় প্ৰশ্নটো কৰিব দিলেহেঁতেন। আমাৰ ৰুল বুকত কৈছে যে উত্তৰ দিয়া মানুহজনে প্ৰশ্ন কৰ্তাক সুধিব নোৱাৰে যে তেওঁ কি প্ৰশ্ন কৰিছে আৰু প্ৰশ্ন কৰ্তাজনে উত্তৰ দিওঁতাক সুধিব নোৱাৰে যে তেওঁ কি উত্তৰ দিছে। মানে প্ৰশ্ন প্ৰশ্নই হয় আৰু উত্তৰ উত্তৰেই হ'ব। ইয়াত অভিযোগ আনিব নোৱাৰে যে তুমি এনেকুৱা প্ৰশ্ন কৰিছা আৰু মই ইয়াৰ উত্তৰ নিদিওঁ। এনেদৰে ক'ব নোৱাৰে। গতিকে যি চাপ্লিমেণ্টৰী কৰিব তাৰ পুংখানুপুংখভাৱে উত্তৰ দিব। আমি নিয়ম কৰি লৈছো তিনিজনে চাপ্লিমেণ্টৰী কৰিব পাৰিব আৰু তাৰ পিছত নোৱাৰে। ইয়াৰ পিছত সন্তুষ্ট নহয় যদি পাঁচ-ছয়জন মানুহে যদি বিষয়টোলৈ প্ৰশ্ন কৰি থাকে হাউচখন কেনেকৈ চলিব ? গতিকে প্লে-কাৰ্ড আদিৰ বিষয়ে ক'লে মোৰ পুনৰ ভুল হ'ব পাৰে কাৰণ মই অসমীয়া ভালকৈ নাজানো ? কিন্তু প্লে-কাৰ্ড লৈ আহিছে মানে মই আজি সদনত গণ্ডগোল কৰিবলৈ যাম। মই আভিধানিকভাৱে কি লিখিছে বা কি শব্দ প্ৰয়োগ কৰিছে মই নাজানো যে মানুহে আগতীয়াকৈ প্ৰস্তুত হৈ অহাটো অসমীয়াত কি কয় মই নাজানো। কিন্তু যোৱা কালি প্ৰশ্নকালীন ঘণ্টাৰ পিছত চি বি আই তদন্তৰ বিষয়ে আহিল। লগে লগে উপস্থিত কিবা এটা বিষয় আহিল আৰু প্ৰসংগক্ৰমে ডিমাণ্ডটো আহিল কিন্তু ইতিমধ্যে প্লে-কাৰ্ড লৈ আহিছিল। তাৰ মানে সেইটোৱেই কৰিব আহিছিল। প্ৰতিবাদ কৰিবলৈ আগতীয়াকৈ যদি প্লে-কাৰ্ড আদি ছপা কৰি ভাষা ঠিক কৰি আহে তেনেস্থলত আগতীয়াকৈ যুদ্ধৰ কাৰণে সাজু হৈ অহাৰ নিচিনা হয়। দ্বিতীয় কথা অসমীয়া ব্যাকৰণৰ কোনটো শব্দই তুলনা কৰা বুজায় মই নাজানো। সেই শব্দটো অসমীয়া ব্যাকৰণত কাৰোবাৰ লগত তুলনা কৰি, লগ-লগাই কোৱা বাক্যত পৰে নে নপৰে সেইটো অসমীয়া ব্যাকৰণ লেখকসকলেহে ব্যাখ্যা কৰিব পাৰিব। মই যেতিয়া কৈছিলো, সেইটো তুলনা কৰিহে কৈছিলো, আমাৰ সদস্যসকলক আঘাত দিয়াটো মোৰ উদ্দেশ্য নাছিল বা আমাৰ সদস্যসকলৰ কাৰোবাক বেয়া ভাবি সেই শব্দটো প্ৰয়োগ কৰা হৈছে বুলি ভাবি ল'বলৈ মই সেই কথাখিনি কোৱা নাছিলো। গতিকে, মোৰ ধাৰণা এইটোৱেই আছিল। মই এতিয়াও শব্দটো বেয়া বুলি নাভাৱো। কিন্তু, যদি সদনৰ প্ৰত্যেকজন সদস্যই বিচাৰে যে সেই শব্দটো আমাৰ কাৰ্য্যক্ৰমণিকাত থাকিব নালাগে, তেনেহ'লে মোৰ ক'বলগীয়া একো নাই। আগতেও কৈছো, মই সদনৰহে, মোৰ ব্যক্তিগত একো নাই। সদনৰ সকলোৱে যিহেতু একমতত উপনীত হৈ এই শব্দটো বেয়া বুলি ভাবিছে, এই শব্দটো নিশ্চয়কৈ থাকিব নালাগে। গতিকে, মই *..............* শব্দটো সদনৰ কাৰ্য্যক্ৰমণিকাৰ পৰা প্ৰত্যাহাৰ কৰিছো। সেয়েহে শব্দটো সদনৰ কাৰ্য্যক্ৰমণিকাৰ অংশ নহ'ব।

এতিয়া শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সংক্ৰান্তত আমাৰ দুজন সদস্যক Marshal ৰ দ্বাৰা সদনৰ পৰা উলিয়াই দিয়া হৈছিল। এতিয়া যিহেতু এটা সুন্দৰ পৰিৱেশ হ'ল, আমিও আপোনাক co-operate কৰিছো, গতিকে আমাৰ সদস্য দুজনক সদনলৈ অহাত অনুমতি দিয়ক।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মই যিহেতু তেওঁলোকক দিনটোৰ কাৰণে বুলি কোৱা নাছিলো। গতিকে এতিয়া তেওঁলোকক সদনৰ ভিতৰলৈ অহাত অনুমতি দিলো।

*Withdrawn by the Chair*

( মাননীয় অধ্যক্ষৰ অনুমতি অনুসৰি মাননীয় সদস্য দুগৰাকীয়ে সদনত প্ৰৱেশ কৰে)।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, Point of Order। ... (Interrupted)...

**মাননীয় অধ্যক্ষঃ** এতিয়া একো Point of Order নহয় ..( Interrupted)...

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** মহোদয়, মোৰ Point of Order টো অসমীয়া গামোচাৰ সংক্ৰান্তত। এইয়া মই সকলোৰে স্বাৰ্থত কৈছো। মই Handloom Textile মন্ত্ৰী ডাঙৰীয়াক এটা প্ৰশ্ন কৰিছিলো। .......(Interrupted)......

**মাননীয় অধ্যক্ষঃ** Point of Order টো rule ৰ ওপৰত কওঁক। এনেদৰে কৈ থাকিলে মই আকৌ ruling দিব লাগিব, ফলত আপোনালোকে বেয়া পাব .. (Interrupted)...

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মোৰ বেলেগ কথা একো নাই, মাত্ৰ নিৰ্দেশনা ওলাব লাগে যে অসমীয়া গামোচা বাহিৰৰ পৰা অনাটো বন্ধ কৰিব লাগে। এইয়া মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** হ'ব এই বিষয়ে আপুনি বেলেগ এদিন ক'ব। এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ কৰ্তন প্ৰস্তাৱৰ ওপৰত মই কিছু কথা ক'বলৈ ওলাইছো। স্বাস্থ্য বিভাগটো আটাইতকৈ সংবেদনশীল বিভাগ। স্বাস্থ্যই আমাৰ পৰম ধন। আমাৰ স্বাস্থ্য যদি ঠিক নাথাকে, তেতিয়া হ'লে আমাৰ শিক্ষা-দীক্ষা, বেপাৰ-বাণিজ্য সকলো দিশতে ব্যৰ্থ হ'ব লগীয়া হয়। অধ্যক্ষ মহোদয়, অসমত ২৮ খন জিলা চিকিৎসালয় আৰু ১৪ খন মহকুমা চিকিৎসালয় আছে। এই অসামৰিক চিকিৎসালয় আৰু মহকুমা চিকিৎসালয় মিলি জিলা আৰু মহকুমা ভিত্তিত অসমত মুঠ ৪২ খন চিকিৎসালয় আছে। অসমৰ জনসংখ্যাৰ ভিত্তিত ৰাষ্ট্ৰসংঘৰ স্বাস্থ্য বিভাগে নিৰ্ধাৰণ কৰা অনুপাত অনুসৰি অসমৰ প্ৰতি ১০০০ জনসংখ্যাৰ বিপৰীতে ১ জন ডাক্তৰ হ'ব লাগে। সেই হিচাপমতে অসমত ৩২,৫০২ জন চিকিৎসকৰ প্ৰয়োজন আছে । গতিকে, স্বাস্থ্য বিভাগৰ এটা হতাশাজনক অৱস্থা হৈ আছে। অসমত থকা ৪২ খন Distrcit & Civil Hospital ত চিকিৎসকৰ approved post ৯৬ টা আছে। এই ৯৬ টা পদৰ ভিতৰত মাত্ৰ ৩৪ জন ডাক্তৰ আছে। নগাঁৱৰ ২৮ লাখ লোকৰ মাজত থকা Civil Hospital খনত ডাক্তৰৰ বাবে মাত্ৰ দুটা পদ আছে। এইয়া মোৰ কথা নহয়, চৰকাৰী তথ্যৰ কথা। এই ৪২ খন চিকিৎসালয়ত Community Medicine Doctor ৰ ১০টা পদৰ বিপৰীতে ৩ টা পদত ডাক্তৰ আছে। ঠিক তেনেদৰে, Forensic Medicine Doctor ৰ ২০ টা পদৰ বিপৰীতে ৫ জন ডাক্তৰ আছে। নিৰাশাজনক পৰিস্থিতি যে Paediatrician ৰ ২৭০ টা পদৰ বিপৰীতে মাত্ৰ ৬৮জন ডাক্তৰ আছে। Obstetrician and Gynaecologist ৰ ৪৩৬ টা পদৰ বিপৰীতে মাত্ৰ ১১৪ টা পদত ডাক্তৰ আছে। E.N.T. বিভাগৰ ১৭০ টা পদৰ বিপৰীতে ৫৫ টা পদত ডাক্তৰ আছে আৰু আটাইতকৈ হতাশজনক অৱস্থা হৈছে Orthopaedic ৰ ক্ষেত্ৰত। আমাৰ ৪২ খন চিকিৎসালয়ত মাত্ৰ ৮ জন Orthopaedic ৰ ডাক্তৰ আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী বিগত সময়ত যেতিয়া স্বাস্থ্য মন্ত্ৰী আছিল, মই তেখেতক নগাঁৱৰ Civil Hospital খনত এজন হাড়ৰ চিকিৎসক নিয়োগ কৰিবলৈ এই সদনত অনুৰোধ কৰিছিলো। তাত কেইবা বছৰ ধৰি হাড়ৰ চিকিৎসক নাই। চৰকাৰে ডাক্তৰ নাই বা কম আছে বুলি কয় । কিন্তু, চৰকাৰী তথ্য মতে, আয়ুৰ্বেদিক ডাক্তৰৰ ৫১১টা পদৰ ভিতৰত ৪৮৫ টা পদতহে ডাক্তৰ আছে, বাকী ২৬ টাত নাই। অধ্যক্ষ মহোদয়, যোৱা ৩০-০৭-২০১৯ তাৰিখে অসম বিধান সভাৰ অধিবেশনৰ প্ৰশ্নোত্তৰ শিতানত আমাক চৰকাৰে কৈছিল যে ১১১৫ জন আয়ুৰ্বেদিক চিকিৎসকক Assam State

*Expunged as ordered by the Chair*

Council of Indian Medicine ৰ অধীনত পঞ্জীয়ন কৰা হৈছে। গতিকে, ১১১৫ জন আয়ুৰ্বেদিক চিকিৎসকক যদি পঞ্জীয়নে কৰা হৈছে, তেন্তে এই ২৬ টা পদ এতিয়ালৈকে কিয় খালী হৈ আছে? পদ কেইটা খালী হৈ থাকিব নালাগিছিল। মই ভাৰো চৰকাৰৰ যি সংবেদনশীল স্বভাৱ থাকিব লাগে, সেইয়া নথকাৰ বাবেই এনেধৰণৰ অৱস্থা হৈছে। পদটো খালী থাকিব নালাগিছিল। মই ভাৰো চৰকাৰৰ যিটো সংবেদনশীল স্বভাৱ থাকিব লাগে সেইটো নথকাৰ কাৰণে আজি এইধৰণৰ অৱস্থা হৈছে। আজি চিকিৎসা ব্যৱস্থাটোৰ খুব পয়া লগা অৱস্থা। অসমত চৰকাৰে অনুমোদন দিয়া sub-centre আছে ৬৮১৭ টা। কিন্তু তাৰে চলি আছে মাত্ৰ ৪৬৯৩ টা। ২১২৪ টা sub-centre চলা নাই। তাত Nurse নাই, ডাক্তৰ নাই, যাৰবাবে এইবোৰ বন্ধ হৈ আছে। ১০০০ sub-centre upgrade কৰিব বুলি চৰকাৰে সিদিনা কৈছে। শুনি ভাল লাগিছে। কিন্তু ২১২৪ টা sub-centre বিকল হৈ আছে। কিছুমান এতিয়াও ভাড়াঘৰত আছে। কিছুমানৰ হয়তো ঘৰটো আছে কিন্তু তাত ANM নাই। ANM আৰু MPW বিলাকেহে চলায়, কিন্তু আজি ANM আৰু MPW নাই। ঠিক তেনেকৈ অসমত চৰকাৰে অনুমোদন দিয়া PHC আছে ১১১২ টা। তাৰে ভিতৰত চলি আছে ১০০৫ টা। ৩০,০০০ ত কৈও অধিক জনসংখ্যা থকা এটা অঞ্চলত এটা PHC স্থাপন হয়। তাত তেনেস্থলত ১০৭ টা PHC নচলা অৱস্থাত আছে। ঠিক তেনেকৈ অসমত চৰকাৰে অনুমোদন দিয়া ২৭৮ টা CHC আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য, যোৱাকালি প্ৰায়সংখ্যক মাননীয় সদস্যই তেওঁলোকৰ বক্তব্য ৰাখিলে। আজি অকল কংগ্ৰেছ দল আছে। আপোনালোকৰ কিমানজন সদস্য আছে? শ্ৰী নুৰুল হুদা ডাঙৰীয়াৰ ইতিমধ্যে ১০ মিনিট হৈ গ'ল।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰো cut motion ত কোনো নিৰ্দিষ্ট সময় নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** যোৱাকালি আমাৰ শেষ হলে হয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা শেষ নহয়। আমি যোৱাকালিৰ সময়খিনি আজি ললো।

**মাননীয় অধ্যক্ষ ঃ** নহয়। যোৱাকালি আপোনালোকৰ অনুৰোধৰ কাৰণে আমি আজিলৈকে ৰাখিলো আপোনালোকৰ বিশেষ অনুষ্ঠানৰ কাৰণে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰো cut motion ত কোনো নিৰ্দিষ্ট সময় নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলো দলেই BAC ত cut motion ৰ ওপৰত সিদ্ধান্ত লৈছিলো। সেই বিষয় কেইটা হৈছে-স্বাস্থ্য, শিক্ষা আৰু কৃষি। আমাৰ আলোচনা যোৱাকালিৰ পৰা আৰম্ভ হৈছে স্বাস্থ্যৰ ওপৰত। গতিকে আজি যদি সময়টো কম হয়, তেতিয়াহ'লে অহাকালিলৈ দুটা বিষয় আলোচনা নহ'ব। সেইকাৰণে স্বাস্থ্যৰ ওপৰত যিহেতু সকলোৱে ক'লে, গতিকে কংগ্ৰেছ দলৰ পৰা এজন দুজনে কোৱাৰ পিছত যাতে মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব পাৰে সেইটো বিচাৰিছো আৰু শিক্ষা বিষয়টো যাতে আজি আমি আৰম্ভ কৰিব পাৰো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ঠিকেই আছে কিন্তু নিয়ম অনুযায়ী BAC ত কেতিয়াবা এটাহে বাচনি কৰো। যদি সময় থাকে তেতিয়া বাকীখিনি আলোচনা হ'ব। নহ'লে নহয়। তিনিটা বাচিলেও সময় থাকিলেহ বাকী কেইটা আলোচনা হয়। নিয়মমতে গিলেটিনত যায়। গোটেইখিনি একেলগে হ'ব। গতিকে নিয়মমতে আৰু কোনোবাই যদি ক'ব বিচাৰে

cut motion ত ক'ব দিব লাগে। তথাপিও আপুনি কোৱাৰ কাৰণে আমাৰখিনি আমি সীমিত কৰিবলৈ কৈ দিম। cut motion ত এটাতো শেষ হোৱাৰ উদাহৰণ আছে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনি মোৰ মনৰ কথা নহয়। এই কথাখিনি চৰকাৰী তথ্যৰ ভিত্তিত কৈ আছো। এইখিনি সদনত আমি আলোচনা কৰিব লাগিব। নহ'লে জনসাধাৰণে আমাক নিৰ্বাচিত কৰি ইয়ালৈ পঠিওৱাৰ কোনো অৰ্থ নাথাকিব। স্বাস্থ্য বিভাগটো যদি আমাৰ ভালে নাথাকে একো ভালে নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ কথাৰ ওপৰত কোৱা নাই। যোৱাকালি আপোনালোক নাছিল কিন্তু তথাকিও মই সময়খিনি কংগ্ৰেছ দলৰ কাৰণে ৰাখি থলো।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, CHC অসমত অনুমোদন কৰা আছে ২৭৮ টা। কিন্তু চলি আছে মাত্ৰ ২০১ টা। বাকী কেইটা চলা নাই। গতিকে চৰকাৰে অনুমোদন কৰা এই যিসমূহ চিকিৎসালয় বন্ধ হৈ আছে তাৰ ওপৰত চৰকাৰে ব্যৱস্থা ল'ব লাগিব। ইয়াৰ ওপৰত ব্যৱস্থা নল'লে সমগ্ৰ স্বাস্থ্য বিভাগটোৱেই ৰসাতলে যাব। আমাৰ যিটো ratio, ৰাষ্ট্ৰসংঘই নিৰ্দ্ধাৰিত কৰা যিটো বিধি, সেই বিধিমতে 1:1000, এহেজাৰ লোকৰ অনুপাতে এজন ডাক্তৰ। এই ratio মতে চৰকাৰে ব্যৱস্থা ল'ব লাগে। নগাওঁ জিলাখন যথেষ্ট ডাঙৰ জিলা। ইয়াত medicine ৰ মাত্ৰ দুজন ডাক্তৰ আছে। তাত এখন নাৰ্চিং স্কুল আছে, যিখনত ৫০ জনী GNM প্ৰতি বছৰে ভৰ্তি হয় আৰু প্ৰশিক্ষণ হয়। এইখন স্কুলৰ অৱস্থা একেবাৰে বেয়া। Class Room নাই, boundary wall, common room, hostel নাই। আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া নগাওঁৰে। গতিকে এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে আপুনি এদিন গৈ এই স্কুলখন পৰিদৰ্শন কৰক আৰু তাৰ আন্তঃগাথনি উন্নীতকৰণৰ কাৰণে ব্যৱস্থা লওক। নগাওঁৰ Joint Director Health Office যিটো আছে এইটো যথেষ্ট সৰু আৰু পুৰণি। একেবাৰে জহি খহি গৈছে। ইয়াৰ লগতে যিটো মেলেৰিয়া জিলা কাৰ্য্যালয় আছে সেইটো ভাড়াঘৰত আছে। যিটো পৰিয়াল পৰিকল্পনা অফিচ আছে সেইটোও ভাড়াঘৰত আছে। এই দুটা কাৰ্য্যালয় ভাড়াঘৰৰ পৰা আতঁৰাই যিটো নগাওঁৰ Joint Director Health Office আছে তাত নতুনকৈ বনালে একেটা অফিচতে এই গোটেই কেইটা অফিচ চলিব পাৰিব। গতিকে এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে আপুনি যাতে ইয়াৰ ওপৰত ব্যৱস্থা লয়।

মাননীয় অধ্যক্ষ মহোদয়, এটা দুখৰ কথা আপোনাক কওঁ মোৰ ৰূপহীহাট বিধান সভা সমষ্টিত ২০১১ চনৰ census মতে জনসংখ্যা আছিল ৩,০২,০০০। এতিয়ালৈ আৰু বেছি হৈছে কিন্তু তাত এখনো Block PHC নাই। এটা হ'ল চামগুৰি PHC আৰু এটা হ'ল শিঙিমাৰি PHC আৰু এটা হ'ল ধিং সমষ্টি। চামগুৰি আৰু ধিং সমষ্টিৰ পৰাহে আমাৰ ইয়াত নিয়ন্ত্ৰণ কৰে। গতিকে মই আপোনাৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে আমাৰ তাত তাৰাবাৰীত এটা Mini PHC আৰু তাত যথেষ্টখিনি মাটি আছে। তাত PHC কৰাৰ সুবিধা আছে। গতিকে ৰূপহী সমষ্টিৰ এখন তাৰাবাৰীত থকা Mini PHC খন Block PHC লৈ উন্নতকৰণ কৰাৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমাৰ সুতিৰপাৰ যথেষ্ট জনবহুল ঠাই। তাৰ এটা GP তেই জনসংখ্যা ১৮,০০০ ত কৈও বেছি। সুতিৰপাৰ আৰু ধিংগুৰি চাপৰি এই দুটা GP মিলাই প্ৰায় ৪০,০০০ জনসংখ্যা আছে। সেই সুতিৰপাৰৰ মানুহখিনিৰ ৰাস্তা ঘাটৰ অৱস্থা নাই। গতিকে তাত এটা Mini PHC

হ'ব লাগে। জনসংখ্যা অনুপাতে ১০ টা CHC বা Mini PHC আমাৰ থাকিব লাগে। কিন্তু আছে মাত্র ৩ খন। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে সুতিৰপাৰত এটা Mini PHC আৰু চতীয়াৰত এটা Mini PHC দি যাতে চিকিৎসা ক্ষেত্ৰত আমাক সহায় কৰে।

অধ্যক্ষ মহোদয়, ৰূপহীত এটা Model Hospital আছে। ইয়াত ২০১৭ চনত এটা Ultrasound machine চৰকাৰে দিছিল। এই কথাটো মই আগতেও সদনত কৈছিলো। মেচিনটো দিছে কিন্তু তাত Radiologist নাই, যাৰবাবে এইটো ব্যৱহাৰ কৰিব পৰা নাই। চৰকাৰে ২০১৭ চনত Model Hospital খনত এটা Ultrasound Machine দিছিল। Machine দিছে হয়, কিন্তু তাত Radiologist Appoint কৰা নাই আৰু Radiologist Appoint নকৰাৰ কাৰণে Ultrasound Machine টো ব্যৱহাৰ কৰিব পৰা নাই। এই কথাটো মই আগতেও সদনত উত্থাপন কৰিছিলো। আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই যদি এবাৰ মোৰ সমষ্টিলৈ ভ্ৰমণ কৰিবলৈ যায়, তেতিয়া মই লগত থাকি তেখেতক দেখুৱাই দিব পাৰিম আমাৰ তাত থকা Mini PHC বা State Dispensary বিলাকত কি দৰে মানুহে শাৰী পাতি ভিৰ কৰে। লগতে এটা কথা উল্লেখ কৰিব বিচাৰো যে অলপতে হৈ যোৱা এখন মিটিঙত কমিচনাৰ চাৰে কৈছিল যে Mini PHC বা State Dispensary বিলাকৰ ডাক্তৰ, নাৰ্চ নাথাকে, কিন্তু মই প্ৰশংসা কৰি কব বিচাৰো যে মোৰ সমষ্টিত Mini PHC বা State Dispensary বিলাকত যিখিনি কৰ্মৰত ডাক্তৰ, নাৰ্চ আছে, তেখেত সকলক ১২ বজাত ফোন কৰিলেও দেখা পাওঁ যে তেওঁলোক উপস্থিত আছে। প্ৰথমতে নাছিল যদিও যেতিয়া মই MLA Fund ৰ পৰা ২.০০ লাখ টকা অনুদান দি তেওঁৰ Quater Repairing কৰি দিলো তেতিয়াৰ পৰা তেওঁ আছে। কিন্তু ৰাজ্যত বাকী যিবিলাক Mini PHC বা State Dispensary আছে, তাত Doctor, Nurse, থকাৰ সু-ব্যৱস্থা নাই, GNM বা ANM আদি স্বাস্থ্যকৰ্মী সকল থকাৰ বাবেও বিভাগীয় Quater সমূহ মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে।

এই খিনিতে এটা উদ্বেগজনক কথা উল্লেখ কৰিব লাগিব যে বৰ্তমান ৰাজ্যত Kidney বিক্ৰী হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ ২০ মিনিট সময় পাৰ হৈ গৈছে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এটা পৰিয়ালৰ মাজতহে Kidney Transplantation হয়। ইয়াৰ বাবে স্বাস্থ্য বিভাগৰ পৰা NOC লব লাগে। আমি জনা মতে মৰিগাওঁ জিলাত ৩০ টা, নগাওঁ জিলাত ৮ টা সৰ্বমুঠ ৩৮ টা Kidney Transplantation ৰ দ্বাৰা বিক্ৰী হৈ গল। যদি স্বাস্থ্য বিভাগৰ পৰা NOC প্ৰদান কৰা হোৱা নাই তেতিয়া হলে বিষয়টো তদন্ত কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হব, সময় শেষ হৈ গল, ২০ মিনিট হৈ গল। কংগ্ৰেছ বিধায়িনী দলৰ ফালৰ পৰাও বক্তব্য ৰাখিব। আপোনাৰ হব, Thank You. এতিয়া মাননীয় বিধায়ক ছামছুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এক মিনিট সময় মোক কবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** হব, এক মিনিট আপোনাক দিয়া হল আপুনি এক মিনিটতেই শেষ কৰিব, বেছিকৈ নকব।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পেপাৰত পঢ়িবলৈ পাইছো -

দৰিদ্ৰ মাছমৰীয়া লোকসকলে পেটৰ তাড়নাত Kidney বিক্ৰী কৰিছে। অভাৱত পৰি বা ঋণগ্ৰস্ত হৈ তেওঁলোকে Kidney বিক্ৰী কৰিব লগীয়া হৈছে। তাৰমানে চাৰ, চৰকাৰে অভাৱ বা ঋণ আঁতৰ কৰিব পৰা নাই। চৰকাৰ এই ক্ষেত্ৰত দায়বদ্ধ হব লাগিব আৰু চাৰ, Kidney বিক্ৰী কৰাটো এটা অপৰাধ, চৰকাৰে এই বিষয়টো তদন্ত কৰি সমাজৰ পৰা এনেধৰণৰ অপৰাধ আঁতৰ কৰাৰ ব্যৱস্থা কৰিব লাগে, লগতে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ পৰা NOC নোহোৱাকৈ কলিকতাৰ যিখন হস্পিতালত এই কাম বিলাক কৰা হৈছে, সেইখন হস্পিতালকো তদন্তৰ আওঁতালৈ আনিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হব। এতিয়া শ্ৰী কৃষ্ণ কমল তাঁতী।

**শ্ৰী কৃষ্ণ কমল তাঁতী (ৰঙাপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এজন চাহ জনজাতি. সম্প্ৰদায়ৰ যুৱক, পোন প্ৰথম বাৰৰ বাবে বিধান সভালৈ মনোনীত হৈ আহিছো। মই আপোনালোকৰ জ্ঞাতাৰ্থে চাহ বাগিচা সম্পৰ্কত এটা কথা কবলৈ বিচাৰিছো যে - চাহ-বাগিচাৰ লগত জড়িত উদ্যোগপতি সকলে চাহ জনজাতি সম্প্ৰদায়ৰ লোক সকলতকৈ চাহপাতৰ গছজোপাকহে বেছিকৈ গুৰুত্ব দিয়ে যেন মানুহতকৈ চাহ গছ জোপাৰহে মূল্য বেছি বুলি উপলব্ধি কৰে। বিভিন্ন দলৰ চৰকাৰ আহিল কিন্তু কোনো দলে এই চাহ জনজাতিটোৰ উন্নতিৰ হকে চিন্তা নকৰিলে। কিন্তু ভাৰতীয় জনতা পাৰ্টীয়ে চৰকাৰ গঠন কৰাৰ পিছতহে এই চাহ জনজাতিটোৰ উত্তৰণৰ কাৰণে চিন্তা কৰিলে। মই এই কাৰণে কথাটো কৈছো যে আজি প্ৰায় ২০০ বছৰ ধৰি অসমত চলি থকা চাহ উদ্যোগটো আজিও কাৰ্য্যক্ষম হৈ আছে। ইয়াৰ অন্যতম কাৰণ হৈছে এই উদ্যোগটোৰ লগত মহিলা শক্তি জড়িত হৈ আছে। আপোনালোকে গমি চালে দেখিব যে বিভিন্ন সময়ত অসমত বিভিন্ন উদ্যোগ গঢ় লৈ উঠিছে কিন্তু বন্ধ হৈ গৈছে, চাহ উদ্যোগটো আজিও চলি আছে, এই চাহ উদ্যোগটো কাৰ্য্যক্ষম কৰি ৰাখিবলৈ যাওঁতে আমাৰ মহিলা সকলে যথেষ্ট ত্যাগ স্বীকাৰ কৰিব লগীয়া হৈছে। ভাৰতীয় জনতা পাৰ্টীয়ে চৰকাৰ গঠন কৰাৰ পিছত চাহ জনজাতি সম্প্ৰদায়ৰ গৰ্ভৱতী মহিলা সকলক ১২,০০০ টকাৰ যি সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে এইটো সঁচাকৈ শলাগ লবলগীয়া কথা। চৰকাৰে চাহ জনজাতিয় সম্প্ৰদায়ৰ গৰ্ভৱতী মহিলা সকলৰ সন্তান সন্ততি সকলে যাতে পুষ্টিহীনতাত নোভোগে তাৰ বাবে এই সাহায্য প্ৰদানৰ ব্যৱস্তা কৰিছে।

মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা এই কাৰণেই কৰিছো, মই ভাৱো চাহ-বাগিচা থকা অঞ্চল সমূহত শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে এই চৰকাৰ খনে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছে যেনে হাইস্কুলৰ ব্যৱস্থা কৰিছে। তাৰোপৰি চৰকাৰে যদি তিনি চাৰিখনমান চাহ বাগিচা একেলগ কৰি একোখনকৈ স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিব পাৰিলেও বাগিচা থকা অঞ্চলৰ বাবে ভাল হব আৰু এইটো আমাৰ চাহ জনজাতি সম্প্ৰদায়ৰ বাবে অতি প্ৰয়োজনীয় বুলি মই ভাবো। মোৰ ৰঙাপাৰা সমষ্টিত থকা Block PHC টো কেৱল নামতহে চলি আছে, ইয়াত যি ধৰণৰ সা-সুবিধা থাকিব লাগিছিল তেনে ধৰণৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। মই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে এই Block PHC উন্নীত কৰাৰ কাৰণে বিহীত ব্যৱস্থা গ্ৰহণ কৰে। মোৰ সমষ্টিত খমুনামুখত এটা Sub-Centre আছে সেইটোও উন্নীত কৰিব লাগে।

মই দেখিবলৈ পাইছো যে বহুতে কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰাখোতে চিকিৎসালয়ৰ অভাৱ, চিকিৎসকৰ অভাৱ আদিৰ বিষয়ে কৈ তেখেত সকলে ধাৰ্য্য কৰা বাজেটৰ প্ৰস্তাৱটো কৰ্তন কৰিবলৈকেহে এই কথা বিলাক উল্লেখ কৰিছে। আমাৰ চৰকাৰ খনে যিহেতুকে আৰু পাঁচখন চিকিৎসা মহাবিদ্যালয় বনোৱাৰ বাবে প্ৰতিশ্ৰুতি দিছে, গতিকে অনাগত দিনত আমি আৰু চিকিৎসক

লাভ কৰিবলৈ সক্ষম হম আৰু তেওঁলোকৰ দ্বাৰা এই অভাৱ বিলাক পূৰণ কৰিব পৰা যাব। আগতে যেতিয়া আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল তেতিয়াৰ পৰায়ে তেখেতে পৰ্য্যায় ক্ৰমে অসমৰ জিলায়ে জিলায়ে চিকিৎসালয় স্থাপন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। আমি কলেজত পঢ়ি থকা দিনত অসমত মাত্ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল আৰু তাৰ পৰা নগণ্য সংখ্যক ডাক্তৰ পাছ কৰি ওলায় আহিছিল, সেয়েহে আমি অতি কম ডাক্তৰ লাভ কৰিছিলো, কিন্তু বৰ্তমান কেইবাখনো চিকিৎসালয় স্থাপন হোৱাত আমি চিকিৎসকৰ অভাৱটো পুৰণ কৰিব পাৰিম যেন বোধ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰী কৃষ্ণ কমল কান্তি (ৰঙাপাৰা) ঃ** চাৰ, মই আৰু অকণমান কৈ লৈছো, মোৰ এজন বন্ধুৰে পিতৃৰ কোভিড চিকিৎসাৰ বাবদ ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰি প্ৰায় সাত লাখ টকা ব্যয় কৰিবলগীয়া হৈছিল। তেনেক্ষেত্ৰত আমাৰ চৰকাৰে চৰকাৰী চিকিৎসালয় সমূহত বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থ কৰিছে। আনকি Inj.Remdesivir আদি বিনামূলীয়াকৈ প্ৰদান কৰিছিল। গতিকে আমাৰ চৰকাৰে চিকিৎসাৰ ক্ষেত্ৰত যথেষ্টখিনি ব্যয় বহন কৰিছে আৰু সেয়েহে মই আমাৰ চৰকাৰ খনে স্বাস্থ্যখণ্ডত ধাৰ্য্য কৰা বাজেট আৰু অলপ বৃদ্ধি কৰিব লাগে বুলি মই ভাৱো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ছামছুল হুদা, আপোনাক পাচ মিনিট সময় দিয়া হল।

**শ্ৰী ছামছুল হুদা (ধুবুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাত দুখনকৈ Civil Hospital আছে কিন্তু তাত ICU ৰ ব্যৱস্থা নাই। সেয়েহে COVID-19 ৰোগত বহুত ৰোগী আমাৰ তাত ঢুকাইছে। ধুবুৰী জিলাৰ কোনো এখন হস্পিতালতে ICU ৰ ব্যৱস্থা নাই। এই অসুবিধাৰ বাবে আমাৰ তাৰ বহুতো ৰোগীৰ বেমাৰ বেছিকৈ হলে গুৱাহাটীলৈ আহিব লগা হয়, কিন্তু উপযুক্ত চিকিৎসা নাপায় মৃত্যুমুখত পৰিব লগা হয়। যদিও আমাৰ তাৰ বিলাসীপাৰা অঞ্চলত এখন Civil Hospital স্থাপন কৰা হল, তাত কিন্তু কোনো চিকিৎসক নাই, Child Specialist নাই, Gynaecologist নাই, Surgical ৰ কোনো ব্যৱস্থা নাই। কিন্তু বিলাসীপাৰা (পূব) সমষ্টিত আৰু বহুতো চিকিৎসালয় আছে সেইবিলাকত ভাল চিকিৎসা ব্যৱস্থা নাই। যি Model Hospital ও আছে, তাতো ভাল চিকিৎসা ব্যৱস্থা নাই। ডাক্তৰৰ অভাৱ, GNM অভাৱ, Maternity Hospital ৰো তাত কোনো ব্যৱস্থা নাই। এখন Eye Hospital আছে, যদিও কেৱল ঘৰটোহে আছে কিন্তু কোনো চিকিৎসাৰ ব্যৱস্থা নাই। বিলাসীপাৰা অঞ্চলত BMC বুলি দুখন Hospital আছে, সেই Hospital বিলাকতো ভাল চিকিৎসাৰ ব্যৱস্থা নাই। বৰ্তমান বিলাসীপাৰা অঞ্চলত ৪১ টা Sub-Centre আছে, তাৰে ৫টা Sub-Centre অচল হৈ আছে, তাত কোনো ধৰণৰ ডাক্তৰ বা নাৰ্চৰ ব্যৱস্থা নাই। বিলাসীপাৰা Sub-Division ত কেইবাটাও (প্ৰায় ৪ টা) CHC (Community Health Centre) আছে, সেই CHC (Community Health Centre) তাত কোনো ভাল ডাক্তৰ নাই, ভাল চিকিৎসাৰ ব্যৱস্থা নাই, ঔষধ আদিৰ ব্যৱস্থা নাই। আজি চিকিৎসাৰ ক্ষেত্ৰত মই শুনিবলৈ পাইছো যে অসমখনত চিকিৎসাৰ ক্ষেত্ৰত খুব ভাল ব্যৱস্থা হৈ আছে। কিন্তু মই দেখিবলৈ পাইছো যে, বিলাসীপাৰা পূব সমষ্টি, বিলাসী পাৰা পশ্চিম সমষ্টি আমাৰ ধুবুৰী জিলাত কোনো ধৰণৰ স্বাস্থ্যৰ ক্ষেত্ৰত ভাল চিকিৎসাৰ ব্যৱস্থা তাত নাই। আমি এইটোৰে দেখিবলৈ পাইছো ইমানদিনে যে চিকিৎসাৰ ভাল ব্যৱস্থা এতিয়া যি কোনো ৰোগ হলে যি কোনো চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ হলে গুৱাহাটী, কোকৰাঝাৰ বা বৰপেটা এইবিলাক হস্পিতালত আহিব

লগীয়া হয়। গতিকে বিলাসীপাৰা চাব ডিভিজনতে হওক, ধুবুৰী জিলাতে হওঁক আমাৰ ধুবুৰী জিলা চিকিৎসাৰ ক্ষেত্ৰত একেবাৰে বেছি পিছপৰা। সেই বেছি পিছপৰা ঠাইখিনিত যাতে ভাল চিকিৎসাৰ ব্যৱস্থা কৰা হয় তাৰ কাৰণে আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়া তেওঁলোকক মই কৰযোৰে অনুৰোধ জনাইছো। ধুবুৰী জিলাৰ দুখীয়া মানুহ, সেই অঞ্চলৰ নদী ভঙা মানুহ, সেই অঞ্চল জৰজীৰ্ণ, একেইবাৰে বেছি দুখীয়া মানুহৰ অনুন্নত ঠাই। সেই ঠাইখনত যাতে আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাইছো, যে বিলাসীপাৰা ধুবুৰী জিলাক যাতে বেছি গুৰুত্ব দিয়া হয় তাৰ কাৰণে হয়তো তেওঁলোকে সহৃদয়ৰে চেষ্টা কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, ৫ মিনিটত সমাপ্ত কৰিব, মন্ত্ৰীয়ে উত্তৰ দিব আছে।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰথম আৰম্ভ কৰিছো মই তিতাবৰ সমষ্টিৰ পৰা। আমাৰ তিতাবৰ সমষ্টিত কি হৈছে আমাৰ বৰ্তমান যিখন এচ ডি চি এইচ আছে সেইখন ১০০ বেদেদ। কিন্তু এতিয়া বহুদিন হ'ল ১০০ বেদেদ নহৈ ২০ বেদেদ হৈ সেইখন চলি আছে। তিতাবৰ যিহেতু নাগালেণ্ডৰ সীমান্তত অৱস্থিত এটা সমষ্টি, সেই সমষ্টিত আমাৰ চাৰিওফালে সিঁচৰিত হৈ আছে চি এইচ চি, পি এইচ চি, মিনি পি এইচ চি এইবিলাক আছে। কিন্তু এটা সময়ত সেইবিলাকৰ আন্তগাথনি খুব ভাল আছিল। এতিয়া সেইবোৰত ডাক্তৰ নাই, নাৰ্চ নাই, অন্য কৰ্মচাৰী নাই, কিন্তু তাত গৃহ বোৰ আছে। তাৰ প্ৰধান কাৰণ হৈছে তাৰ আন্তঃগাঁথনিৰ যি ব্যৱস্থা যিবিলাক কোৱাৰ্টাৰ আছিল সেইবোৰৰ জহি খহি গৈছে, তাত পানীৰ সুবিধা নাই, ইলেক্ট্ৰীচিটি গলে তাত পাৱাৰ বেকাৱ নাই, সেইটোৰ কাৰণে তাত কোনো যাবলৈ ইচ্ছা নকৰে। মাজতে চৰকাৰৰ ফালৰ পৰা এবছৰৰ বাবে কোৰ্চ কৰা যি সকল ডাক্তৰ আছিল one year rural service compulsory তেওঁলোক গৈছিল, কিন্তু তেওঁলোক গ'লেও তেওঁলোক অহা যোৱা কৰোতে বেছিভাগ সময় যায়। বিশেষকৈ থকাৰ সুবিধাখিনি আমাৰ কৰাতো অতি প্ৰয়োজন। যিহেতু আমাৰ চৰকাৰে স্বাস্থ্যকেন্দ্ৰৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া আমি বিগত সময়খিনিত দেখিছো, তাৰ কাৰণে মই যথেষ্ট সুখী। বহুত ঠাইত তেওঁলোকে মেডিকেল কলেজ বনাইছে, ডাক্তৰৰ সংখ্যা বঢ়াব খুজিছে, কিন্তু এই ক্ষেত্ৰত মই এটা কথা ক'ব খোজো যে, আমি সদায় কৈ আছো যে ডাক্তৰ নাই, ডাক্তৰ নাই। ডাক্তৰ কিয় নাই, ডাক্তৰ এইটোৰ কাৰণে নাই যি সকল বৰ্তমান পঢ়াশুনা কৰি বিভিন্ন ডিগ্ৰী লৈছে, চুপাৰস্পেচিয়েলিষ্ট হৈ ওলাই আহিছে, কিন্তু থকাৰ তেওঁলোকৰ এটা সমস্যা মই ব্যক্তিগত ভাৱে বহুত ঠাইত দেখিছো। তেওঁলোকৰ আৱাস গৃহ বোৰ ভাল নহয়। আজি-কালি যিহেতু আপোনালোকে দেখিছে যে আমাৰ সমাজৰ যি উত্তৰণ ঘটিছে আমি ভালকৈ থাকিবলৈ সকলোৱে বিচাৰো, গতিকে নতুনকৈ পাছ কৰি অহা এজন ডাক্তৰে সদায় ভালকৈ থাকিব বিচাৰে। গতিকে মই চৰকাৰৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে তেওঁলোকৰ থকা আৱাস গৃহ বোৰ ভাল হয়। ইয়াৰোপৰিও কি হৈছে, আমাৰ পানীৰ সমস্যা আছে আৰু লাইটৰ সমস্যা আছে। মই মাজতে আমাৰ সমষ্টিত ঘূৰোতে দেখা পাইছো বিভিন্ন সময়ত, তাত ফ্ৰিজ নাই, যদি আছে তাত কাৰেণ্ট নাথাকে, সেইবাবে তাত দৰৱবোৰ বেয়া হয়। দৰৱবোৰ বেয়া হোৱাৰ ফলত তাত ৰোগী গলে সেই দৰৱ আৰু নাপায়। ব্যক্তিগত ভাৱে মই সেইখিনিৰ ব্যৱস্থা কেইবাঠাইত কৰি দিছোঁ, পানীখিনিৰ সুবিধা মই কৰি দিছোঁ। কিন্তু অনাগত

সময়ত মই আশা ৰাখিছো যে আমাৰ চৰকাৰে যাতে এইখিনি সুবিধা আপোনালোকে কৰি দিয়ে আৰু দুটামান কথা আছে, এটা বিশেষ আপত্তি আহি আছে বৰ্তমান সময়ত যি হৈছে আমাৰ কভিড ৰোগী যি সকল আছে বি পি এল লেভেলৰ যি সকল মানুহ আছে বা তাৰ ওপৰৰ মানুহ, যোৱা বছৰলৈকে খুব ভাল আছিল বিনাপইচাত চৰকাৰে সেইখিনি সুবিধা কৰি দিছিল। কিন্তু এতিয়া তেওঁলোকে যেতিয়া ৰিলিজ লৈ আহে, সেই ৰিলিজ লৈ অহাৰ সময়ত তেওঁলোকে বিল পৰিশোধ কৰিব লগীয়া হয় আৰু বি পি এলৰ কাৰ্ড থাকিলে তেওঁলোকে ৫০ শতাংশ দিব লগা হয়। মোক এইটো কথা কৈ পঠাইছে মোৰ সমষ্টি পৰা, যে আপুনি সমূহ অসম বাসীৰ হৈ কওঁক। চৰকাৰে যদি ইমানবোৰ কাম কৰিছে আমাক এই বিল খিনি যদি ৰেহাই দিয়ে তেতিয়া আমি নথৈ আনন্দিত হ'ম আৰু এটা কথা আমাৰ যি কন্টেইমেন্ট জ'ন আছে আজি কন্টেইনমেন্ট জ'নত চৰকাৰে খুব ভাল সাহাৰ্য্য দিছে, মই নিজেই দেখিছো, কণিৰ প্লেটৰ পৰা আৰম্ভ কৰি চাউল দাইল যথেষ্ট ভালকৈ দিছে। কিন্তু যি সকলক হোম কোৱাৰেনটাইন কৰিছে সেই মানুহখিনি ১৪ দিনৰ কাৰণে বন্ধ হৈ গৈছে। গতিকে চৰকাৰক এইটোৰ বাবে অনুৰোধ কৰিবলৈ মোৰ সমষ্টিৰ লগতে অসমৰ বিভিন্ন জনে মোক ফোন কৰি জনাইছে যে আপুনি বিধান সভাত কব যাতে হোম কোৱাৰেনটাইনত থকা সকলেও চৰকাৰৰ পৰা কিবা এটা সাহাৰ্য্য পায়। ধন্যবাদ, মোৰ আৰু আছিল, কিন্তু ভৱিষ্যতে কম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ। এতিয়া শ্ৰী আফতাব উদ্দিন মোল্লাহ, ৫ মিনিট কব।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত স্বাস্থ্য বিভাগৰ কিছু কথা মই কম। মই বেলেগ সমষ্টিৰ বা গোটেই অসমৰ কথা নকওঁ, কেৱল জলেশ্বৰ সমষ্টিৰ কথা ক'ম, মই য'ৰ পৰা প্ৰতিনিধিত্ব কৰিছো সেই সমষ্টিৰ পৰা কেইটামান কথা মাননীয় মন্ত্ৰী মহোদয়ক জনাব খুজিছো। মোৰ সমষ্টিৰ বৰ্তমান এনে অৱস্থা ডাক্তৰৰ যিটো পৰিৱেশ, আমাৰ এখন মডেল হস্পিতাল, বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয় তেতিয়াৰ স্বাস্থ্য মন্ত্ৰী আছিল। তেখেতে মই যদিও সেই সময়ত এম এল এ নাছিলো এক্স এম এল এ হিচাপে মৰম কৰি সেই হস্পিতালটো দিছিল সেই সময়ত মোৰ সমষ্টিত। তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। সেই হস্পিতালখনৰ অৱস্থা এতিয়া এনেকুৱা হৈছে, ইয়াত এটা তথ্য হিচাপে দেখিছো যে তাত ডাক্তৰ চেংচন পোষ্ট আছিল ৫ জন, তাৰে দুজন আমাৰ চিভিল হস্পিতালত এটাষ্ট কৰি ৰাখিছে আৰু এজন ট্ৰেন্সফাৰ হৈছে, এতিয়া মাত্ৰ দুজন ডাক্তৰ আছে, এজন আয়ুৰবেদিক ডাক্তৰ আছে, তাৰ পিছত ষ্টাফৰ যিটো প্ৰজিচন ৬ জন ষ্টাফ নাৰ্চ আছিল তাৰে মাত্ৰ দুজনহে আছে, ৪ টা পদ খালী হৈ আছে। ৰেডিঅ'গ্ৰাফাৰৰ এটা পদ সেইটোও নিল হৈ আছে। লেবোৰ'টাৰী টেকনিচিয়ান নাই, জুনিয়াৰ এচিচটেন্ট এটা পদ সেইটো নাই নিল, তাৰ পিছত ডাঙৰ কথাটো হৈছে তিনিজন ৱাৰ্ড গাৰ্লৰ ভিতৰত দুজন আছে আৰু এজনো চুইপাৰ নাই। চুইপাৰ নাথাকিলে পৰিৱেশটো কেনেকুৱা হ'ব মডেল হস্পিতাল এখন, এইটো এটা কথা। তাত হস্পিতালৰ যিটো বাউণ্ডাৰী কৰা হৈছে সেইটো ঠিকেই আছিল, কিন্তু তলেদি ইমান ডাঙৰ এটা থকা ঠাই আছে তাত গৰু-ছাগলী গোটেই সোমায়। মই সেইদিনা পৰিদৰ্শন কৰিব যাওঁতে তলৰ ঠাইডোখৰ গোটেই খোলা আছে। এনেকুৱা এটা পৰিস্থিতি সেই হস্পিতাল খনৰ অৱস্থাটো বেয়া, সেইটো অলপ আমাৰ মন্ত্ৰী মহোদয়ে চাব লাগে, এখনেই আমাৰ মডেল হস্পিতাল। আৰু দুখন ৰাজ্যিক চিকিৎসালয় আছে তাৰ যিটো বিষয় আপোনাক কৈছো মই। চৈবাৰী মিনি পি এইচ চি, ইয়াত আমাৰ আয়ুৰ্বেদিক ডাক্তৰ এজন আছে আৰু এ এন এম এজন আছে। তাৰে আয়ুৰ্বেদিক ডাক্তৰ জন আছে কিন্তু এ এন এম নাৰ্চ জন নাই আৰু এজন গ্ৰেড ফোৰ চকিদাৰ আছে আৰু এখন ৰাজ্যিক চিকিৎসালয় আছে সেইটো ধুমৰঘাট,

ধুমৰঘাটত এনেকুৱা অৱস্থা হৈ আছে এজন আয়ুৰ্বেদিক ডাক্তৰ আছে সেইটো নিল দেখুৱাইছে, আয়ুৰ্বেদিক ডাক্তৰৰ চেংচন পোষ্ট আছে কিন্তু ডাক্তৰ নাই। এ এন এম এজন আছিল, এতিয়া সেইজন নাই। কেৱল এজন Gr. IV ৰে ধুমেৰঘাট State Dispensary চলাই আছে, তেওঁ তলা খোলে আৰু তলা বন্ধ কৰে, তেনেকুৱা অৱস্থাত আছে। আমাৰ জলেশ্বৰ সমষ্টিতো এনেকুৱা এটা সমষ্টি, য'ত ধুবুৰী জিলাৰ লগত আধা আৰু গোৱালপাৰা জিলা লগত আধা। ধুবুৰী জিলাৰ আইৰকাতত থকা State Dispensary খনৰো এনেকুৱা অৱস্থা। PHC ৰ একে অৱস্থা। মেদেতৰীত এখন State Dispensary, ডাক্তৰ-নাৰ্চ নাই, সেইখনৰ অৱস্থাও বেয়া, লগতে যিবিলাক Sub-center আছে, সেইবিলাকৰ অৱস্থাতো এনেকুৱা বেয়া খলিচাবিতা Sub-center ত sanction post এটা, কিন্তু দিয়া নাই, নীল হৈ আছে। গোছাইদুবি, এফচি, বাসন্তৰী, খাজদোৱা, জয়ৰামকুছি, গোমাইগড়, ৰাজমিতা, তাতেৰিশালা, গন্যাগুৰি, টালাঙাপুৰ, এই গোটেইখিনি sub-center ত এজনো নাৰ্চ নাই। This is the real picture. গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, বিশেষকৈ নদী বন্ধ এলেকা, Flood effected area, সেই অঞ্চলৰ মানুহবিলাকৰ অসুখ হলে গোৱালপাৰা নহলে গুৱাহাটীত আহিব লাগে। এই অঞ্চলবিলাকৰ উন্নয়নৰ কাৰণে Sub-center সমূহৰ সু-ব্যৱস্থা কৰে যেন। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি দুআষাৰ কথা কবলৈ ওলাইছো। প্ৰত্যেক জিলাত এখন কৈ মেডিকেল কলেজ কৰা সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰে। গোৱালপাৰাত মেডিকেল কলেজ কেতিয়াবাতে ঘোষণা কৰিছে, কিন্তু এতিয়ালৈ কাম আৰম্ভ হোৱা নাই। এইটো অতি সোনকালে আৰম্ভ কৰিব বুলি আশা ৰাখিলো।

মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত যিমান হস্পিতাল আছে, প্ৰত্যেক হস্পিতালত এখন Management Committee থাকে। কোনোবা হস্পিতালত দুখনকৈও থাকে। মোৰ সমষ্টিত মাত্ৰ দুখন হস্পিতালত Management Committee আছে। সেইখিনি ঠিকে চলি আছে, চিকিৎসাও ঠিকে চলি আছে। কিন্তু যিকেইখন হস্পিতালত কমিটি কৰা নাই, সেই কেইখনত Management Committee কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰাত পুৰণা চিভিল হস্পিতাল আছিল। সেইখন চিফ্ট কৰি গাওঁত লৈ যোৱা হৈছে। পুৰণা চিভিল হস্পিতালৰ ঠাইত Maternity & Child Hospital কৰা হৈছে। ৰোগী আগৰ দৰেই আছে। গতিকে মই অনুৰোধ জনাম যে যিবিলাক মাটি চহৰত আছে বা দখল হৈ মেডিকেল বিভাগৰ অধীনত আছে, তাত ৩০ খন বিছনাযুক্ত হস্পিতাল এখন বনাব লাগে। গোৱালপাৰা চিভিল হস্পিতাল আগতে খুব ভাল আছিল, পৰিস্কাৰ আছিল, award পাইছিল, কিন্তু বৰ্তমান তাত দালালৰ উদ্যোগ হৈছে। Superintendent জনে হস্পিতালত কি হৈ আছে, কি হোৱা নাই, একো নাচায়। গোৱালপাৰা চিভিল হস্পিতালত ক'বনা ৰোগী বাৰাণ্ডাত-ৰাস্তাত আছিল, আপোনালোকে চাগে পেপাৰত পাইছে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিছিলো, যাতে সোনকালে ব্যৱস্থা লয়।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহুত ফাৰ্মাচীষ্ট আৰু নাৰ্চৰ প্ৰয়োজন আছে। আমি দেখিছো যে সাধাৰণতে অসমৰ বাহিৰৰ বিভিন্ন অনুষ্ঠানৰ পৰা আহি আমাৰ ইয়াত সেৱা কৰি আছে। এই অনুষ্ঠান সমূহ ফাৰ্মাচীষ্ট কলেজেই হওঁক, ANM, GNM Institute তে হওঁক, এই বিলাক বঢ়াই বা Privitazation কৰি হলেও অসমত কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই কৰু'নাক লৈ দুআষাৰ কম। Covid-19 যেতিয়া আৰম্ভ হয়, first wave ত গোৱালপাৰাত তিনিজন কৰু'না positive patient ধৰা পৰিলে। সেই তিনিজনক তিনি দিনলৈকে কোনো খোৱাৰ ব্যৱস্থা কৰা নাছিলে। সেই সময়ত স্বাস্থ্য মন্ত্ৰীৰ তৎপৰতাত Executive Director গৈ তাতে খোৱা লোৱাৰ ব্যৱস্থা কৰি দিলে। তাৰে পিছদিনাখন কভি'ড ৰোগীৰ কাৰণে স্বাস্থ্য মন্ত্ৰীয়ে সু-ব্যৱস্থা কৰি দিলে। খুব ভাল পালো আমি। চৰকাৰৰ ফালৰ পৰা এটা লিমিট কৰি দিলে যে প্ৰত্যেকজন কভিড পজিটিভ ৰোগীয়ে হওঁক বা quarantine ত থকাই হওঁক per person per day 500 টকাকৈ দিলে। মন্ত্ৰী ডাঙৰীয়া যোৱাৰ দুই দিনলৈকে খোৱা লোৱা ঠিকে থাকিল। মাননীয় অধ্যক্ষ মহোদয়, অলপ মন দি শুনিব, হাজাৰ হাজাৰ quarantine কৰি ৰাখিলে, কিন্তু সেই ৫০০ টকাৰ পৰা ৫০০ টকা নুখুৱালে, মাত্ৰ **১ শ** টকাৰ খুৱাইছে। এইটো এটা তদন্ত কৰিব লাগে। বেলেগ জিলাত কি হৈছে মই নাজানো, গোৱালপাৰা জিলাত বিৰাট এটা corruption হৈছে। এইটো তদন্ত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এখন টাৱেলৰ দাম **৩৫০** টকাকৈ দিয়া হৈছিল, কিন্তু সেই টাৱেল ৫০, ৬০ টকাত কিনা। হাজাৰ হাজাৰ টাৱেল কিনা হৈছিল, Foot kit দিয়া হৈছিল প্ৰায় **২** হাজাৰ টকাকৈ। ইয়াৰ দাম খুব বেছি হ'লে হাজাৰ টকা হ'ব, ডাঙৰ corruption হৈছে। এই corruption কাৰণটো হ'ল যে যিমান চিকিৎসা স্বাস্থ্য বিভাগে কৰি আছিল, এই দায়িত্বখিনি জিলা প্ৰশাসনক দিয়া হৈছিল খোৱা, লোৱা, থকা আদি কৰি, যাৰ কাৰণে জিলা পৰিষদে সেই সময়ত বহু পৰিমানৰ corruption কৰিলে। ইয়াৰ এটা enquiry হব লাগে। সেই সময়ত স্বাস্থ্য বিভাগ আৰু জিলা পৰিষদৰ মাজত এখন কাজিয়াৰ সৃষ্টি হৈছিল। মোক non-officially এজন Joint Director ৰে কৈছিলে corruption ৰ কথা। তৎক্ষণাত সেই Joint Director জনক বদলি কৰি দিয়া হৈছিল। মই অনুৰোধ জনাইছো এইটো বিভাগে যাতে তদন্ত কৰে। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

শেষত আৰু এটা কথা কব খুজিছো যে, ক'ৰণাৰ কাৰণে যি লকডাউন দিয়া হৈছে, মই দিল্লীত গৈছিলো লকডাউন উঠাই দিছে। কিন্তু কভিড প্ৰটোক'ল ঠিকে ৰাখিছে। এই লকডাউনৰ কাৰণে অসমত মানৱ সম্পদ নষ্ট হৈ আছে, অৰ্থনৈতিক অৱস্থা বেয়া হৈ আছে, revenue collection হোৱা নাই। মানুহে মন প্ৰাণেৰে ধৰ্ম পালন কৰিব পৰা নাই। গতিকে মই আশা কৰিছো যে, **১৫** আগষ্ট স্বাধীনতা দিৱসৰ দিনা আমাক লকডাউনৰ পৰা স্বাধীন কৰি দিব। লকডাউন বন্ধ কৰি বেলেগ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰীপোনাকন বৰুৱা।

**শ্ৰীপোনাকণ বৰুৱা (চাবুৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুআষাৰমান ক'ব বিচাৰিছো। চিকিৎসা আৰু জনস্বাস্থ্য বিভাগত ৭৩৩১.০১ লাখ টকাৰ মঞ্জুৰীৰ যিটো প্ৰস্তাৱ আনিছে ইয়াক যাতে দ্বিগুণ কৰা হয়, তাৰ বাবে মই অনুৰোধ জনাইছো। সন্মানীয় বিৰোধী দলৰ সদস্যসকলে এক হাতে কৰ্তন প্ৰস্তাৱ আনিছে আৰু অন্যহাতে নিজৰ নিজৰ অসুবিধাবিলাক কৈ আওপকীয়াকৈ বিৰোধিতা কৰিছে। যোৱা সময়চোৱাত 'ক'ভিড'ৰ বিৰুদ্ধে চৰকাৰে দক্ষতাৰে যিখিনি যুদ্ধ চলাইছে তাক সমূহীয়াভাবে সমৰ্থন লাভ কৰিছে। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ মানবীয় প্ৰমূল্যবোধৰ পৰিবেশৰ সৃষ্টি কৰাৰ বাবে সক্ষম হৈছে । যাৰ ফলত মাননীয় মুখ্যমন্ত্ৰীৰ পুঁজিলৈ ক'ভিডৰ বিৰুদ্ধে যুঁজ দিবলৈ ৰাইজে মুক্তহস্তে দান বৰঙনি আগবঢ়াই আহিছে। তাৰ বাবে আমি ৰাইজক আন্তৰিকতাৰে ধন্যবাদ জনাইছো। মই অসম মেজিকেল কলেজৰ সম্পৰ্কত

এটা কথা ক'ব বিচাৰিছো। এই খন অতি পুৰণি চিকিৎসালয়। এই চিকিৎসালয়খনে খুব সুন্দৰভাবে বিগত দিনবোৰত চিকিৎসা আগবঢ়াই আহিছে। কোভিডৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাওতে এই চিকিৎসালয়খনে অতি দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হৈছে। তৎসত্বেও অতি ভাল চিকিৎসা আগবঢ়াইছে। যোৱা এসপ্তাহৰ আগত ৯৬ বছৰীয়া এগৰাকী বৃদ্ধাক সুচিকিৎসা দি আৰোগ্য কৰি পঠিয়াইছে। যিটো আমাৰ কোভিড চিকিৎসাৰ কাৰণে এটা ৰেকৰ্ড। মায়ামৰাৰ সত্ৰাধিকাৰ প্ৰভু শ্ৰীযোগানন্দ দেৱ গোস্বামী ডাঙৰীয়াক চিকিৎসালয়খনে সুন্দৰভাবে চিকিৎসা দি ঘৰলৈ পঠিয়াই দিছে যাৰ বাবে আমি হস্পিটেলখনক ধন্যবাদ জনাব বিচাৰিছো। কিন্তু এই চিকিৎসালয়খনৰ বিভিন্ন সমস্যা আছে। ৰাজ্য চৰকাৰে ৯৩৫৩ টা পোষ্টত নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা কৰিছে। মই আশা কৰিম যে সৰহ সংখ্যক পদ যিবিলাক খালি হৈ আছে তাত সেইবিলাক পুৰণ কৰিব লাগে। অধ্যক্ষ মহোদয় ,১৯৫২ চনতে ভাৰতত ৪ খন ৰুৰেল হেল্থ ট্ৰেইনিঙ চেন্টাৰ নিৰ্মাণ হৈছিল। তাৰে এখন চাবুৱাত নিৰ্মান হৈছিল। এই ৰুৰেল হেলথ ট্ৰেইনিঙ চেন্টাৰটোত মেডিকেল ছাত্ৰসকলক ট্ৰেইনিঙ দিয়া হৈছিল , চাহ বাগিছাত কেনেকৈ মেডিকেল ট্ৰিটমেন্ট দিব এইবিলাক প্ৰশিক্ষণ দিয়া হৈছিল। চেনিটাৰী ইন্সপেক্টৰসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু কিবা কাৰণত সেই চিকিৎসালয়খনত নিযুক্তি হোৱা নাই। ডাক্তৰ, নাৰ্চ, চুইপাৰ, গ্ৰেড ফোৰ পোষ্টত নিযুক্তি হোৱা নাই, ঘৰ দুৱাৰবিলাক ভাঙি গৈছে । গতিকে এইখিনি মই আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। যিখিনি নিযুক্তিৰ প্ৰয়োজন সেইখিনি যাতে কৰা হয়। লগতে চিকিৎসালয়খন পূৰ্ণাঙ্গ ৰূপত আগুৱাই লৈ যাবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত স্বাস্থ্যবিবাগটো শক্তিশালীভাবে আগবঢ়াই নিবলৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যোৱা ৫ টা বছৰৰ কাৰ্য্যকালত যথেষ্ঠখিনি কৰা হৈছিল। এতিয়া স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ নেতৃত্বতো অতি দক্ষতাৰে এই ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। গতিকে মই বিৰোধী দলৰ সদস্যক অনুৰোধ জনাইছো তেওঁলোকে যি কৰ্তন প্ৰস্তাৱ আনিছে সেইখিনি উঠাই ল'ব লাগে। যিটো মঞ্জুৰী ৭৩৩১.০১ লাখ টকাটো দিব বিচৰা হৈছে বৰঞ্চ বিৰোধী পক্ষইও এই মঞ্জুৰীক দুগুন কৰিবলৈ দাবী জনাব লাগে। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মন্ত্ৰী মহোদয়ৰ উত্তৰ।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি এইবাৰ বাজেটৰ ওপৰত এটা এটাকৈ পৰ্য্যায়ক্ৰমে আগবাঢ়ি আহিছো। জেনেৰেল ডিচকাশ্যন হ'ল, ডিপাৰ্টমেন্টলী ৰিলেটেড ষ্টেণ্ডিং কমিটি হ'ল, বাজেট পুংখানুপুংখভাবে আমি সকলোৰে চালো। তৃতীয় পৰ্য্যায়ত প্ৰতিটো গ্ৰান্টৰ ওপৰত আলোচনা সম্ভৱ নহয় বাবে বিৰোধী পক্ষই বি এ চি মিটিঙত বিশেষকৈ তিনিটা গ্ৰান্টৰ কথা বিবেচনা কৰিছিল তাৰ ভিতৰত অধ্যক্ষ মহোদয়ৰ অনুমতিক্ৰমে স্বাস্থ্য বিভাগটোৰ মঞ্জুৰীৰ ওপৰত প্ৰথমে আলোচনা কৰাৰ সিদ্ধান্ত ল'লে। মই প্ৰথমে প্ৰথমে অধ্যক্ষ মহোদয়ক লগতে আমাৰ সদনৰ সকলোকে বিশেষকৈ বিৰোধী পক্ষক এই আলোচনাৰ বাবে মই ধন্যবাদ জনাইছো। কাৰণ স্বাস্থ্যৰ কথাটো প্ৰতিজন ব্যক্তিৰ লগত জড়িত। ইয়াত ধনী দুখীয়া এ পি এল, বি পিএল লৈ কোনো প্ৰশ্ন নাই। গতিকে এই বিষয়টো সদনত আলোচনা কৰিবলৈ যিহেতু এটা সুবিধা দিছে আৰু এই বিভাগৰ মন্ত্ৰী হিচাপে মই প্ৰথম দায়িত্ব পাইছো গতিকে আপোনালোকৰ দিহা পৰামৰ্শ মই আশা কৰিছো। তাৰ বাবে আপোনালোকক ধন্যবাদ জনাইছো। ইয়াত অংশ গ্ৰহণ কৰিছে সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰীদেবব্ৰত শইকীয়া ডাঙৰীয়া, তাৰ পিছত এআইইউডিএফৰ আমিনুল ইছলাম ডাঙৰীয়া, চি পি এম দলৰ পৰা মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া,

এজিপি ফালৰ পৰা শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, বিজেপি দলৰ পৰা প্ৰশান্ত ফুকন ডাঙৰীয়া, বাকীসকল আশ্ৰাফুল হুছেইন ডাঙৰীয়া, নন্দিতা গৰ্লছা ডাঙৰীয়ানী, নিজামুদ্দিন চৌধুৰী ডাঙৰীয়া, বিশ্বজিৎ ফুকন ডাঙৰীয়া, ভবেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়া, জিতু গোস্বামী ডাঙৰীয়া, দুৰ্গা দাস বড়ো ডাঙৰীয়া, চক্ৰধৰ গগৈ ডাঙৰীয়া, ভূপেন বড়ো ডাঙৰীয়া, নুৰুল হুদা ডাঙৰীয়া, কৃষ্ণ কমল তাতী ডাঙৰীয়া, চামচুল হুদা ডাঙৰীয়া, ভাস্কৰ বৰুৱা ডাঙৰীয়া, আফতাবুদ্দিন মোল্লা ডাঙৰীয়া, আবুল কালাম ৰচিদ আলম ডাঙৰীয়া আৰু পোণাকন বৰুৱা ডাঙৰীয়া। এই সকলোকে মই ইয়াত অংশ গ্ৰহণ কৰি বিশেষভাবে কিছু কথা দাঙি ধৰা বাবে মই বিশেষভাবে ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীদেবব্ৰত শইকীয়া ডাঙৰীয়াই প্ৰথমে আৰম্ভ কৰিছিল । তেখেতে চমুকৈ কৈছিল যদিও তাত বহুতো কথা অৰ্ন্তভুক্ত কৰি দিছিল। খুব ভালধৰণে মই লক্ষ্য কৰি আহিছো। জন বেৰি হোৱাইট স্কুলৰ পৰা মেডিকেল কলেজ হ'ল। প্ৰথমখন মেডিকেল কলেজৰ বক্তৃতাৰে তেখেতে আৰম্ভ কৰিলে। তেখেতে এন এইচ এম ৰ পৰা আৰম্ভ কৰি একেবাৰে কিডনী ট্ৰেন্সপ্লেন্টলৈকে বহু কথা ক'লে। সুহৃদ আঁচনিৰ কথা লৈকে বক্তব্যত আনিলে। আমিনুল ইছলাম ডাঙৰীয়াই আয়ুৰ্বেদিক শিক্ষা, হোমিওপেথি শিক্ষাকে ধৰি বিষয়খিনি দাঙি ধৰিছে। আশ্ৰাফুল হুছেইন ডাঙৰীয়াৰ কথাখিনি মই খুব মনোযোগেৰে শুনিছো। তেখেতে যথেষ্ট ডাটা সহিতে কথাখিনি তুলনামূলক ভাৱে আলোচনা কৰিছে। তেখেতে এই দৃষ্টি ভংগীৰে কথাখিনি কোৱা বাবে আমি তেখেতক ধন্যবাদ জনাইছো। প্ৰশান্ত ফুকন ডাঙৰীয়া দেৱ AMC ৰ President হিচাপে কিছু সমস্যা দাঙি ধৰিছে। ৰমেন্দ্ৰ নাৰায়ণ কলিতাদেৱে ডাক্তৰৰ পদ, আয়ুৰ্বেদিক হস্পিতালৰ কথাখিনি আনিছে। নন্দিতা গৰ্লচা ডাঙৰীয়ানীয়ে হাফলঙৰ নিচিনা ঠাইত স্বাস্থ্য খণ্ডৰ গোটেইখিনি কথা আনিছে। মই সকলোখিনিৰেই উত্তৰ দিম মাত্ৰ বিষয়কেইটা আগতে কৈ লৈছো। বিশ্বজিৎ ফুকন ডাঙৰীয়াই অটল অমৃত কাৰ্ডৰ ক্ষেত্ৰত কি কি সহজলভ্য কৰিব লাগে সেইখিনি বিষয় আনিছে। ভৱেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই ক'ভিডৰ ক্ষেত্ৰত তেখেতৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা কৈ কেনেকৈ অক্সিজেন লেভেল ৫২ লৈকে নামি যোৱাৰ পিছতো বিধান সভা নিৰ্বাচনত প্ৰতিদ্বন্দিত্ব কৰি এই সদন পালেহি আৰু ক'ভিড চিকিৎসাত যে তেওঁলোক সুখী এই কথাটো ইয়াত প্ৰকাশ কৰিছে। জিতু গোস্বামী ডাঙৰীয়াই PPP Mode ত কিছু ব্যৱস্থা কৰিব লাগে বুলি কৈছে। দুৰ্গা দাস বড়ো ডাঙৰীয়াই বিশেষকৈ BTC ৰ ক্ষেত্ৰত স্বাস্থ্যৰ কিছু আঁচনিৰ ক্ষেত্ৰত আমি ল'বলগীয়া হয় সেইখিনি কথা ইয়াত দাঙি ধৰিছে। চক্ৰধৰ গগৈ ডাঙৰীয়াই ট্ৰমা চেন্টাৰ, ICU ৰ কথা কৈছে। ভূপেন বড়ো ডাঙৰীয়াই তেখেতৰ বাক্সা জিলাৰ কিছু কথা কৈছে। নুৰুল হুদা ডাঙৰীয়াই নগাওঁৰ ক্ষেত্ৰত কেইবাটাও কথা কৈছে। কৃষ্ণকমল তাঁতী ডাঙৰীয়াই ইয়াত বাগিচাৰ কথাখিনি আনিছে। চামচুল হুদা ডাঙৰীয়াই ধুবুৰীৰ কথাখিনি কৈছে। যিখিনি মই মোৰ বক্তব্যত কৈ যাম। ধুবুৰী জিলা স্বাস্থ্যখণ্ডত অলপ পিছ পৰি আছে যদিও তাত মেডিকেল কলেজ হ'বলৈ গৈ আছে। গতিকে তাত বেচিক সুবিধাখিনি অতি সোনকালে পাব। যোৰহাটৰ ক্ষেত্ৰত ভাস্কৰ বৰুৱা ডাঙৰীয়াই কেইটামান কথা কৈছে আৰু তেখেতে বিশেষকৈ ফিজ লোৱাৰ ক্ষেত্ৰতপ্ৰশ্নও কৰিছে । গতিকে এই ফিজ বি পি এল ত নে এ পি এল ত লৈছে মই সেইখিনি কথা কম। গোৱালপাৰা আৰু কৰিমগঞ্জ জিলাত মেডিকেল কলেজ বহু আগতেই ঘোষণা কৰিছিল যদিও মাটিৰ সমস্যাৰ বাবে এতিয়ালৈকে হৈ উঠা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কৈছে যে তৎকালীনভাৱে ব্যৱস্থা কৰিব লাগে আৰু মাটিৰ সমস্যা Settle হ'লেই আমি সেইখিনি কামত আগবাঢ়িব পাৰিম। আপোনালোকৰ বক্তব্যত কেইবাটাও দিশ দাঙি ধৰিছে। এই আটাইকেইটা দিশত মই আপোনালোকক কিছু কথা ক'বলৈ

বিচাৰিছো। আজি অসমত বিশেষকৈ স্বাস্থ্যৰ ক্ষেত্ৰত এটা যুগান্তকাৰী পৰিৰৰ্তন হৈছে আৰু এই যুগান্তকাৰী পৰিৰৰ্তন এতিয়া হৈছে বুলি মই নকওঁ। যেতিয়া লাহে লাহে NHM আৰম্ভ হ'ল তেতিয়া ২০০৭-০৮ চনৰ পৰা ধৰি ২০১১, ২০১২, ২০১৩ সেই সময়ৰ স্বাস্থ্যখণ্ডলৈ কিছু কিছু পৰিৰৰ্তন আহিছে। সেই সময়ত আমি কিছু কিছু বিষয়ত বিশেষভাৱে গুৰুত্ব দিব পাৰিছিলো যে কেনেকৈ MMR, IMR কমিব, Institutional Delivery কেনেকৈ ইত্যাদি কথাবিলাকত গ্ৰাম্য অঞ্চলত আমি তেতিয়াৰ পৰাই গুৰত্ব দিব পাৰিছো। এটা কথা মই এই ক্ষেত্ৰত ক'ব লাগিব যে ড° হিমন্ত বিশ্ব শৰ্মাদেৱ স্বাস্থ্য মন্ত্ৰী হিচাপে প্ৰায় ১৫ বছৰ কাল আছে আৰু আজি মুখ্যমন্ত্ৰী হিচাপে আছে। তেখেতে স্বাস্থ্যবিভাগৰ ক্ষেত্ৰত এটা বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই কথাটো আমি স্বীকাৰ কৰিব লাগিব যে যিয়ে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত আমাক বহু ক্ষেত্ৰত আগবঢ়াই নিছে। আজিৰ দিনটোতো মই তেখেতক অনুৰোধ জনাইছো যে স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত তেখেত বিশেষভাৱে জড়িত থাকিব লাগে আৰু আমাৰ বিভাগটো যিকোনো মূহুৰ্তত যি দৰে চাপোৰ্ট কৰিব লাগে তেওঁ তেনেধৰণে চাপোৰ্ট কৰি আহিছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো যে তেখেতৰ চাপোৰ্টৰ কাৰণে আমি বহু ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হৈছো। আজি সদনৰ মজিয়াত মই এটা কথা ক'বলৈ বিচাৰো যে অন্য বিভাগ বা বিষয়ৰ নিচিনা স্বাস্থ্য বিভাগটো নহয়। এই বিভাগটোৰ সকলোকে প্ৰয়োজন আছে আৰু সকলোৰে এই বিভাগটোক সহযোগিতা আগবঢ়োৱাটো প্ৰয়োজন আছে। আমি বিৰোধী পক্ষ বা শাসকীয় পক্ষ এই দৃষ্টিভঙ্গীৰে বিভাগটোৰ আলোচনা কৰিলে যিমান ভাল উত্তৰ পাম সমূহীয়াকৈ গ'লে তাতোকৈ ভাল উত্তৰ পাম। বিৰোধী পক্ষৰ বিধায়ক এজনে নিজৰ সমষ্টিটোত কাম কৰিলে সকলো ৰাইজৰ বাবেই কৰিব। গতিকে সেই মনোভাৱেৰে যদি আমি আগবাঢ়ি আহো তেতিয়া স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত আমি কিছু আগবাঢ়ি যাব পাৰিম। এতিয়া কথাটো হ'ল আমাৰ সমস্যা ক'ত ক'ত আছে? যোৱা সময়খিনিত আমাৰ মাজৰ পৰা বিশেষকৈ ক'ভিডৰ কাৰণে বহুখিনি লোকক আমি হেৰুৱালো। এই ক্ষেত্ৰত মই মোৰ বক্তব্য আগবঢ়াই লৈ যোৱাৰ আগতে তেখেতসকলৰ প্ৰতি মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। আপোনালোককো ক'ভিডৰ ক্ষেত্ৰত ধন্যবাদ জনাব লাগিব যে প্ৰত্যেকজন বিধায়কে ৰাজনীতিৰ উৰ্দ্ধত থাকি সহযোগিতা আগবঢ়াইছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ও তেওঁলোকক এইখিনি সহযোগিতাৰ বাবে আহ্বান জনাইছিল। তেখেতসকলে কৰ্তৃত্বপূৰ্ণভাৱে এই কথাখিনি কৰিবৰ বাবে যাতে দায়িত্ব পায় তেনেধৰণে চৰকাৰেও তেখেতসকলক এটা এটা সমষ্টিত ক'ভিডৰ ক্ষেত্ৰত মুৰব্বী হিচপে দায়িত্ব দিছিল। সিদিনা মই এই কথাখিনি কওঁতে ভৰত নৰহ ডাঙৰীয়াই পোৱা নাই বুলি কৈছিল। কিন্তু যেতিয়া মই লখিমপুৰত গৈ লখিমপুৰ জিলাৰ ডি চিক সুধিলো যে আমি দিয়া এচ অ' পি মতে আপুনি কিয় দায়িত্ব দিয়া নাই তেতিয়া তেওঁ মোক চিঠি এখন উলিয়াই দেখুৱালে য'ত তেখেতেই লিখি দিছে যে তেখেত সভাখনত থাকিব নোৱাৰিব আৰু বেলেগ এজনক প্ৰতিনিধিৰ দায়িত্ব দিছে। বিভিন্ন অসুবিধাৰ বাবে কোনোবাই হয়তো কোনোবাটো সমষ্টিত কমকৈ সহযোগিতা আগবঢ়াব পাৰিছে কিন্তু চৰকাৰীভাৱে আমি সকলোখিনি পৰিচালনাৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত কৰিছো আৰু সেই মতে গোটেইখিনি কাম পৰিচালনা হৈছে। তাৰ বাবে মই প্ৰথমতে আপোনালোকক ধন্যবাদ জনাইছো। এতিয়া মই পিছৰ বিষয় খিনিলৈ আহিছো। আজি প্ৰত্যেকজন বিধায়কে নিজৰ জিলা বা সমষ্টিৰ স্বাস্থ্য খণ্ডৰ কথা কওঁতে এটা কথা আহিছে যে Sub-centre, PHE বা CHC এইখিনিৰ ভিতৰত আমাৰ কিছু সমস্যা আছে। এতিয়া ছয় হাজাৰ চাব-চেণ্টাৰৰ কথা কৈছে, কিন্তু এই ছয় হাজাৰ চাব-চেণ্টাৰ আমাৰ target , ছয় হাজাৰ কিমানটা আমি নিৰ্মাণ কৰা নাই । আগৰ ৪৬৯০

টা চাব-চেণ্টাৰ আছে । বৰ্তমানৰ চৰকাৰ বুলিয়েই নহয়, পূৰ্বৰ চৰকাৰৰ দিনতো চাব-চেণ্টাৰৰ ঘৰ নিৰ্মাণ কৰিব বিচাৰিছিল । চাব-চেণ্টাৰ সমূহে মাটি পোৱা নাই বাবে ভাড়াঘৰত চলি আছিল । গতিকে মাটি পালেই, চাব-চেণ্টাৰ নিৰ্মাণ হ'ব লাগে । বিধায়ক হিচাপে আপোনালোকে মাটি উলিয়াই দিব । চাব-চেণ্টাৰ যদি ভাড়া ঘৰত চলি আছে তেন্তে মাটি আমি নিৰ্মাণ কৰিম। এইবোৰ কথাক লৈয়ে আমি সমালোচনা কৰাৰ প্ৰয়োজন নাই । গতিকে, এতিয়া আমি চাব-চেণ্টাৰবোৰক up-grade কৰি Health & Wellness Centre হিচাবে তাত আৰু কিছু Staff সংযোজন কৰিব বিচাৰিছো। আমি দুই হাজাৰৰ ওপৰত কাম কৰিবলৈ হাতত লৈছো আৰু পৰ্য্যায়ক্ৰমে বাকী খিনিও হ'ব । আনহাতে, PHC বুলি ক'লে কেইবাটাও ভাগ আছে, যেনে PHC, Mini PHC, State Dispensary আৰু এই আটাইকেইখন মিলি মুঠ ১০০৪ খন আছে। এই ১০০৪ খনৰ ক্ষেত্ৰত বিভিন্ন সমস্যা যেনে নাৰ্চ, ডাক্তৰ, Staff ৰ অভাৱ আদিৰ বিষয়ে কৈছে । গতিকে, এইখিনিৰ ক্ষেত্ৰত আমি ব্যৱস্থা ল'বলৈ প্ৰস্তুত হৈছো । ইয়াত ডাক্তৰ, নাৰ্চ আদিৰ সম্পূৰ্ণ নিযুক্তি নহ'লেও কিছু কিছু সকলোৱে পাব । আকৌ, CHC আৰু Model Hospital মিলি মুঠ ২০১ খন আছে । Model Hospital সমূহ নতুনকৈ বনোৱাৰ বাবে Staff কম আছে । আপোনালোকে ভালকৈ জানে যে প্ৰায় ১০ হাজাৰ পদ সৃষ্টি হৈছে । মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে বাকী একলাখ পদৰ চাকৰিৰ বাবে অপেক্ষা নকৰি technical বিভাগৰ মানুহখিনিক অতি সোনকালে যাতে নিযুক্তি দিয়ে । একলাখ চাকৰিৰ নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰোতে হয়তো সময় লাগিব । গতিকে স্বাস্থ্যখণ্ডৰ technical মানুহখিনিৰ ক্ষেত্ৰত আগতীয়াকৈ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব । হয়তো অহা ছেপ্টেম্বৰ মাহতে ইয়াৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব । আমি ভাবিছো যে এনেদৰে হয়তো এইখিনি নিযুক্তি দিব পাৰিম । আমাৰ Sub-divisional Civil Hospi-tal ১৪ খন আৰু District Civil Hospital ২৫ খন আছে । এইখিনিৰ ক্ষেত্ৰত I.C.U. ৰ ব্যৱস্থা ৰখাৰ বাবে যথেষ্ট খিনি কামো হৈছে । ইয়াৰোপৰিও, অসমত আৰু তিনিখন হস্পিতাল আছে যেনে MMCH , যি Civil Hospital বা মেডিকেল কলেজৰ category ত নপৰে, এখন আয়ুৰ্বেদিক কলেজ আছে আৰু কালাপাহাৰ হস্পিতালখন আছে। আমি MMCH আৰু কালাপাহাৰ হস্পিতালখন মিলি এখন মেডিকেল কলেজ কৰিবলৈ গৈ আছো । ইয়াৰ সকলো প্ৰক্ৰিয়া ইতিমধ্যে হ'ল, sub-judice হৈ থকা কিছু বাকী আছে। সেইখিনি clear হ'লেও এইখন মেডিকেল কলেজলৈ ৰূপান্তৰিত হ'ব । বৰ্তমানৰ সময়ছোৱাত ৰাজ্যখনত সাত খন মেডিকেল কলেজ আৰু আঠখন মেডিকেল কলেজ হস্পিতাল চলি আছে । লখিমপুৰ মেডিকেল কলেজখন আমি হস্পিতালৰ ৰূপত চলাই আছে । National Medical Council ৰ পৰা inspec-tion আহিলেই এই বছৰত আমি ইয়াত পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰিম । আঠখন মেডিকেল হস্পিতাল ইতিমধ্যে চলি আছে, তাৰ সাতখনত পাঠ্যক্ৰম চলি আছে আৰু এখনত inspection আহিলেই পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰিম ।

Assam Tea Corporation ৰ চাহ বাগিচা সমূহত ১৫ খন হস্পিতাল নিৰ্মাণ কৰা হৈছে । লগতে ১৭০ খন বাগিচাৰ হস্পিতালত আমি PPP Mode ত বিনামূলীয়া ঔষধ দিয়াৰ উপৰিও ৭ লাখ ৫০ হাজাৰ টকাকৈ আমি প্ৰতি বছৰে বাগিচাৰ হস্পিতাল বোৰলৈ দিওঁ। এতিয়া সেইবোৰ হস্পিতাল চৰকাৰী সাহায্যপ্ৰাপ্ত হস্পিতাল হিচাপে ধৰা হৈছে । ইয়াৰোপৰিও ৬৫১ খন বাগিচাৰ হস্পিতালত বিনামূলীয়া ঔষধ দিয়া হয়। ৮০ খন Mobile Medical Unit ৰ Van আছে য'ত বাগিচৰ বাকী থকা অঞ্চলবোৰত ঘূৰি কাম কৰা হৈছে। এইখিনি বাগিচাত

হস্পিতাল দিয়াৰ উপৰিও ১২ হাজাৰ টকাকৈ প্ৰায় ৫৩,৭১১ গৰাকী গৰ্ভৱতী মহিলাক গৰ্ভাৱস্থাৰ সময়ছোৱাত সহায় কৰিছো। আমাৰ সন্মানীয় সদস্য শ্ৰী কৃষ্ণ কমল তাঁতীয়ে বাগিচাৰ সম্পৰ্কত অকণমান কথা কৈছে । বাগিচাৰ ক্ষেত্ৰত বহুতো কথা আছে, যিবোৰে আজিৰ আলোচনাত হয়তো ঠাই নাপালে, কিন্তু বাগিচাৰ ক্ষেত্ৰত আমি ব্যাপক ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছো । আমি যদি এনেদৰে বিচাৰ কৰি চাওঁ, স্বাস্থ্য খণ্ডত আমাৰ ৰাজ্যখনত প্ৰায় ৬ হাজাৰতকৈ ওপৰত চাব-চেণ্টাৰকে ধৰি মেডিকেল কলেজ আছে ।ইয়াত প্ৰায় ৭০ হাজাৰ লোক ঠিকা ভিত্তিত কাম কৰি আছে । যোৱা কালি সন্মানীয় সদস্যই N.H.M. ৰ ঠিকাভিত্তিক ডাক্তৰ-নাৰ্চৰ কথা কৈছিল । কিন্তু এইখিনিতে মই কওঁ যে N.H.M. ৰ কৰ্মচাৰী যদিও ঠিকাভিত্তিক, তেওঁলোকে ৬০ বছৰ বয়সলৈ কাম কৰিব পাৰিব, তেওঁলোকৰ চাকৰি permanent nature ৰ, অস্থায়ী নহয়। তেওঁলোকক increment দিয়া নাই বুলিও কৈছিল, কিন্তু তেওঁলোকক আমি ৫% কৈ increment দি আহিছো আৰু এইবাৰো তেওঁলোকক ৫% increment দিছো । ইয়াৰোপৰি, স্বাস্থ্য বিভাগত কোনোবা A.N.M. বা Helper বা Professor বা Specialist পৰ্য্যায়ৰ হওঁক, ৭০ হাজাৰলোকে ৰাইজক সেৱা কৰি আছে । অসমৰ প্ৰায় ৩.৫ কোটি পৰিয়ালক যদি ৭০ হাজাৰ লোকে সেৱা আগবঢ়াই আহিছে, তেন্তে ই বৰ সৰু কথা নহয় । আমাৰ অসমত W.H.O. এ নিৰ্ধাৰণ কৰা প্ৰতি ১০০০ জন লোকৰ বিপৰীতে ১ জন ডাক্তৰ থকাৰ কথা কৈছে । গতিকে, আমি এক হাজাৰৰ মাজত এজন ডাক্তৰ নহয়, হয়তো পাঁচশ বা দুশ তিনিশ মানুহৰ মাজত A.N.M. বা অন্য স্বাস্থ্য কৰ্মী হ'লেও দিয়াৰ ব্যৱস্থা কৰিম । ১০০০ জনৰ মাজত এজন ডাক্তৰ হোৱালৈ হয়তো অলপ সময় লাগিব পাৰে ।

অধ্যক্ষ মহোদয়, ইয়াত ক'ভিডৰ কথা ব্যাপক ভাবে আলোচনা কৰা হৈছে। দুই এটা সমস্যাৰ কথাও দাঙি ধৰিছে । গোৱালপাৰাৰ বিধায়কেও দাঙি ধৰিছে, তিতাবৰৰ বিধায়কেও সেই কথা দাঙি ধৰিছে। ক'ভিডৰ কথা যদি মই কওঁ তাৰ আগতে মই information টো অলপ দি লৈছো। প্ৰথম ঢৌত আমি ২,১৮,৪৫২ গৰাকী লোক আক্ৰান্ত হৈছিল। তাৰে ২,১৫,৪৪৫ গৰাকী লোক recovery হৈছে। ১,১০৫ জন লোকৰ মৃত্যু হৈছে। কিন্তু ক'ভিডৰ উপৰিও অন্যান্য লক্ষণ থকা ১,৩৪৭ লোকৰ মৃত্যু হৈছে। এতিয়া পিছৰ দিনটো যদি ধৰো, দুটা কথাত ধৰিব পাৰি। 1st April Financial Year আৰু wave টো আহোতে হৈছে ১৮ এপ্ৰিলতহে কেচ ওলাইছে। গতিকে ১৮ এপ্ৰিলতহে প্ৰথম কেচ ওলাইছে। ১৮ এপ্ৰিলৰ পৰা 2nd wave টো অৰ্থ্যাৎ আজি চলি থকা wave টো আৰম্ভ হৈছে 3rd week ৰ পৰা। গতিকে আজিৰ দিনটোলৈকে ৩ লাখ ৫২ হাজাৰ ৯২ গৰাকী এই পিছৰ সময়টোত আক্ৰান্ত হৈছে। এই পিছৰ সময়ছোৱাত যিখিনি আক্ৰান্ত হৈছে তাৰ ভিতৰত অমি ৪,২২১ গৰাকী আমাৰ মাজৰ পৰা হেৰুৱাইছো। তথ্য আপোনালোকৰ সকলোৰে হাতত আছে, মই আৰম্ভণিতে দি থৈছো।

এতিয়া কথা হ'ল আমাৰ ভেকচিনৰ বিষয়টো আহিছে। ভেকচিনৰ বিষয়টো ইয়াত আলোচনা হৈছে, বাহিৰতো হৈছে। এতিয়া ভেকচিন আমি কেতিয়াৰ পৰা পালো ? প্ৰথম কথাটো আপোনালোকে যদি সেই সময়ৰ পৰা ভাৰি চায় ভেকচিন আমি পালো জানুৱাৰী মাহত। কিন্তু জানুৱাৰী মাহত limited আছিল। গতিকে আমি প্ৰথমে Health Worker বিলাকে ভেকচিন লৈছিলো, public ৰ কোনেও লোৱা নাছিল। যিসকল স্বাস্থ্য বিভাগৰ ডাক্টৰ, নাৰ্চ, যিসকলে আমাৰ treatment কৰিব, তেওঁলোকে এই ভেকচিন লৈছিল। তাৰ পিছত ফেব্ৰুৱাৰী মাহলৈ আহিলো। জানুৱাৰী ১৬ তাৰিখে প্ৰথম ভেকচিন আৰম্ভ কৰা হৈছিল health worker ক আৰু

ফেব্ৰুৱাৰীৰ ১৭ তাৰিখে আমি আৰম্ভ কৰিলো frontline worker. ধৰি ললো আশা কৰ্মী বা অন্য যিসকল frontline ত গৈ ৰাইজৰ ওচৰত treatment কৰে, তেওঁলোকক আমি দিয়া আৰম্ভ কৰিলো। তাৰ পিছত 1st March ত আমি ৬০ বছৰৰ ওপৰৰ সকলক ভেকচিন দিবলৈ আৰম্ভ কৰিলো। আজিৰ দিনটোৰ পৰিবেশে আমাক বহু কথা পাহৰাই দিছে। সেইকাৰণে মই কথাকেইটা মনত পেলাই দিছো। তাৰ পিছত আমি ঠিক কৰিলো যে এতিয়া ৬০ বছৰৰ ওপৰৰ মানুহখিনিক দিম। তাৰ পিছত আকৌ আৰম্ভ হ'ল ৪৫ বছৰৰ ওপৰৰ খিনি, এইটো মাৰ্চ- এপ্ৰিলৰ কথা। তাৰ পিছত আহিল 1st May ৰ পৰা ১৮ বছৰৰ ওপৰৰ খিনিকো ভেকচিন দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। তেতিয়াৰ পৰাহে আচল ভেকচিনটো আৰম্ভ হৈছে। তাৰ আগলৈকে আমাৰ ভাগ ভাগকৈ আহিল। তাৰ আগলৈকে অসমৰ কিছুমান গ্ৰাম্যাঞ্চলত ভয় খুওৱা হৈছিল যে ভেকচিন ললেই ইয়াৰ মৃত্যু হ'ব। মানুহক বুজাবলৈ circle officer আৰু বেলেগ বেলেগ সকলৰ লগতে বিধায়কসকলো জড়িত হৈ সভা পতা হ'ল। পঞ্চায়তৰ প্ৰেচিডেন্ট, কাউন্সিলাৰ সকলো জড়িত হৈছে, সভা পাতিবলগা হৈছে। সভা পাতি ৰাইজক বুজাব লগা হৈছে। কিছুমাণে আমাৰ ভাষা নুবুজে কাৰণে বেলেগ বেলেগ community ক তেওঁলোকৰ ভাষাৰে আকৌ বুজাবলগা হৈছে। বাগানত বাগানীয়া, কাৰ্বিক কাৰ্বি, বড়োক বড়ো য'ত যি আছে তেওঁলোকৰ মানুহ pickup কৰি তেওঁলোকক বুজাবলগা হৈছে যে ভেকচিন ল'ব লাগে। এইটো মে' মাহৰ ১ তাৰিখৰ পৰা ১৮ বছৰৰ ওপৰৰ সকলোকে ভেকচিন দিব পৰা হ'ল। এতিয়া মে', জুন, জুলাই এই তিনিমাহত আমাৰ ভেকচিনটো ব্যাপক হাৰত হৈছে। মে'ৰ প্ৰথমতে অলপ বুজা বুজিৰ ভুলৰ বাবে এনেকুৱা ধৰণৰ অসুবিধা আছিল। তাৰপিছত আৰম্ভ হ'ল মানুহে নিজে আগবাঢ়ি অহা। এতিয়া মানুহ নিজে আগবাঢ়ি আহিছে। কোনোবা ৰাতি আহিছে, কোনোবা ৰাতিপুৱা আহিছে। ক'ৰবাত খবৰ পাইছো ৰাতি মানুহ আহিছে। লগে-লগে ফোন কৰি খবৰ দিছো, মানুহখিনিক list কৰি ৰাখক।টোকেন এটা দিয়ক, কাইলৈ পুৱা আহিব এতিয়া ঘৰলৈ যাওকগৈ। তেওঁলোকৰ list খন আজিয়েই কৰি থওক। এনেধৰণে যিখিনি য'ত সমস্যা হৈছে , এইখিনি আমি ঠিক কৰিছো। এতিয়া কথা হ'ল ভেকচিনটো এনেকুৱা নহয় যে টকা থাকিলে কোনোবাই ভেকচিন আনিব পাৰিব। সেইটো হৈ থকা নাই। ভেকচিনৰ production টো আজিলৈকে কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত আছে আৰু নিয়ন্ত্ৰণত থকাৰ কাৰণে আপোনালোকে যদি আজি হিচাপ সোধে , আমি আন ৰাজ্যতকৈ যথেষ্টখিনি বেছিকৈ আনিবলৈ সক্ষম হৈছো। হয়তো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা বিশেষ initiative আছে। মোডী ডাঙৰীয়াৰ এটা বিশেষ, অমিত শ্বাহ ডাঙৰীয়াৰ এটা বিশেষ initiative আছে। সেইদিনাখন মইও গৈছিলো। স্বাস্থ্যমন্ত্ৰীক তাত লগ পাইছিলো আৰু লগ পোৱাৰ পাছত তাৰ flow আৰু বাঢ়িছে। মুখ্যমন্ত্ৰী মহোদয়ৰ এটা বিশেষ তৎপৰতা আৰু প্ৰধানমন্ত্ৰী আৰু অমিত শ্বাহ ডাঙৰীয়াৰ এটা বিশেষ favour পাইছো আৰু তাৰকাৰণে আমি ভেকচিনটোক আনতকৈ অলপ বেছিকৈ আনিবলৈ সক্ষম হৈছো।

আমি এতিয়ালৈকে ভেকচিনৰ 1st dose টো ৯৫ লাখতকৈ বেচি লোকক দিলো। 1st dose দিয়া হ'ল ৯৫,৩৩,৩২৬ আৰু দ্বিতীয় পালি দিয়া হ'ল ২০,৪৫,৫৫৫। এতিয়া আমাৰ ভিতৰত এটা কথা ওলাই থাকে যে এতিয়া সৰ্বমুঠ ১ কোটি ২৫ লাখ ৭৮ হাজাৰ ৮৮১ জনক ভেকচিন দিয়া হ'ল যোৱাকালিলৈকে, আজি আৰু হিচাপ বাঢ়িব। এতিয়া আমাৰ কথা হ'ল আমাক কয় যে আপোনালোকে টোটেল মিলালে ৮ শতাংশ মানুহক ভেকচিন দিছে। এতিয়া কথা হ'ল দ্বিতীয় পালি টো ল'বলৈ কোনোবাই কৰবাত অপেক্ষা কৰি আছে নেকি? প্ৰথম প্ৰশ্নটো

সেইটো। সময়মতে দ্বিতীয় পালি নাপাই কোনোবাই কৰবাত হাহাকাৰ কৰিছে নেকি? আমি সকলোকে top priority দিছো। প্ৰত্যেকটো ভেকচিন centre দ্বিতীয় পালি ল'বলৈ অহা মানুহ জনক প্ৰথমতে দি দিওঁ। তেওঁৰ যাতে সময়টো সাৰি যাব নালাগে। তাৰকাৰণে আমি ভেকচিনৰ অভাৱ হ'বলৈ দিয়া নাই। এতিয়া দ্বিতীয় পালিৰ যদি সময় নহয়, মইতো আগতীয়াকৈ ল'ব নোৱাৰো। এইটোৰ কৰবাত credit discredit উলিয়াই চৰকাৰক দোষাৰোপ কৰি লাভ নাই। কথাটো হৈছে দ্বিতীয় পালিৰ কোনো লোক ভেকচিন centre ৰ পৰা ঘুৰি যাবলগা হোৱা নাই। আমি প্ৰতিজন Deputy Commissiner, স্বাস্থ্য বিভাগৰ লোকক এইটো কৈ ensure কৰিছো যে দ্বিতীয় পালি ল'বলগা যিসকল লোক আছে তেওঁলোকক top priority দি লগে-লগে দিব লাগে। তেওঁৰ ৮৪ দিন হৈছে, দি দিয়ক। এইটো হৈছে ক'ভিচিল্ডৰ ক্ষেত্ৰত আৰু কোভাক্সিনৰ ক্ষেত্ৰত ২৮ দিন লাগে। এইটোত তেওঁলোকে সেইমতে আহিলে পাব। সেইবিলাক stock আছে। তাৰ কাৰণে নিশ্চিত। আজি পবিত্ৰ সদনত এইটো কথা আমি স্পষ্ট কৰি দিছো যে দ্বিতীয় পালি পাব লগা যাৰ সময় হৈছে সেইখিনি মানুহ কোনো বিমুখ হ'ব নালগে, সেইখিনি ঘুৰি যাব নালাগে। এইটো নিশ্চিত থাকক। আজিৰ দিনটোত আমাৰ হাতত ১২ লাখ ভেকচিন আছে। ৪ লাখ আজি আকৌ আহিব। আজিৰ দিনটোত ১৬ লাখ ভেকচিন হাতত ৰাখি আমি কাম কৰি যাম আৰু দিনে দিনে এইখিনি আগবঢ়াই নিয়াৰ কাৰণে কোনো অসুবিধা নাই। যোৱাকালি আশ্ৰাফুল হুছেইন ডাঙৰীয়াই এই সদনত কৈছিল যে দিল্লীত ক'ভিডত আক্ৰান্ত হৈছিল ১৬ পাৰচেন্ট আৰু অসমত আক্ৰান্ত হৈছিল ৮ পাৰচেন্ট। দিল্লীত বা অন্যান্য ৰাজ্যত কি হৈছিল হয়তো কোনোবা ৰোগী গাড়ীত ৰৈ আছে বিচনা নাই। কোনোবা ৰোগী হস্পিতাললৈ গৈ বাৰাণ্ডাত ৰৈ আছে বিচনা নাই। কোনোবা ৰোগীক হয়তো ঘৰৰ পৰা আনিব পৰা নাই কাৰণ বিচনা নাই। কিন্তু আমাৰ ৰাজ্যত কোনো এজন মানুহৰ কাৰণে বিচনাৰ অভাৱ হোৱা নাই। জেনেৰেল বেড , অক্সিজেন বেড আছেই , ইয়াৰ উপৰিও আই চি ইউ বেডো ৰোগীৰ কাৰণে ৰেডি হৈ আছে। কোনো এজন ৰোগী নোলাব যে মোৰ আই চি ইউ বেডৰ প্ৰয়োজন আছিল, মই আই চি ইউ নাপালো। এনেকুৱা ধৰণৰ কথা আমাৰ এই ৰাজ্যখনত কতো হোৱা নাই। যেতিয়া আমাৰ এই ৰাজ্যখনলৈ ক'ভিড অহা নাছিল তেতিয়া আমাৰ এই গোটেই ৰাজ্যখনৰ মেডিকেল কলেজ কেইখনত ৪০০ আই চি ইউ বেড ৰেডি হৈ আছিল। ৰাজ্যিক চিকিৎসালয়বোৰত আই চি ইউ বেড থকাৰ প্ৰশ্নই নাহে। মানুহে কোনেও নাভাবে, আমাৰ এই বিধান সভাত কোনোবাই কয় নেকি যে আমাৰ ৰাজ্যিক চিকিৎসালয় বিলাকত আই চি ইউ বেড লাগে বুলি? ইয়াৰ আগতেটো কোনো এজন বিধায়কে কোৱা নাছিল আই চি ইউ বেড লাগে বুলি। ক'ভিড অহাৰ আগে আগে চিভিল হস্পিতালত আই চি ইউ বেড লাগে বুলি আমি কোৱা নাছিলো। আমি কেৱল কৈছিলো আমাৰ চিভিল হস্পিতালবোৰত ডাক্তৰ নাই,নাৰ্চ নাই, অৰ্থপেডিকৰ ডাক্তৰ নাই, এইবোৰ কথাই আমি ইয়াত কৈছিলো। এতিয়া আমি চিভিল হস্পিতাল, ম'ডেল হস্পিতাল আদি সকলোবোৰ হস্পিতালতে আই চি ইউ বেড লাগে বুলি কৈছো। ৪০০ আই চি ইউ বেড গোটেই ৰাজ্যখনত আছিল। এতিয়া এই আই চি ইউ বেডৰ সংখ্যা হৈছেগৈ ১,৫৪০ খন। ইয়াৰ ১০৯৯ খন আই চি ইউ বেড ক'ভিডৰ কাৰণে ব্যৱহাৰ কৰি আছো। ইয়াৰ উপৰিও এই আই চি ইউ বেড বাদ দি ৩৮৫০ খন অক্সিজেন চাপোৰ্টেড বেড, অক্সিজেন দি ৰাখিবপৰা ৪০০০ খন আই চি ইউ বেড আছে। এতিয়া ইয়াত অ'ক্সিজেন আৰু আই চি ইউ থকা বিচনা **৫৫০০** খন আছে । এইটো এক -ডেৰ বছৰৰ achievementৰ কথা মই কৈছো।টি,ভি, পুৰনা বাতৰি কাকত আদিত আপোনালোকে শুনিছিল যে অক্সিজেনৰ অভাৱত বেলেগ ৰাজ্যবোৰত মানুহৰ মৃত্যু হৈছিল। আমাৰ

ৰাজ্যখনত অক্সিজেন লাগে ৫৫ মেট্ৰিক টন।কিন্তু ক'ভিডটো কমি অহাৰ কাৰণে বৰ্তমান আমাক অক্সিজেন লাগে ৪০ মেট্ৰিকটন। আমাৰ ৰাজ্যখনে অক্সিজেন উৎপাদন কৰে ১১২ মেট্ৰিকটন। ইয়াৰোপৰি আমাৰ অক্সিজেনৰ ষ্ট'ৰেজ কেপাচিটি আছে ৬০০ মেট্ৰিকটন।আমাৰ অক্সিজেনৰ ষ্ট'ৰেজ কেপাচিটিটো ১০০০ মেট্ৰিকটনলৈ বঢ়াবলৈ ব্যৱস্থা লৈ আছো। আমাৰ ভাৰত চৰকাৰৰ পৰা LMOৰ ক্ষেত্ৰত যথেষ্ট সহায় পাই আছো। বৰ্তমান আমি আমাৰ ৰাজ্যখনৰ কাষত থকা ৰাজ্যসমূহলৈ অক্সিজেন দি আছো। মেঘালয়, অৰুণাচল, নাগালণ্ড, মিজোৰাম আদি ৰাজ্যসমূহলৈ অক্সিজেন পঠাই আছো। ইয়াৰোপৰি আমাৰ অতিৰিক্তভাৱে উৎপাদনো আছে আৰু অক্সিজেন ৰাখিবপৰা কেপাচিটিও আছে। আমি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব লাগিব যে PL Care যিটো ক'ভিডৰ কাৰণে হৈছে তাত আমি ১০০০ ভেন্টিলেটৰ তেখেতসকলৰ পৰা সাহায্য হিচাপে পাইছো। ৪০ টা অক্সিজেন জেনেৰেচন প্লান্ট পাইছো। ইয়াৰ উপৰিও ভাৰত চৰকাৰে কানাডা, লণ্ডন আদি দেশৰ পৰা যিখিনি অক্সিজেন পাইছে তাৰ ভাগো আমি পাইছো। এতিয়া আমি ২০০০ অক্সিজেন concentrator পাইছো আৰু ১০০০ টা চিলিণ্ডাৰ পাইছো। ৰাজ্যখনে নিজাববীয়াকৈ কাম কৰাৰ উপৰিও এইখিনি আমি বিভিন্ন ধৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। নতুন অক্সিজেন প্লান্টৰ কাৰণে আমি আৰু কেইটামান ব্যৱস্থা লৈছো, যাতে প্ৰত্যেকখন জিলা হস্পিতালত অক্সিজেন প্লান্ট হ'ব পাৰে আৰু হৈছেও। ইয়াৰ উপৰিও কোনো কোনো ঠাইত Sub-Division হস্পিতাল আৰু মডেল হস্পিতালত আমি লৈ গৈ আছো। যেতিয়া আমাৰ ক'ভিড আৰম্ভ হৈছিল, তেতিয়া RT-PCR test কৰিবলগীয়া হ'লে আমি যাবলগীয়া হৈছিল National Institute of Biology, Pune লৈ আমাৰ sample collection পঠাব লাগে। আমাৰ এইখিনি দিনৰ ভিতৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত চৰকাৰী পৰ্যায়ত ১৭ টা লেৱ হ'ল আৰু ২৪ টা লেৱ আমি ইয়াতে বনাবলৈ লৈছো। ইয়াত মুঠতে এতিয়া RT-PCR test কৰিব পৰা চৰকাৰী লেভেলত লেৱ হব ৪১টা। গতিকে য'ত আমি ক'ভিড আৰম্ভ হওঁতে sample পুনেলৈ পঠাইছিলো এই দিনখিনিৰ ভিতৰত আমি এইখিনি আগবাঢ়িব পাৰিছো। আজি আমি ১কোটি ৯২ লাখ লোকক আমি ইয়াতে test কৰিছো। ভাৰতত এটা হিচাপ কৰি আছে যে per million testing কিমান? India average per million testing 3.55. কিন্তু অসমৰ per million testing 5.56. দেখা যাই যে আমি বহুত ওপৰত testing কৰিছো। মই ক'ভিডৰ ওপৰত কৈছো testing, tracing and treatment. Testing ৰ কথা মই কলো। Tracing ক্ষেত্ৰত আজি আমি এটা পৰ্যায়ত নিয়ন্ত্ৰণ কৰিবলৈ কিয় সক্ষম হৈছো যে আমি কিছুমান কথাৰ টাৰ্গেত লৈছো। যিখিনি আমাৰ sureveillance workers আছে তেওঁলোকক লৈ আমি এজন মানুহৰ যেতিয়া positive হয়, তেতিয়া তেওঁৰ ঘৰখনৰ প্ৰতিজন মানুহৰে Testing কৰোৱা হয়, গাওঁ খনৰ কৰোৱা হয় আৰু এই tracing কাৰণে আমি যথেষ্টখিনি মানুহ উলিয়াব পাৰিছো আৰু ইয়াৰ বাবে আমি তেওঁলোকক treatment কৰিব পাৰিছো। সেই কাৰণে অসমত এটা ক'ভিডৰ নিয়ন্ত্ৰণ হৈছে। আমি শেহতীয়া ভাবে ১ লাখ ৩৫ হাজাৰ লোকক হস্পিতালত treatment কৰিছো আৰু ঘৰত ২ লাখ ১৭ হাজাৰ লোকক ঔষধ-পাতি, খোৱা-বোৱা যোগান ধৰা হৈছে। ক'ৰবাত Home Quarantine হৈছে তাতো আমি খোৱা-বোৱাৰ যোগান ধৰিছো। Contenment কৰিছে কৰবাত, তাতো আমি খাবলৈ দিছো। এই বিলাক আমি Home Isolation ৰ ক্ষেত্ৰতহে কৰিছো। ৪৪০ টা ক'ভিড কেয়াৰ চেন্টাৰ আৰু হস্পিতাল মিলি আমি কাম কৰিছো আৰু ২৪ হাজাৰ বিচনা ক'ভিডৰ কাৰণে ইয়াত যোগাৰ আছে। আমি অকল treatment কৰাটোবে নহয়,

আজি যদি কোনোবা এজনৰ মৃত্যু হৈছে তেওঁলোকৰ ঘৰৰ মানুহে যদি ক'ভিড প্ৰটোকল মানি মৃতকক নিবলৈ অপাৰগ হৈছে, তেনেকুৱা ৪ হাজাৰ ২৭ জন মানুহৰ অন্ত্যেষ্টিক্ৰিয়া কৰা হৈছে আৰু এই অন্ত্যেষ্টিক্ৰিয়া কৰিবৰ কাৰণে ৩ কোটি ২২ লাখ টকা খৰছ হৈছে। মই ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে কভিডৰ তৃতীয় ধৌটো নাহে, কিন্তু যদি আমি তৃতীয় লহৰৰ সন্মূখীন হ'ব লগীয়া হয় তাৰ কাৰণে আমি সম্পূৰ্ণ প্ৰস্তুত হৈ আছো। আইচি ইউৱে কওঁক বা শিশুৰ আইচি ইউয়ে কওঁক তেনেধৰণে আমি সম্পূৰ্ণ ৰূপে প্ৰস্তুত হৈ আছোঁ। আজি অকল ইয়াতে নহয় ভাৰতৰ ভিতৰতে আমাৰ মুখ্যমন্ত্ৰীয়ে এটা বিশেষ কাম কৰিছে, সেইটো হৈছে যে ক'ভিডত মৃত্যু হোৱা পৰিয়ালটোত যদি মাক-দেউতাক নাই তেতিয়াহলে শিশুৰ কাৰণে এটা আঁচনি লোৱা হৈছে। যাৰ নাম মুখ্যমন্ত্ৰী শিশু তৰা আঁচনি। ৭লাখ ৪ হাজাৰ কৈ টকা ফিক্স ডিপোজিত কৰি ২৪ বছৰ বয়সলৈকে প্ৰতিমাহে ৩৫০০ কৈ টকা দি লৰা-ছোৱলী কেইটাক পঢ়িব পৰাৰ ব্যৱস্থা কৰিলে। যাৰ ফলত লৰা-ছোৱালীবোৰৰ সমাপ্ত নহ'ল। ঠিক তেনেদৰে যিয়ে স্বামীক হেৰুৱালে তেওঁলোকক ২ লাখ ৫০ হাজাৰ কৈ টকা দি এটা সকাহৰ ব্যৱস্থা কৰা হৈছে আৰু এই দুয়োটা আঁচনিয়ে যিবোৰ মানুহক কভাৰ নকৰে তেওঁলোকৰ বাবেও আমি সেইদিনা অমিত শ্বাহ অহাৰ দিনা ১ লাখ টকাকৈ দিয়াৰ আঁচনি আৰম্ভ কৰিছোঁ। যে সকলো বোৰ ব্যৱস্থা কৰা হৈছে এইখন চৰকাৰৰ দিনত, আমি সাধাৰণতে কি কৰো যে মানুহে শিশুৰ জন্মৰ পিছৰ পৰা মৃত্যুৰ সময়লৈকে চৰকাৰে এটা দায়িত্ব লয়। কিন্তু এই খন চৰকাৰে ক'ৰ পৰা দায়িত্ব লৈছে যে বিয়া পতাৰ বাবে সোণ দিছে, আপোনালোকে বিয়া পাতক ভালকৈ, তাৰ পিছত পৰিয়াল পৰিকল্পনা কৰিবলৈ গৈছে, তাৰ পিছত কাৰোবাৰ চিকিৎসাৰ প্ৰয়োজন তাক চিকিৎসা প্ৰদান কৰা হৈছে, তাৰ পিছত যদি কাৰোবাৰ মৃত্যু হৈছে সেই মানুহজনৰ অন্তষ্টিক্ৰিয়াও কৰা হৈছে। ঘৰৰ পৰিয়াল যদি আজি অসহায় হৈছে তেওঁলোকক সহায় কৰিছে আমাৰ এই চৰকাৰে। গতিকে এইখন চৰকাৰে এজন এটা পৰিয়াল সেই পৰ্য্যান্ত চিন্তা কৰিছে। গতিকে মুখ্যমন্ত্ৰীৰ ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰ খনে আজি প্ৰতি ঘৰৰ ব্যক্তিৰ কথা চিন্তা কৰিছে। সেই ধৰণৰ উদাহৰণ কিন্তু ভাৰতত বিৰল। ভাৰত বৰ্ষৰ কোনো অন্য ৰাজ্য চৰকাৰে এই পৰ্য্যায়লৈকে আগবঢ়িব পৰা নাই। আজি এম এম আৰ, আই এম আৰ ৰ কথা কোৱা হৈছে, কিন্তু এম এম আৰ, আই এম আৰ ৰ যিটো তথ্য সেই তথ্যটো চৰকাৰী ভাৱে ওলোৱা নাই, কিন্তু ২০০৪-০৫ চনত যেতিয়া আমি এম এম আৰ চাইছিলো সেই এম এম আৰ, আই এম আৰ টো এক লাখ মানুহৰ উলিয়াছিল। অৰ্থাৎ এক লাখ মানুহৰ ভিতৰত কিমান সেই সময়ত ৪৮০ জন আছিল। ২০১৮-১৯ বৰ্ষত হ'ল ২১৫ জন। এতিয়া আজিৰ দিনটোত এম এম আৰ হ'ল আমি পোৱা তথ্য অনুসৰী এম এম আৰ ত ১৫০, অৰ্থাৎ এক লাখত ১৫০ জনলৈ নামিছে। তেনেকৈ আই এম আৰৰ ক্ষেত্ৰতো ৬৮ জন আছিল ২০০৪-০৫ বৰ্ষত। ২০১৮-১৯ বৰ্ষত আহি গ'ল ৪১ জনলৈ। আজিৰ যিটো তথ্য যদিও সেই তথ্যতো প্ৰকাশ হোৱা নাই তথাপি কব পাৰি যে আমি ২০ জনলৈ আহি পাইছোঁ। এই গোটেই কথাখিনি নিয়ন্ত্ৰণ হৈছে আৰু এইখিনি হৈছে স্বাস্থ্য বিভাগ আৰু আপোনালোকৰ প্ৰত্যেকৰ সহযোগিতাৰ কাৰণে মই আপোনালোকক প্ৰত্যেককে এই কাৰণে কব বিচাৰিছোঁ যে আমাৰ বিধায়ক সকলেও নিজৰ নিজৰ সমষ্টিত স্বাস্থ্য বিভাগৰ লগত জড়িত। গতিকে এই কথাখিনি মই আপোনালোকৰ আগত দাঙি ধৰিলো কভিড সংক্ৰান্তীয় কথাই হওঁক বা অন্যান্নয়ে হওঁক। এতিয়া কিড্‌নীৰ কথাটো আপোনালোক প্ৰত্যেকে কৈছে যে কিড্‌নী ট্ৰেন্সপ্লেট, যেতিয়া কিড্‌নী ট্ৰেন্সপ্লেট কৰিব লাগে তেতিয়া ইয়াৰ বাবে এখন আইন আছে। The Transplantation of Human Organs and Tissues Act, 1994. এই আইন খনৰ মতে গোটেই কামখিনি

হয়। এই আইন মতে আমাৰ এখন কমিটি আছে। য'ত ডাইৰেক্টৰ অৱ হেল্ড চাৰ্ভিছ্ সভাপতি আৰু বাকীবোৰ ডাক্তৰ সদস্য হিচাপে আছে আৰু লগতে প্ৰিন্সিপালো আছে এনেধৰণে। এতিয়া ইয়াত অৰ্গেন ট্ৰেন্সপ্লেনটেচনৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা আছে এই ব্যৱস্থাখিনি অকল বিধান সভাত ওলোৱাৰে নহয়, সংবাদ মাধ্যম আদি সকলোতে ওলোৱাত আমাৰ সকলোৰে বস্তুটো দৃষ্টিগোচৰ হৈছে। আমিও চালো, চাই আমি দেখিলো ইয়াত এই অৰ্গেন ট্ৰেন্সপ্লেন্টত কেবা ধৰণে নিয়ম আছে। নিজৰ একবাৰে ভিতৰত যদি দিব পাৰে মাক-দেউতাক, লৰা-ছোৱালী, স্পাউচ, তাৰ পিছ্‌ক ক'কাক-আইটাক এনেকৈ মিলি, এইটো এটা গ্ৰুপ। এইটো গ্ৰুপত দিলে বিশেষ কথাবতৰা তাত নাই। তাৰ পিছত আইন খনে দিছে এটা একেবাৰে ওচৰ সম্পৰ্কীয়, এইটোৰ যিটো দেফিনেচন সেই দেফিনেচনটোত কোনোবা বন্ধুও হ'ব পাৰে, ইয়াতে লিখা আছে যে বন্ধু, মোৰ ঘৰৰ চিনাকী বা ইমান দিন মোৰ লগত মোৰ ড্ৰাইভাৰ জন আছে তেওঁ মোৰ লগত ১০ বছৰ গাড়ী চলাইছে, মোৰ ঘৰুৱাৰ নিচিনাৰ দৰে হৈ গ'ল, তেওঁ একেবাৰে ওচৰৰ সম্পৰ্কীয়। এই যিবিলাক দেফিনেচন এই দেফিনেচন বিলাকৰ মাজত আমাৰ দায়িত্বটো হৈছে এন ও চি দিয়া ইয়াত। এন ও চি খন চাপোৰ্টেড বাই মেনি অফেনটিক ডকোমেন্টচ। তাৰমানে কেনেকৈ চাপোৰ্ট হয় আপুনি এফিডদেফিড লৈ আহক মই আমুক হয়, আপুনি চৰ্কোল অফিচাৰৰ পৰা লিখা লৈ আহক মই আমুক হয়, মণ্ডলে এইটো ৰিপোৰ্ট দিব লাগে। এতিয়া আমাৰ যিখন কমিটি তেওঁলোকে সেই গোটেই ড'কোমেন্ট বিলাক পায়। এফিদদেফিড মানে কি মেজিচট্ৰেডৰ ওচৰত গৈ কৰি অনা এখন ড'কোমেন্ট, গতিকে সেই খন পাই এইখন পাই তাৰ পিছতো তেওঁলোকে ভিডিঅ' কলিং কৰি কয় তেতিয়া মুখামুখিকৈ হয় তেওঁলোকক ভালকৈ সোধে, সবে কয়, আমি কোনো পইচা লোৱা নাই আমি তেওঁৰ আত্মীয় হয়, ঠিক সেই ধৰণে আমাৰ পৰা এন ও চি যায়। এইখিনি কথা সকলো ড'কুমেন্টত, আপোনালোকৰ কথাবোৰ ওলোৱাৰ পিছত আমি তন্ন তন্নকৈ চালো, যে কাগজে পত্ৰই শুদ্ধ, তাত ক'তো গণ্ডোগ'ল নাই। কিন্তু ইয়াৰ আচল অথৰীতি হৈছে যি ৰাজ্যত লয় সেই ৰাজ্যৰ যিখন কমিটি তেওঁলোকৰ। আমাৰ মানুহ সঘনাই যায় ওৱেষ্ট বেংগ'ল, কাৰণ আমাৰ ওচৰো হয়, কথা বৰ্তাও ভাল, হাইদাৰাবাদ চাউদত গলে ভাষা জ্ঞান বহুত বেলেগ। ইয়াত ভাল মানুহ, ইয়ালৈ যায়। ওৱেষ্ট বেংগ'লৰ যিখন কমিটি এতিয়া আমাৰ অসমত যেতিয়া অলপ অলপ গণ্ডোগ'ল হ'ল সেই কমিটিখনো অলপ ষ্ট্ৰিক হৈছে। বহুত মানুহ তাৰ পৰা ঘুৰি আহিব লগা হৈছে। তেওঁলোকে ইয়াৰ আগতে এইখিনি ইমান চোৱা নাছিল বা এংকাৰেষ্ট কৰিছিল পাইছিল। এতিয়া আমাৰ ইয়াত ট্ৰেন্সপ্লেন্ট হলে আমাৰো এখন তেনেকুৱা কমিটি মেডিকেল কলেজত আছে। এই খনৰো উপৰিও আমাৰো ইয়াত এখন কমিটি মেডিকেল কলেজত আছে। এখন NOC দিয়া আৰু এখন Transplant কৰা। কভি'ডৰ সময়ৰ পৰা প্ৰায় ডেৰ দুই বছৰে বৰ বিশেষ transplant আমাৰ ইয়াত হোৱা নাই। গতিকে আমাৰ গোটেই দায়িত্বতো NOC issue, তাত যদি কোনোবা দালাল লাগিছে, কিবা লাগিছে, এইটো অপৰাধ। এইটো অপৰাধ হিচাপে পুলিচে ব্যৱস্থা ল'ব। এতিয়া এই কথা বতৰা ওলোৱাৰ পিছত বিভাগে সচেতন হৈছে আৰু আমি জনাত কিছু নিয়ন্ত্ৰণ হৈছে। ডাক্তৰে NOC দিবলৈ যাওঁতে যিখন আইন আছে, সেই আইনত যিকেইটা provision আছে, সেই আইনখনত থকা provision মতে NOC দিয়ে।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনত গোটেইখিনি শুদ্ধকৈ আছে। কিন্তু যিটো অসৎ চক্ৰই কৰে বুলি কয়, যিটো চক্ৰত সকলোৱে সহযোগ কৰিছে, তেনেকৈ যদি কাৰোবাক ফুচুলাই দিয়ে, এই কাৰ্য্যটোত আইনে শাস্তি প্ৰদান কৰে।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিন্তু এই বিষয়টোৰে বিধান সভাত আলোচনা হোৱাৰ কাৰণে গুৰুত্ব পাইছে। নিজে নিজেও বহুত নিয়ন্ত্ৰণ হ'ব আৰু আমাৰ ফালৰ পৰাও যথেষ্টখিনি সচেতন হয়, যাতে এই বিষয়তো আৰু বাঢ়ি যাব নোৱাৰে।

আমাৰ ইয়াত অটল অমৃত কাৰ্ডৰ কথা কৈছিল সন্মানীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই আৰু বিৰোধী দলৰ দলপতি ডাঙৰীয়াই। আমাৰ কেইবাখনো আঁচনি আছিল, স্নেহস্পৰ্শ, অসম আৰোগ্য নিধি, অটল অমৃত অভিযান, প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু জন্মগতভাৱে হৃদ ৰোগৰ যি বিসংগতি থাকে ইয়াৰ কাৰণেও এখন আঁচনি আছে। এই আটাইকেইখন আঁচনি কাৰ্য্যকৰী কৰি আছো। এই ক্ষেত্ৰত যিখিনি simplify কৰিবলগীয়া কথা আছে, ক'ৰবাত ক'ৰবাত হয়তো অটল অমৃতে গৈ পাওঁতে অসুবিধা হৈছে, PMGSY ৰ ক্ষেত্ৰতো কিছু দালাল সোমাইছিলে। এইবিলাক এতিয়া আমি নিয়ন্ত্ৰণলৈ আনিছো। এইখিনি আঁচনিৰ জৰিয়তে সকলোৰে ইতিমধ্যে উপকৃত হৈ আছে আৰু উপকৃত হ'ব বুলি ভাৱিছো।

এটা কথা আমাক কৈ আছিল যে ক'ভিডৰ কাৰণে বাকী চিকিৎসাবিলাক বন্ধ হৈছে নেকি ? মই নিজেও খবৰ কৰিলো আৰু চালো। এতিয়া ধৰক গুৱাহাটীত Super Speciality হস্পিতাল, MMC হস্পিতাল, কালাপাহাৰ হস্পিতাল খনতো ক'ভিড ৰোগী আছিল। এইবিলাক হস্পিতাল আমি general hospital লৈ গ'লো। কেৱল 200 ICU য'ত বনাইছিলো সেই ঠাইখন আছে, সৰুসঁজাইত আছে 300 ICU আৰু গুৱাহাটী মেডিকেল কলেজৰ Emergency ৰ ওপৰত আছে, এইখিনি সীমাতে আছে। বাকী যিমানখিনি general OPD আছিল, মই তালিকা এখন আনিছো, ১৪৫৭ জন বিভিন্ন OPD ত মানুহ গৈছে চিকিৎসাৰ বাবে। গতিকে অন্যখিনি চিকিৎসাও এতিয়া ইয়াত হৈ আছে।

এই সদনতে কেন্সাৰ বেমাৰ কথা কৈছিল। কেন্সাৰ বেমাৰৰ ক্ষেত্ৰত মই কেইটামান কথা আপোনালোক জনাব খুজিছো যে অসমত Tata Trust লগত MOU কৰিছিলে। তাৰ পিছত Tata Trust ৰ ১৮ খন কেন্সাৰ হস্পিতাল নিৰ্মাণ কৰাৰ ঠিক কৰা হ'ল। তাৰে এখন তেতিয়া স্বাস্থ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মেডিকেল কলেজৰ লগত ২০০ বিছনাযুক্ত এখন কেন্সাৰ হস্পিতাল আৰম্ভ কৰিছিলে। সেই কাম চলি থাকোতে আমাৰ Tata Trust লগত আলোচনা হ'ল। আমি এইখন State Cancer Institute হিচাপে ৰাখিলো। তাত আমাৰ অন্যান্য advance lab আছিল, Nuclear medicine ৰ ব্যৱস্থা আছে, বিশেষকৈ Linear machine ৰ কথা কৈছে বা শুনি আছে, সেই মেচিন আমি ইয়াত আনিছো, CAPCT ইয়াত হৈছে, Digital Mammography হৈছে। OT ৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা থাকিব লাগে, সকলো সম্পূৰ্ণ আছে আৰু অতিৰিক্ত ভাৱে আমাৰ ইয়াৰ থকা বিশেষকৈ বিষয়টো হ'ল Research and Education, ইয়াৰ পৰা মেডিকেল কলেজৰ নিচিনা কেন্সাৰৰ ওপৰত Research আৰু শিক্ষাও হ'ব। যিকেইখন হস্পিতাল ইয়াৰ ওপৰিও লোৱা হৈছে যেনে ডিব্ৰুগড়, বৰপেটা, তেজপুৰ, শিলচৰ, যোৰহাট, ডিফু এইকেইখনত Research and Education নহ'ব বাকী সকলোখিনি হ'ব। অসমত ১৮ খন হস্পিতালৰ কথা কৈছো তাৰে ৭ খন ডিচেম্বৰ মাহলৈকে হৈ উঠিব আৰু মাৰ্চ মাহৰ ভিতৰত প্ৰায় ৯ খন হ'ব। State Cancer Institute ৰ কাম চলি আছে, তাত চিকিৎসা আৰম্ভ হৈছে। কিন্তু সকলো সম্পূৰ্ণ কৰিবলৈ প্ৰায় ১ বছৰ লাগিব। গতিকে গোটেইখিনি সম্পূৰ্ণ হৈ উঠাৰ পিছত আমি কেন্সাৰৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিম।

মোৰ প্ৰশ্নকালৰ সময়ত এটা কথা মোক কৈছিল মাননীয় সদস্য শ্ৰী পৰমানন্দ ৰাজবংশী

ডাঙৰীয়াই পাতিদৰঙত investigation কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়ে নির্দেশ দিলে investigation সোনকালে কৰিবলৈ। সেই প্ৰশ্নকালৰ দিন আছিল **১৬** জুলাই, সেইদিনাই আবেলি আমি এখন কমিটি গঠন কৰি তদন্ত কৰাৰ দায়িত্ব দিলো আৰু তদন্তৰ ৰিপোর্ট মোৰ হাতত **২৭** জুলাইত পৰিল। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে পাতিদৰঙৰ তদন্তৰ ৰিপোর্টতো আজি মই সদনত দাখিল কৰিছো। মোক **১৫** দিন সময় দিয়া হৈছিল, কিন্তু **১২**, **১৩** দিনত বিভিন্ন expert গাঁৱে গাঁৱে গৈ খবৰ কৰি, তাৰ পিছত এইখিনি ৰিপোৰ্ট দিছে, এই প্ৰতিবেদনখন মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদনত দাখিল কৰিলো।

মেডিকেল কলেজৰ ক্ষেত্ৰত কেইজনমান বক্তাই কথা ক'লে। মই চমুকৈ মেডিকেল কলেজৰ ক্ষেত্ৰত কথাখিনি ক'ম। ৰাজ্যত মেডিকেল কলেজৰ ভিতৰত **৭** খনত শিক্ষা আৰু চিকিৎসা দুয়োটাই চলি আছে। **৮** নম্বৰ খন মেডিকেল কলেজ হস্পিতাল হৈ আছে, তাত শিক্ষা দিয়াৰ কাৰণে আমি National Medical Council ৰ permission ৰ অপেক্ষাত আছো। এই ক্ষেত্ৰত under construction হৈ আছে ধুবুৰী মেডিকেল কলেজ, এইখন **২০২২** চনৰ ভিতৰত আমি কৰিব পাৰিম বুলি ভাবিছো, নগাওঁ মেডিকেল কলেজ **২০২৩** চনৰ ভিতৰত পাঠ্যক্ৰম হ'ব বুলি ভাবিছো, নলবাৰী মেডিকেল কলেজ **২০২২** চনৰ ভিতৰত হ'ব বুলি ভাবিছো, কোকৰাঝাৰ মেডিকেল কলেজ **২০২৩** চনৰ ভিতৰত পাঠ্যক্ৰম হ'ব বুলি ভাৰিছো, তিনচুকীয়া মেডিকেল কলেজ **২০২৩** চনৰ ভিতৰত পাঠ্যক্ৰম হ'ব বুলি ভাবিছো। বিশ্বনাথ আৰু চৰাইদেউ মেডিকেল কলেজৰ construction হৈ আছে, ইয়াৰ কামো **২০২২**, **২০২৩** চনৰ ভিতৰত সম্পূৰ্ণ হ'ব। এইকেইখনৰ লগত যিহেতু কথাখিনি আহিছে আৰু কেইটামান কথা কৈ যাব লাগিব গুৱাহাটীত আৰু মেডিকেল কলেজৰ ঘোষণা কৰিছে, আমি মাটিও পালো, টকাও অনুমোদন কৰিলো, কিন্তু তাত অকনমান কেচ থকাৰ কাৰণে কামটো পলম হৈ আছে। এই সমস্যাটো নাইকিয়া হলে আমি মেডিকেল কলেজৰ কামটো আৰম্ভ কৰিব পাৰিম। গোৱালপাৰা মেজিকেল কলেজৰ ক্ষেত্ৰতো মাটিৰ কথাৰ বাবে ৰৈ আছে। মাটিৰ সমস্যা সমাধান হ'লে হ'ব। কৰিমগঞ্জ মেডিকেলৰ কথাটো তেওলোকে ভালকৈ জানে , সদনতো এই কথাটো আনিছে, ইয়াত মাটিটো সৰ্ব্বসন্মতভাবে চেটেল হ'লে হ'ব।

**শ্ৰীসিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মাজতে এটা কথা ক'ব বিচাৰিছো। আমি ৫ গৰাকী বিধায়কে একমত হৈছো যিটো ঠাইত মেডিকেল কলেজখন কৰিব খোজে আমাৰ সহমত থাকিব। বি জে পিৰ বিধায়ক দুগৰাকীৰ লগতো আমি এই ক্ষেত্ৰত একমত হৈছো। আপোনালোকে ঠাই ঠিক কৰক আমাৰ কোনো আপত্তি নাই।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, আলটিমেটলী মেডিকেল কলেজখন হ'ব লাগে। যদিও এইবাৰ বাজেটত নাই আগৰ বাজেটত কিন্তু আছে। এক্সপাৰ্ট টীম পঠিয়াওক বা নপঠিয়াওক এইটো আপোনালোকৰ কথা কিন্তু মেডিকেল কলেজখন কৰিমগঞ্জত হ'ব লাগে।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আপোনালোকৰ সহমতৰ কথাটো জনাম। মৰিগাওঁ জিলাত মেডিকেল কলেজৰ বাবে মাটি ফাইনেল হৈছে। ধেমাজিত আমাৰ টীম গৈছে মাটি হেগু অভাৱ হ'বলৈ বাকী আছে। তামুলপুৰত মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ২৬ জুলাইত ফাউণ্ডেশ্যন আৰম্ভ কৰিলে। বঙাইগাঁওত মাটি দিলেই লগে লগে কাম হ'ব। গোলাঘাটতো মাটি পালে আমি কাম কৰিম। আপোনালোকে শুনি সুখী হ'ব মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াই এইবাৰ বাজেটত এনাউন্স কৰা যিকেইখন মেডিকেল কলেজ তাৰ বাবে আগতীয়াকৈয়ে পুঁজিৰ ব্যৱস্থা কৰিছে। প্ৰতিখনৰ বাবে ৫০০ কোটিকৈ টকা পুঁজিৰ ব্যৱস্থা কৰিছে। আজিৰ দিনটোত আমাৰ হাতত পুঁজি প্ৰস্তুত আছে মাটিটো ফাইনেল হ'লে কাম আৰম্ভ হ'ব। কৰবাত অৰ্দ্ধসমাপ্ত যদি আছে সেইখিনিও হ'ব। পুঁজিটো এচ ও পি ডি ত নহয় বেলেগধৰণে যোগাৰ কৰিছে। কালি তেখেতে ফাইনেল কৰিছে। ফাইনেল কৰাৰ পিছত আমাক জানিবলৈ দিছে। এখন মেডিকেল কলেজত ১০০ জনকৈ হ'লে এতিয়া আমি ৭ খন মেডিকেল কলেজত আমি ৭০০ ডাক্টৰ পাওঁ। এই তালিকাত দিলো তাত ২৩ খন মেডিকেল কলেজ আছে। এই ২৩ খন মেডিকেল কলেজ যদি হয় বছৰি আমি ২৩০০ ডাক্টৰ পাম। ডাক্টৰৰ অভাব তেনেকৈ নহ'ব। আপোনালোকে চাওক যিটো অভাৱ এইখিনি টেকনিকেল মানুহৰ অভাৱ। এইটো এনেকুৱা নহয় আজি এডভাৰ্টাইজ দিলে লাখ লাখ এপ্লাই কৰিব। আমি যদি ৫০০ পোষ্টৰ এডৰ্ভাটাইজ দিও এপ্লাই কৰে ৩৫০ জনে। এপইন্টমেন দি জইন কৰিবলৈ কওঁতে ২০০ নে ২৫০ মানেহে জইন কৰিলে, বাকীকিনিয়ে নকৰিলে। এনেকুৰা ধৰণৰ এটা অসুবিধা হৈছে। আমাক কয় প্ৰাইভেটে কেনেকৈ ডাক্টৰ পায়। প্ৰাইভেটটো চ'চাইটিৰ পাৰ্ট আমি কমপিটিশ্যন বা হিংসা কৰিবলৈ নহয় কাৰণ তেওলোকেতো চাৰ্ভিছ দি আছে। পি এম জি এচ ৱাই ফাণ্ড আমি প্ৰাইভেটতো দি আছো। এম পেনেল কৰি দি আছো। আমাৰ কোনোবা মানুহে যদি চৰকাৰী হস্পিটেলত কৰা নাই প্ৰাইভেটত গৈছে, প্ৰাইভেটতো তেওঁ অটল অমৃতৰ স্কপ পাইছে। প্ৰাইভেটতো পি এম জি এচ ৱাই ৫ লাখলৈ টকা পাইছে। বা দুই লাখ পাইছে। গতিকে আজি সদনৰ পৰা এইটো মেচেজ পঠোৱা হৈছে যে প্ৰাইভেট হওঁক চৰকাৰী হওঁক সকলোতে আমি স্বাস্থ্য সেৱা পাব লাগে আৰু চৰকাৰে সকলোকে সহযোগ আগবঢ়াইছে।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** ৰেডিওলোজিষ্ট আৰু পেৰামেডিকেলৰ অভাৱটো অলপ বেছি। যদি তাৰ কাৰণে ইনষ্টিটিউশ্যন খোলা হয় মেনপাৱাৰ প্ৰভাইড কৰিব ছাৰ।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** পেৰা মেডিকেলৰ ৬ ধৰণৰ ক'ৰ্চ আমাৰ ইয়াত আছে। আৰু ক'ৰ্চ খুলিবলৈ আমি প্ৰস্তুত । স্বাস্থ্য বিভাগে ইয়াৰ আগতেও তেনেধৰণৰ কথা চিন্তা কৰিছিলে । কিন্তু যেনেধৰণে আগবঢ়া যায় সেই ধৰণে হোৱা নাই গতিকে আমি আকৌ পৰ্য্যালোচনা কৰিছো। পেৰা মেডিকেলখিনি আমি যেনে তেনে কৰিছো। আমি নাৰ্চৰ স্কুলৰ পাৰ্মিশ্যন দিছো, নাৰ্চ ওলাইছে লেব টেকনিচিয়ান ওলাইছে। গতিকে সেইখিনি আমি ঠিক কৰিম। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কেইটামান কথা কৈছিলে ইয়াত উত্তৰ দিয়া নাই, তেখেতৰ সমষ্টিৰ বিষয় আমি ঠিক কৰি ল'ম। গতিকে অধ্যক্ষ মহোদয় এইখিনি কথা মই আজি দাঙি ধৰিছো। ইয়াৰ ওপৰিও এইমচখনৰ ক্লাছ হৈ আছে। এইমছ খন যদিও চেন্ট্ৰেল গভৰ্ণমেন্টৰ আমি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে এইম্ছৰ কাম ক্ষিপ্ৰতৰ হ'ব লাগে। তেখেতে কৈছে দায়িত্ব লৈয়ে প্ৰথমে অসমৰ এইমছ ৰিভিউ কৰি আমি কাম আগবঢ়াম। ড্ৰোণৰ সহায়ত চাম , চাৰ্ভে কৰিম। কেৱল আমি ষ্টেটৰ যিখিনি দায়িত্ব ৰাস্তা- পানী যি লাগে আমি সহযোগ কৰিছো। এইমছখন সোনকালে হ'ব। আয়ুৰবেদিক মেডিকেল কলেজৰ যিখিনি কথা সেইখিনিও আৰম্ভ হৈছে।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** ছাৰ , লেব'ৰেটৰী টেকনিচিয়ান এইটোও বৰ অভাব হৈছে।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** লেব'ৰেটৰি টিকনিচিয়ানৰ ইন্টাৰ্ৰভিউ আমি পাতিছো। ইতিমধ্যে আমি লেব টেকনিচিয়ান আৰু ডক্টৰসকলৰ ইন্টাৰভিউ পাতি থৈছো সেইখিনি হ'ব। প্ৰায় ১০ হাজাৰ পোষ্টত আমাৰ কেবিনেটে তৎকালীনভাৱে কৰাৰ বাবে ব্যৱস্থা

ল'ব। আমি চেষ্টা কৰিছো যিকোনো প্ৰকাৰে আমি ৩-৪ মাহৰ ভিতৰত ইন্টাৰভিউ লৈ বিশেষকৈ আমি টেকনিকেল মানুহখিনি দিব পাৰো । আমি শিলচৰত কনট্ৰেক্টুৰেলত বাহিৰৰ পৰা প্ৰফেচৰ অনাৰ ব্যৱস্থা কৰিছো। এনেকৈও কাম হাতত লোৱা হৈছে। মই প্ৰতিগৰাকী সন্মানীয় বিধায়কক ধন্যবাদ দিছো লগতে সহযোগিতাও বিচাৰিছো।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় মন্ত্ৰী মহোদয়, লগতে AYUSHৰ বিষয়ে ক'লেও অলপ ভাল পাম। প্ৰফেচৰ সকলৰ প্ৰমোশ্যনৰ কথাটো চায়, আমাক ফেকাল্টি বহু লাগিব। গতিকে এম চি আই (MCI) ৰ নৰ্মচখিনি যাতে যিমান পৰা যায় মেইনটেইন কৰে নহ'লে কোৱালিটি অৱ এডুকেশ্যনটো বেয়া হ'ব পাৰে । এই দুটা কথা বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** আজি আমি আয়ুসৰ বিষয়েও এটা পৰ্য্যালোচনা কৰিছো। আয়ুসৰ কথাটো কি হৈ আছে তাতে যিখিনি পোষ্টত মানুহ আছে তেওলোকৰ প্ৰমোশ্যন হ'লে দুই চাৰিটা পোষ্ট ফিল আপ হয় বা কৰবাত সেই কোৱালিফিকেশ্যনৰ মানুহ নাই । বহু খিনি ৰিটায়াৰমেণ্টত গৈছে। সন্মানীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া তাৰে চেয়াৰমেন। তেখেতৰ সমষ্টিতে পৰে। আমি AYUSHত যিমানখিনি পাৰে ইমিডিয়েট প্ৰমোশ্যন কৰিবলৈ কৈছো। যিখিনি খালি হয় পোষ্ট তাত যাতে আমি এপইন্টমেন্ট দিব পাৰো। এই ব্যৱস্থা লোৱা হৈছে। আৰু এটা সুখৰ কথা আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়া এতিয়া AYUSH বিভাগৰ মন্ত্ৰী হৈছে। গতিকে তেখেতকো আমি পাইছো যিটো আমাৰ ক্ষেত্ৰত সুবিধা হ'ব। AYUSHৰ ক্ষেত্ৰত ইতিমধ্যে আমি প্ৰক্ৰিয়া আৰম্ভ কৰি দিছো। যিখি নি কমপ্লেইন আপোনালোকে শুনিছে আমিও শুনিছো আৰু শুনি এই ব্যৱস্থা লোৱা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত ICU Bed কেইখনমান কৰিছে। কিন্তু তাত অক্সিজেনৰ প্ৰয়োজন আছে। যাৰ কাৰণে ICU কেইখনৰ কাম আৰম্ভ কৰিব পৰা নাই। এই বিষয়ে সদনৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় স্বাস্থ্যমন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে ক'ভিডৰ প্ৰথম ড'জটো সকলো মানুহক কেতিয়া দিয়া শেষ হ'ব? যিহেতু **১৫** আগষ্টৰ ভিতৰত দিয়াৰ কথা কৈছিল আৰু আমাৰ ক'ভিড পৰীক্ষা যিসমূহ ঠাইত কৰা হোৱা নাই সেইবোৰ ঠাইত পৰীক্ষা কৰা শেষ হ'লনে? ক'ভিড-১৯ ৰ দ্বিতীয় ড'জটো ১৮ বছৰৰ ওপৰৰ লোকক কেতিয়া দিয়া শেষ হ'ব? ১৮ বছৰৰ তলৰ সকলৰ বাবে কি প'লিচি আছে? সেই বিষয়ে সংক্ষেপে ক'লে ভাল হয়।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৮ বছৰৰ তলৰ সকলৰ বাবে ৰাজ্যচৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে প'লিচি ল'ব নোৱাৰে। বিশেষজ্ঞ বা বিজ্ঞানীসকলৰ পৰা যি ধৰণৰ নিৰ্দ্দেশনা আহে সেই মতে কৰা হ'ব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৮ বছৰৰ তলত দিয়া হ'ব বুলি কোৱা হৈছে।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৮ বছৰৰ তলত দিয়া হ'ব বুলি কোৱা হৈছে কিন্তু এতিয়ালৈকে কোনো স্পষ্টকৈ নিৰ্দ্দেশনা অহা নাই। যেনেকৈ ১৮ বছৰৰ পৰা ১২ বছৰলৈকে অহা নাই। এতিয়া বাকী যিখিনি কথা ক'লে সেই বিষয়ে মই অলপ আগতে

কৈছিলো যে দ্বিতীয় ড'জ যেতিয়া ল'ব লাগে সেই সময়তে পাব। কাৰণ এই ড'জটো আগতীয়াকৈ দিব নোৱাৰি। মই যদি ক'ভিশ্বীল্ড লৈছো তেন্তে ৮৪ দিন হোৱাৰ পিছতহে মই দ্বিতীয় ড'জটো ল'ব পাৰিম। আপোনালোকে নিশ্চিত থাকক যে যেতিয়াই দিন পৰে কোনো লোকে ঘূৰি যাব নালাগে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম ড'জটো দিয়া আমাৰ সম্পূৰ্ণ হৈছে নেকি?

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম ড'জটো দিয়া আমাৰ সম্পূৰ্ণ হোৱা নাই। মই আজি ইয়াত হিচাপ দিলো যে ৯৫ লাখ হৈছে আৰু দ্বিতীয় ড'জ যাৰ পাবলগীয়া আছে তেওঁ লগে লগে পাই গৈ থাকিব। প্ৰথম ড'জটো প্ৰত্যেক দিনাই ডেৰ লাখৰ পৰা দুই লাখকৈ দি গৈ আছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে কৈছিল যে ১৫আগষ্টৰ ভিতৰত দিয়া শেষ হ'ব। মই কোনো তৰ্ক কৰিব বিচৰা নাই। কেৱল জানিব বিচাৰিছো যে প্ৰথম ড'জটো কেতিয়ালৈকে শেষ হ'ব? ভেকচিন ল'বলৈ লাইন ধৰিছে কিন্তু ড'জটো দিব পৰা নাই। তাৰ পৰাও বহু লোকৰ ক'ভিড হৈছে। এনেকুৰা হৈছে যে ৭০ জন মানুহক দিব পাৰে কিন্তু ৫০০ জন মানুহ ড'জ ল'বলৈ গৈছে। গতিকে বাকী মানুহবিলাক উভতি আহিছে। গতিকে যদি স্পষ্টকৈ গাওঁসমূহত কৈ দিয়ে যে আপোনালোকৰ ইয়াত ৭০ জন মানুহ আহিব তেতিয়া ৭০ জন মানুহেই আহিব। তেতিয়া সামাজিক দূৰত্বও থাকিব। স্পষ্টকৈ কওঁক যে পৰ্য্যায়ক্ৰমে যেতিয়া ভেকচিন আহে আমি এই বছৰৰ ভিতৰত শেষ কৰিম। কাৰণ **১৫** আগষ্টৰ ভিতৰত দিয়াৰ কথা কৈছিল। গতিকে প্ৰথম ড'জটো কেতিয়া দিয়া শেষ হ'ব? দ্বিতীয় ড'জটোৰ ক্ষেত্ৰত ঠিক আছে। কাৰণ নিৰ্দ্ধাৰিত সময় বঢ়াই দিছে। আমাৰ এতিয়া ভয় হৈছে কাৰণ আমাৰ কোনো অন্য বেমাৰ হয় নেকি? আমি যেতিয়া প্ৰথম ভেকচিন লৈছিলো তাৰ ২৮ দিনৰ ভিতৰত দ্বিতীয় ড'জ টো দিয়া হৈছিল আৰু আমি ২৮ দিনৰ ভিতৰতলৈ ল'লো। এতিয়া আৰু ২৮ দিনৰ পৰা বঢ়াই দিলে। গতিকে অলপ কনফিউজন হৈছে। আপুনি সেইখিনি স্পষ্ট কৰি দিলে ভাল হয়। মই কোনো বিতৰ্কত যাব বিচৰা নাই। প্ৰস্তুত কাৰকে যদি দিয়া নাই আপোনালোকে ক'ৰ পৰা দিব? গাওঁসমূহত স্পষ্টকৈ কৈ দিলে ভাল হয়। তেতিয়া চেণ্টাৰসমূহত মানুহবোৰে ভিৰ নকৰিব। মই সেইটোহে ক'ব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে এটা সময়ত মানুহে লবলৈ নাহে আৰু এতিয়া বেছিকৈ ল'বলৈ আহিছে। কথাখিনি ইমানেই। কথাখিনি হ'ল যে একেটা চেণ্টাৰত আমি ৫০ বা ৭০ টা নহয় ২৫০ টা মিনিমাম পঠাওঁ। যিটো টীম থাকে তেওঁলোকে তেওঁলোকে মিনিমাম ২৫০ জন মানুহক দিব পাৰে। হয়তো তিনি শ বা চাৰে তিনিশ মানুহ আগবাঢ়ি আহিছে। সেইকাৰণে তেওঁলোক ঘূৰি গৈছে। এই মতেই গোটেই চেণ্টাৰ সমূহ পৰিচালনা কৰি থকা হৈছে। আজিৰ দিনটোত গোটেইখিনি নিৰ্ভৰ কৰিছে পাবলগীয়া সৰবৰাহৰ ওপৰত। আমি যিখিনি পাওঁ তাৰ পৰাই ভেকচিন দি আছো। ভেকচিন দিয়া বাবে ৰাজ্যচৰকাৰৰ যিখিনি স্বাস্থ্য কৰ্মী আছে তেওঁলোকৰ শক্তিটো আমি দেখিছো যে পাঁচ লাখ ভেকচিন দিবলৈ তেওঁলোকৰ শক্তি আছে। মানে পাঁচ লাখ ভেকচিন দিবলৈ আমি পৰিচালনা কৰিব পাৰিম। কিন্তু কথাটো হৈছে যে পাঁচ লাখ ভেকচিন দিব পাৰিলেও ভেকচিন পোৱাটোৰ ওপৰত নিৰ্ভৰ কৰে। তাৰ পৰা আমি যি হিচাপ পাই আছো সেই হিচাপে ভেকচিন প্ৰদান কৰা হৈছে। আমি যেতিয়া

জুলাই মাহৰ ২১ তাৰিখে প্ৰথম তিনি লাখৰ টাৰ্গেট লৈছিলো তেতিয়া কৈছিলো যে আমি এনেধৰণে দিলে **১৫** আগষ্টৰ ভিতৰত এটা পৰ্য্যায় পাব। কিন্তু আমাৰ ইয়াত যিহেতু চাপ্লাই নাই আৰু চাপ্লাইটো আমাৰ মতে নহয়। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভেকচিন কিনি ল'ব কৈছিল। আমি **৪৫** কোটি টকাৰ ভেকচিন এটা সময়ত কিনি ল'লো। এতিয়া কিনাটো বন্ধ হৈ গৈছে। এতিয়া কেন্দ্ৰীয় চৰকাৰে কিনি আমাক দি আছে। গতিকে এতিয়া কিনি ল'বলৈও বেলেগ বজাৰ নাই যে ক'ৰবাৰ পৰা আমি ভেকচিন কিনি লৈ আহিম। সেইকাৰণে প্ৰকৃত পৰিস্থিতি চাপ্লাইৰ ওপৰতে নিৰ্ভৰ কৰি আছে আৰু এটাৰ ওপৰত নিৰ্ভৰ কৰিব যে যাৰ দ্বিতীয় ড'জ লোৱাৰ সময় হৈছে তেওঁক দ্বিতীয় ড'জটো দি ল'ব লাগিব। তাৰ কাৰণে চাপ্লাই যথেষ্ট আছে তাত কোনো অসুবিধা নাই।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি যিহেতু এই বিষয়টো মই উত্থাপন কৰিছিলো এই প্ৰসংগত মই কিছু স্পষ্টীকৰণ বিচাৰিছো। দ্বিতীয় ড'জটো কোনে লৈ আছে বা লোৱা নাই তাৰ সম্পূৰ্ণ তথ্য স্বাস্থ্য বিভাগৰ হাতত আছে। তেওঁলোকে যদি কয় যে দ্বিতীয় ড'জ ল'ব অহা মানুহে ঘূৰি নাযায়। তেওঁলোকে ল'বলৈ অহা নাই নেকি? তেনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে নেকি যে বহুতে লৈ থকা নাই।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লৈ থকা নাই মানে?

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লৈ থকা নাই মানে আপোনালোকে মাতি আছে কিন্তু ল'বলৈ অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** সন্দেহৰ ওপৰত ইয়াত চৰ্চা চলি থাকিলে কেনেকৈ হ'ব? স্পেচিফিকেলি কওঁক যে কোনোবাই যদি ল'বলৈ যোৱাত দিব নোৱাৰো বুলি কৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মে' মাহৰ পৰা আমি প্ৰথম ড'জ দিয়াটো সৰ্বসাধাৰণ মানুহক আৰম্ভ কৰিছো। তাৰ মানে ফ্ল' টো বাঢ়িছে। মানে মে'ৰ পৰা জুনলৈকে এক মাহৰ ভিতৰত মে' মাহত যিজনে প্ৰথম ভেকচিন লৈছিল তেওঁ জুন মাহত দ্বিতীয় ভেকচিনটো ল'ব লাগিছিল।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় ড'জটোত একো অসুবিধা হোৱা নাই। আপুনি বহক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক'ভিশ্বীল্ডটো দিয়া হৈছে কিন্তু ক'ভাক্সিনটো বোলে আন্তঃৰাষ্ট্ৰীয় ভাৱে বেণ্ড কৰি থৈছে যাব নিদিয়ে। এই বিষয়ে এটা স্পষ্টীকৰণ দিলে ভাল হ'ব।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি ভেকচিনেচনৰ কেম্প কৰা হৈছিল তাত বহু গাওঁ পঞ্চায়ত আৰু বহু এলেকা আছে য'ত ঢুকি নাপায়। আপোনালোকে এনেকুৱা এটা নিয়ম বনাওঁক যাতে সকলোৰে ঢুকি পায়।

**মাননীয় অধ্যক্ষ ঃ** সকলো কথা বহি পেলাই কথা পতাৰ নিচিনাকৈ পাতি থাকিলে বিধান সভা কেনেকৈ চলিব? আৰু মই কিবা এটা ক'লে আৰু ক'ৰবাত কিবা এটা গণ্ডগোল লাগি যাব। এইটো নহয় যে বিধান সভাত বহি সকলো আলোচনা কৰি থাকিব। মন্ত্ৰীয়ে উত্তৰ দিয়া ডেৰ ঘণ্টা হৈ গ'ল। কোন চেণ্টাৰ কি হৈ আছে সেই বিষয়ে আলোচনা কৰি থাকিলে নহ'ব। মন্ত্ৰীৰ উত্তৰত আপোনালোক সন্তুষ্ট নে অসন্তুষ্ট? এতিয়া শিক্ষা বিভাগ আছে। কৃষিবিভাগ আমি আলোচনা কৰিম নে নকৰিম আজিয়েই কৈ দিয়ক। কাৰণ অহাকালি শেষ হ'ব। অহাকালি ১১.৩০ বজাত সদন শেষ হ'ব আৰু সদন পুনৰ পিছবেলা বহিব। নিয়ম মতে আজি দুই বজাত শেষ হ'ব। আপোনালোকে বিচাৰিলে আমি চাৰিটা লৈকে বা ছয় টা লৈকে কৰিব পাৰো মোৰ আপত্তি নাই। কিন্তু আপোনালোকে

মোক ধৰিব নালাগে যে আমাৰ অধিকাৰ আছে। যোৱাকালি কংগ্ৰেছ দলৰ পৰা বিশেষ অসুবিধাৰ বাবে আজি কম বুলি কৈছিল। গোটেইখিনি কথা কেৱল কংগ্ৰেছে ক'বলৈ ৰাখিছিল। ইয়াৰ ওপৰত মই যেতিয়া সময়ৰ কথা কওঁ তেতিয়া সকলোৱে ক'ব পাব লাগিব বুলি কয়। সকলোৱে যদি ইচ্ছা মতে কৈয়েই থাকে কেনেকৈ হ'ব? বিধায়ক হিচাবে বিধায়িনী ব্যৱস্থাৰ বাবে আহিছে। গতিকে দিন ৰাতি আমি বহিব লাগিব। কিন্তু বহিবলৈও ইচ্ছুক নহয়। এতিয়া দুটা বজাৰ পিছত ক'লেও নোৱাৰো বুলি কয় আৰু কম সময়ৰ ভিতৰত সঠিক বিষয়ত কথা পাতিবও নিবিচাৰে। প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ সকলো মানুহকে ছেকেগুতে লাগে। তথ্য দিয়া মানুহৰ হাতত তথ্য নাথাকে আৰু তথ্য ল'বলৈ ফিল্ডত যাব লাগে। তেনেধৰণে চলি থাকিলে বিধান সভাখন আমি যি ধৰণৰ প্ৰক্ৰিয়া আৰু নিয়মৰ মাজত চলাব লাগে আমি নোৱাৰিম। সেইকাৰণে কৈছো শিক্ষা আজি আৰম্ভ কৰিব বিচাৰিছো কিন্তু সদন এতিয়া শেষেই হ'ব। কৃষি বিভাগ এতিয়াও আছেই। গতিকে এটা আমি যিটো দেখিছো এটা বিষয় বাদ দিব লাগিব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক সোনকালে কৰ্ত্তন প্ৰস্তাৱ শেষ কৰিবলৈ অনুৰোধ জনলো।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাই ক'ব বিচাৰিছো যে খুব সুদৃঢ়তাৰে আমি সকলোৱে আলোচনা কৰিছো। এতিয়া ইয়াত যদি politically কিবা কথা ক'বলৈ ওলায়, তেন্তে মইও politically আৰু বহুত ক'ম, তেতিয়া আকৌ পৰিৱেশ বেয়া হৈ যাব। তেওঁ মোক কোনটো Sub-Centre ত কি হৈছে, specifically কওঁক। মই তাৎক্ষণিক ব্যৱস্থা ল'ম। কোনো বিষয়াই সাৰি যাব নোৱাৰিব, সকলোকে যি responsibility fix কৰিব লাগে কৰিম। কিন্তু, ইয়াত যদি ইমান ভালকৈ কথা কোৱাৰ পিছতো ৰাজনৈতিক কথা কয়, তেন্তে মই আৰু বহুত বেছিকৈ ক'ম, পৰিৱেশ বেয়া হৈ যাব। ...(interruption).....

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মন্ত্ৰী ডাঙৰীয়াই তেনেকৈ ক'লে নহ'ব। কোনো ৰাজনৈতিক কথা ক'ব নালাগে। তেখেতে ৰাজনৈতিক কথা ক'লে আমিও ক'ম..

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** সকলো বহক। সেই কাৰণেই মই কৈছো যে প্ৰয়োজনতকৈ বেছি কথা ক'লে এনেদৰেই অলাগতিয়াল কথাবিলাক ওলাই থাকে। এতিয়া সকলো বহক।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সামৰণি মাৰিব বিচাৰিছো । ইয়াত এটা কথা ক'ব লাগিব যে প্ৰত্যেকজন বিধায়কৰ সমষ্টিত কিছু সমস্যা আছে। এই সমস্যাখিনি সমাধান কৰাটো প্ৰয়োজন। গতিকে, জিলা আৰু মহকুমা ভিত্তিত স্বাস্থ্য খণ্ডৰ যিবোৰ প্ৰশাসনিক কথা থাকিব সেই ক্ষেত্ৰত প্ৰত্যেক সমষ্টিত আপোনালোকৰ সহযোগত আমাৰ বিভাগীয় বিষয়াৰ দ্বাৰা এটা audit কৰিম। তাত কেইখনকৈ sub-centre, PHC, CHC, Model Hospital আদি আছে, তাত ডাক্তৰ-নাৰ্চ আছে নে নাই চোৱা হ'ব। অভাৱবোৰ পূৰ কৰিব পাৰিম নে নাই পিছৰ কথা কিন্তু ছবিখনটো হাতত থাকিব লাগিব যে ইমান খিনি অভাৱ আছে, আমি ইমানখিনি কৰিছো। ইয়াততো দলীয় বা শাসক-বিৰোধী বুলি কোনো কথা নাই, আমি সকলোতে আগবাঢ়িব লাগিব। গতিকে, এই কথাখিনি হওঁক। মই আৰু এটা ভাল কথা ক'বলৈ বিচাৰিছো যে ১০০০ খন চিকিৎসালয় স্থাপন কৰা হ'ব আৰু প্ৰত্যেকে সমষ্টিতে চিকিৎসালয় পাব, গতিকে, কিছু হ'লেও অভাৱ পূৰণ হ'ব।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ বিচাৰিছো

.....(interruption)......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মই এটা বাক্যৰ ভিতৰত মন্ত্ৰী মহোদয়ক এটা কথা সুধিবলৈ বিচাৰিছো যে আমাৰ ক'ভিড ভেক্সিনটো কেতিয়াৰ ভিতৰত দি শেষ হ'ব? .....(interruption)......

**মাননীয় অধ্যক্ষঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা বিৰোধী পক্ষক সুধিব বিচাৰিছো যে কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনাহে হয়, বিতৰ্ক হয় নেকি? *(মাননীয় মন্ত্ৰীয়ে Rules of Procedure and Conduct of Business in Assam Legislative Assembly খনৰ পৰা নিম্নলিখিত খিনি পঢ়ি দিয়ে)*-'It shall be clearly expressed and shall not contain arguments, inferences, ironical expression, imputations, innuendoes or defamatory statements.' what is the meaning? আমি সদায় নিয়মৰ বাহিৰত গৈ আছো। দুই-এটা কথা কেতিয়াবা সুধিব পাৰে। মই লক্ষ্য কৰিছো যে মন্ত্ৰী এগৰাকীয়ে যেতিয়া সদনত উত্তৰ দি থাকে, তেতিয়া সদস্যগৰাকী সদনৰ বাহিৰত থাকে আৰু হঠাতে আহি মন্ত্ৰীৰ উত্তৰ নুশুনাকৈয়ে মন্ত্ৰীক প্ৰশ্ন কৰে। Is it the procedure ?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে কোৱা কথাটো হয়। But, there is a provision for clarification.

**শ্ৰী সঞ্জয় কিষান (শ্ৰমিক কল্যাণ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো ... (interruption)......

**মাননীয় অধ্যক্ষঃ** Argument নহয়।

**শ্ৰী সঞ্জয় কিষান (শ্ৰমিক কল্যাণ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, complaint নহয়। আপোনাৰ দ্বাৰা সকলোৰে বিবেচনা কৰাৰ বাবে মই এটা কথা কৈছো যে ক'ভিডত স্বামী হেৰুওৱা বিধৱা মহিলাসকলক ২.৫ লাখকৈ টকা দিয়া হৈছে যাৰ ফলত দুখীয়া মহিলাই পৰিয়ালটো চলাবলৈ কিছু হ'লেও সক্ষম হৈছে। আমি যিহেতু নিজেই দিছো গতিকে, কথাখিনি উপলব্ধি কৰিছো। কিন্তু, অধ্যক্ষ মহোদয়, যিবোৰ দুখীয়া পৰিয়ালৰ সদস্য post covid ত মৃত্যুবৰণ কৰিছে, তেওঁলোকক আমি সহায় কৰিব নোৱাৰো নেকি ? মই কোৱা নাই যে আমি সকলোকে দিব লাগিব। কিন্তু, একেবাৰে দুখীয়া পৰিয়ালৰ ক্ষেত্ৰত কিবা বিবেচনা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** এই বিষয়ত মন্ত্ৰী মহোদয়ে নিশ্চয় চাব।

**শ্ৰী কেশৱ মহন্ত, মাননীয় স্বাস্থ্য মন্ত্ৰীঃ** এই বিষয়টোৰ ওপৰত মই আজি ইয়াত উত্তৰ দিব নোৱাৰিম কাৰণ এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিয়ে। কিন্তু, এতিয়া মই ক'ভিড যুদ্ধখনত যুঁজি থকা প্ৰত্যেকগৰাকী স্বাস্থ্য কৰ্মী, এ.এন.এম নাৰ্চ, ডাক্তৰ সকলোকে সদনৰ মজিয়াৰ পৰা আন্তৰিক ধন্যবাদ জনাইছো। লগতে, প্ৰত্যেকজন বিধায়কে নিজৰ সমষ্টিৰ দায়িত্ব লৈ এই যুঁজখনত আগৰ পৰাই যুঁজিছে, গতিকে, প্ৰত্যেক জনকে মই ধন্যবাদ জনাই তেওঁলোকৰ আৰু সহযোগ বিচাৰিছো। স্বাস্থ্য বিভাগত আমি সকলোৰে একেলগে সমূহীয়াভাৱে আগবাঢ়ি যাব লাগিব। গতিকে, অধ্যক্ষ মহোদয়, বিৰোধী পক্ষক মই তেওঁলোকে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ওয়াজেদ আলী

চৌধুৰী, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী সিদ্দিক আহমেদ, শ্ৰী বসন্ত দাস, শ্ৰী আবুল কালাম ৰশিদ আলম, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী নুৰুল হুদা, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰীমতী শিবামণি বৰা, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ, শ্ৰী আব্দুল বতিন খন্দকাৰ, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰী আফতাব উদ্দিন মোল্লা, শ্ৰী খলিল উদ্দিন মজুমদাৰ, শ্ৰী মিচবাহুল ইছলাম লস্কৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী আব্দুৰ ৰহিম আহমেদ, শ্ৰী শশীকান্ত দাস, ডাঃ আছিফ মহম্মদ নাজাৰ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), ডঃ ৰফিকুল ইছলাম, শ্ৰী আশ্ৰাফুল হুছেইন, মোঃ আমিনুল ইছলাম, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী আব্দুল আজিজ, শ্ৰী নজৰুল হ'ক, শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী সুজাম উদ্দিম লস্কৰ আৰু শ্ৰী মনোৰঞ্জন তালুকদাৰ- আপোনালোকে আপোনালোকৰ কৰ্তন প্ৰস্তাৱ তিনিটা প্ৰত্যাহাৰ কৰিব নেকি?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰখিনি আমি মনোযোগেৰে শুনিছো। তেখেতে আমাৰ সহযোগিতা বিচাৰিছে। আমি সকলোৱে সহযোগিতা কৰিবলৈ প্ৰস্তুত আছো আৰু তেখেতক আমি ধন্যবাদ জ্ঞাপন কৰিছো। কেৱল মাত্ৰ এটা clarification বা সংশোধন কৰিব পাৰিলে ভাল হয় । আপুনি কৈছে যে বিধায়কসকলক নিজ সমষ্টি ভিত্তিত এখন সমিতি গঠন কৰি দিছে, তাৰ বাবে আমি ধন্যবাদ জনাইছো। কিন্তু, এই সমিতিত এজন এজনকৈ working Chairman আৰু Co-Chairman দিছে। Co-Chairman জন নিদিলে বিধায়কজনৰ কাম কৰাত সুবিধা হয়। কথাখিনি অলপ চাই ল'ব। Co-Chairman জন দিলে আকৌ কেতিয়াবা বিধায়কজন গৈ পোৱাৰ আগতেই কামখিনি কৰি শেষ কৰে আৰু আমাৰ কৰিবলগীয়া কাম নাথাকে। যাৰ ফলত বিধায়কজনে পিছত বু-বু-বা-বা কৰে। গতিকে, বিধায়কজনৰ লগত Co-Chairman জন নিদি সকলো দায়িত্ব যদি বিধায়কজনকেই দিয়ে, তেতিয়া সুবিধা হয়। গতিকে, আপুনি কেৱল Chairman জন দিলে Co-Chairman জনৰ প্ৰয়োজন নাথাকে। সেইকাৰণে, সমিতিখনত অকল বিধায়কজনকেই দি দিয়ক। বাকী কথাবোৰ আমি ভাল পাইছো। গতিকে, কৰ্তন প্ৰস্তাৱটো আমি প্ৰত্যাহাৰ কৰিছো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই সম্পৰ্কত দীৰ্ঘ আলোচনা হৈ গৈছে। আজি শিক্ষা বিষয়তো আলোচনা হ'ব লাগিছিল। আমাৰ সৰু-সুৰা যিবোৰ কথা ক'বলৈ আছে সেইয়া মন্ত্ৰী মহোদয়ৰ লগত বহি আলোচনা কৰিম। আশা কৰো মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত response দিব। সেয়েহে, আমাৰ কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ**মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ কৰ্তন প্ৰস্তাৱটো withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে নে?

(সদনে সন্মতি জনায়)

সদনৰ সন্মতি সাপেক্ষে কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। মই এতিয়া মঞ্জুৰী প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। সেইটো হ'ল -"২০২২ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক চিকিৎসা আৰু জনস্বাস্থ্য শিতানৰ প্ৰশাসনৰ অৰ্থে ৭০০৩৩০.০১ লাখ টকা মঞ্জুৰ কৰিব লাগে।" যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল। দাবী মঞ্জুৰী নং ২৯ টো গৃহীত হ'ল।

এতিয়া আছে মঞ্জুৰী নং ২৬ আৰু ৭১। শিক্ষা (উচ্চ) আৰু শিক্ষা (প্ৰাথমিক, মাধ্যমিক) ইত্যাদি। এতিয়া মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে মঞ্জুৰী প্ৰস্তাৱ দুটা উত্থাপন কৰিব। মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs.301831.18 lakh the granted to the Minister -in-charge to defray the charges which will come in course of payment during the year ending 31st March, 2022 for the administration of "Education (Higher)."

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs.1452230.14 lakh the granted to the Minister -in-charge to defray the charges which will come in course of payment during the year ending 31st March, 2022 for the administration of "Education (Elementary, Secondary etc)."

**মাননীয় অধ্যক্ষ ঃ** তলত উল্লেখ কৰা মাননীয় সদস্য-সদস্যা সকলৰ নামত এই মঞ্জুৰী প্ৰস্তাৱ দুটাৰ ওপৰত মুঠ ৬ টা কৰ্তন প্ৰস্তাৱ আছে। শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেত সকলৰ সন্মানীয় সদস্য সকল। দ্বিতীয়টো শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেত সকলৰ সন্মানীয় সদস্য সকল আৰু তৃতীয়টো শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া। মই এতিয়া কৰ্তন প্ৰস্তাৱৰ প্ৰস্তাৱক সকলক তেখেতসকলৰ কৰ্তন প্ৰস্তাৱ সমূহ এটাৰ পিছত আনটো উত্থাপন কৰি সদনত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো। সময় কম। আজি আৰম্ভ কৰিলো। এতিয়া ভৰত নৰহ ডাঙৰীয়া।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Grant No.26 ত ২০২১-২২ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৭ অংশৰ ১ৰ পৰা ৫০ পৃষ্ঠাত থকা শিক্ষা (উচ্চ) শিতানৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩০১৮৩১.১৮ লাখ টকা ১ টকাৰে হ্ৰাস কৰা হওঁক। অৰ্থ্যাৎ মঞ্জুৰীৰ ৩০১৮৩১.১৮ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** Hon'ble Speaker sir, I beg to move that the total provision of Rs.301831.18 lakh under grant No.26 in respect of "Education (Higher)" at pages 1-50, volume -II, part -VII of the budget for 2021-22 be reduced to Rs.1.00 i.e. the amount of the whole grant of Rs.301831.18 lakh do stand reduced to Rs.1.00.

I beg to move that the total provision of Rs.1452230.14 lakh under grant No.71 in respect of "Education (Elementary, Secondary etc.)" at pages 1-26-202, volume -II, part -VII of the budget for 2021-22 be reduced to Rs.1.00 i.e. the amount of the whole grant of Rs.1452230.14 lakh do stand reduced to Rs.1.00.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Grant No.26 ত ২০২১-

২২ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৭ অংশৰ ১ৰ পৰা ৫০ পৃষ্ঠাত থকা শিক্ষা (উচ্চ) শিতানৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩০১৮৩১.১৮ লাখ টকা ১ টকাৰে হ্ৰাস কৰা হওঁক। অৰ্থাৎ মঞ্জুৰীৰ ৩০১৮৩১.১৮ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষকৈ শিক্ষা বিভাগত যিটো Language Policy সেই বিষয়ে মই ক'ব বিচাৰিছো। আমাৰ অসমত যিখিনি Tribal Indigenous ভাষা আছে, বিশেষকৈ মিছিং, তিৱা, দেউৰী, টাই, ৰাভা, বিষ্ণুপুৰীয়া মণিপুৰী এইবিলাক lower primary level ত শিক্ষাৰ মাধ্যম কৰিব লাগে বুলি বহুদিনীয়া দাবী উত্থাপন কৰি আহিছে। আমাৰ সংবিধানতো Article -350(A) ত লিখা আছে যে নিম্ন প্ৰাথমিক বিদ্যালয়ত স্থানীয় ভাষা সমূহক বা জনজাতীয় ভাষা বিলাকক শিক্ষাৰ মাধ্যম হিচাপে চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে। তাৰ বাহিৰেও The Right to Education Act, 2009 তাতো এই কথাটো স্পষ্টকৈ লিখা আছে যে নিম্ন প্ৰাথমিক বিদ্যালয়ত স্থানীয় ভাষা সমূহক বা জনজাতীয় ভাষা বিলাকক শিক্ষাৰ মাধ্যম হিচাপে চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে। The Right to Education Act,2009 ৰ chapter -5, page -29, National Education Commission আৰু National Council of Educational Research and training তেওঁলোকেও recommend কৰিছে। ইয়াৰ উপৰিও National Educational Policy, 2020 ত যিটো 4.11, 4.12 য'ত Multi Language in and power of language তাতো এই কথাটো লিখা আছে। অন্যান্য জনজাতীয় ভাষাৰ লগতে আমাৰ মিছিং আবাং কেবাং, তাকাম মিছিং কৰিম কেবাং, মিছিং ৰিবি কেবাং, তাকাম মিছিং মিমে কেবাং, মিছিং বামে কেবাং এই পাচটা জাতীয় সংগঠনে সময়ে সময়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াক স্মাৰক পত্ৰ দিছে । এইখন মই স্মাৰক পত্ৰখন আনিছো ২৮ ফেব্ৰুৱাৰী ২০১৬ চনৰ। এই স্মাৰক পত্ৰখনত তেওঁলোকে স্পষ্টকৈ লিখিছে যে মিছিং অধ্যুষিত অঞ্চলত নিম্ন প্ৰাথমিক বিদ্যালয়ত মিছিং ভাষাক শিক্ষাৰ মাধ্যম কৰিব লাগে। In Primary Level in the School Pre-dominantly inhabited by the mising people ছাৰ, ইতিমধ্যে আমাৰ ইয়াত বিশেষকৈ উপাধ্যক্ষ মহোদয় আছে। ইতিমধ্যে অসমত গাৰো মিডিয়াম কৰা হৈছে আৰু ২৫৮ খন স্কুল ইতিমধ্যে গাৰো মাধ্যমত আমাৰ ইয়াত আছে, আৰু ২১১৯ বড়ো মাধ্যমৰ স্কুলো আছে। বড়ো ইতিমধ্যে National language ত সোমাই গৈছে। তাৰপাছত মনিপুৰীও আছে। মনিপুৰী মাধ্যমৰ ১০২ খন স্কুল আমাৰ ইয়াত আছে। আনকি যিটো জনগোষ্ঠী তেওঁলোকৰো ১৮ খন স্কুল আছে। য'ত lnstruction যিখিনি তেওঁলোকৰ মাধ্যমত আছে। নেপালীও দুখন স্কুল দিছিল। শুনামতে নেপালী সম্প্ৰদায়ৰ মানুহে দাবী কৰিলে যে আমাৰ ডিমাণ্ড কম আছে, সেই কাৰণে আমাৰ স্কুল দুখন withdraw কৰিব লাগে। ইতিমধ্যে withdraw কৰিছে। কিন্তু আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই ১ জুন তাৰিখে এখন মিটিং পাতিছিল তাত বোধহয় সেই মিটিংখনত আপুনি "Indigenous Tribal Sahittya Sabha" ৰ এখন মিটিং কৰিছিল। আপোনাৰ এই minutes টো ইয়াত আছে। কিন্তু আপুনি ইয়াত যিখিনি লিখিছে যে Implimentation of language and Education Policy of NCERT adopted by Goverment of Assam for Upper Primary from coming Education Session 2021. ইয়াত কিন্তু Lower Primary কথাটো উল্লেখ নাই আৰু আপুনি যেতিয়া আমাৰ এই সদনত যোৱা ১৫

জুলাই তাৰিখে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীৰ এটা প্ৰশ্নৰ উত্তৰত সেইদিনা আৰু পৰমানন্দ ৰাজবংশীয়েও এটা প্ৰশ্ন কৰিছিল। তেখেতৰ The Assamese Language Learning Policy 2021 তাৰ ওপৰত তেখেতে এটা প্ৰশ্ন আনিছিল। তেতিয়া আপুনি এটা কথা ক'লে যে, আপোনালোকে ভাষানীতি এটা গ্ৰহণ কৰিছে। আপোনালোকে জনজাতীয় জনগোষ্ঠীৰ সাহিত্য সভাৰ লগত আলোচনা কৰি ভাষানীতি এটা গ্ৰহণ কৰা বুলি কৈছিল। ভাষানীতিৰ সন্দৰ্ভত আপুনি কৈছিল যে অসমীয়া মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা যাৰ আছে সেইটো অসমীয়া দ্বিতীয় ভাষা ইংৰাজী, তৃতীয় ভাষা হিন্দী। এতিয়া অসমীয়া থাকিব, ইংলিছ থাকিব কিন্তু হিন্দীতো আপুনি ক'লে ৫০-৫০ কৰা হ'ব। হিন্দীতো ৫০ শতাংশ কৰি ৫০ শতাংশ তিৱা বা মিচিং বা ৰাভা, দেউৰী বা টাই ভাষা ৫০ শতাংশ তেওঁলোকক দিয়া হ'ব। ইয়াত এইটো আপুনি কৈছিল। ইংৰাজী, তিৱা ভাষাৰ পৰা ১০০ নম্বৰ ভাগ কৰি ৫০ নম্বৰ, হিন্দী আৰু তিৱা অধ্যুষিত অঞ্চলৰ ছাত্ৰৰ কাৰণে ৫০ নম্বৰ তেওঁলোকে পাব পাৰে। কিন্তু চাৰ, আমাৰ বিশেষকৈ মই মিচিং আবাং কেবাং তেওঁলোকে মাজতে প্ৰেছ কনফাৰেঞ্চ পাতিছে আৰু পেপাৰত এটা ষ্টেটমেণ্ট দিছিলে আৰু সকলো পেপাৰতে এইটো ওলাইছিল। মই মাত্ৰ ৩১ জুলাইৰ " দৈনিক জনমভূমি" খন লৈ আহিছো। গোটেইখি নি অনাতো সম্ভৱ নহয়। তাত তেওঁলোকে কৈছে যে, মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি পালন নকৰা অভিযোগ "মিচিং সাহিত্য সভা" ৰ, মিচিং ভাষা নিঃশেষ কৰাৰ গভীৰ ষড়যন্ত্ৰ অসম চৰকাৰৰ, আৰু চাৰ, ২০২১ ৰ বোধহয় জানুৱাৰী বা ফেব্ৰুৱাৰী exact তাৰিখটো মোৰ মনত নাই। জোনাইত "টি এম টি কে"ৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰিছিল। তাত মাননীয় মন্ত্ৰী আছিল, আমাৰ জোনাইৰ বিধায়ককো তাত আছিল। মাননীয় মুখ্যমন্ত্ৰীয়ে তাত কৈছিল যে মিচিং ভাষাৰ লগতে অসমৰ অন্য জনজাতীয় ভাষাসমূহ শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰা হওঁক। এতিয়া আপুনি যিটো ভাষানীতি ঘোষণা কৰিছে, তাৰ লগত এই বস্তুটোৰ মিল নাই আৰু মিচিং আবাং কেবাং বা " ৰাভা সাহিত্য সভা", তিৱা সাহিত্য সভা" সকলোৰে দাবী কৰি আছিল যে আমাক অন্ততঃ পঞ্চম শ্ৰেণীলৈকে যিটো Education Policy ত যিটো আপোনাক আগতে কৈছো 4.11.4.22.

**মাননীয় উপাধ্যক্ষ ঃ** ১ মিনিট। মাননীয় সদস্য সময় শেষ হৈছে। আপুনি যদি ক'ব বিচাৰে ৫ মিনিট সময় ক'ব পাৰে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** নহয় চাৰ, মই কাইলৈ ক'ম।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। তেতিয়াহ'লে আপুনি কাইলৈ ক'ব। এতিয়া এটা ঘোষণা আছে। কাইলৈ আমাৰ সদন ৰাতিপুৱা ৯ বজাত আৰম্ভ হ'ব আৰু ১১.৩০ বজাত সদন স্থগিত হ'ব আৰু ১ বজাত আমাৰ Ist Lady Finance Minister of Assam. দিনৰ আহাৰ ১ বজাত এৰেঞ্জ কৰিছে। পিছবেলা ২.৩০ বজাৰ পৰা আকৌ সদন আৰম্ভ হ'ব।

**গতিকে সদন অহা ইংৰাজী ৬-৮-২০২১ তাৰিখৰ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।**